DATA ENTERED

# এচিয়াৰ জ্যোতি

( বুদ্ধ-চৰিত )

শ্ৰীআনন্দচন্দ্ৰ বৰুৱা

সম্পাদক
উদীয়মান যুৱক সঙ্ঘ
খনামুখ, শিৰসাগৰ
তাং

DIBRU COLLEGE CENTRAL LIBRARY
ESTD 1963

G962

দত্তবৰুৱা এণ্ড কোম্পানী
গুৱাহাটী ১ ।। অসম

Approved as Rapid Reader for High School Leaving Certificate and High Madrasa Examination by the Board of Secondary Education, Assam, Gauhati, vide Letter No. SEBA/SYLL/1/66/1773 dated 17-11-67.

প্ৰকাশক
শ্ৰীমুনীন্দ্ৰনাৰায়ণ দত্তবৰুৱা, এম-এ
দত্তবৰুৱা এণ্ড কোম্পানী
গুৱাহাটী ১ ॥ অসম

১ম সংস্কৰণ
জুন ১৯৬০
২য় সংস্কৰণ
জানুৱাৰী ১৯৬৮
পুনৰ মুদ্ৰণ
ফেব্ৰুৱাৰী ১৯৬৮
৩য় সংস্কৰণ
জানুৱাৰী ১৯৬৯
৪ৰ্থ সংস্কৰণ
জানুৱাৰী ১৯৭০
৫ম সংস্কৰণ
জানুৱাৰী ১৯৭১
৬ষ্ঠ সংস্কৰণ
জানুৱাৰী ১৯৭২

মূল্য—২·৭৫ টকা

ছপাশাল
শ্ৰীগুৰু প্ৰেছ
গুৱাহাটী ১১ ॥ অসম

# দ্বিতীয় সংস্কৰণৰ কথা

'এচিয়াৰ জ্যোতি' কিতাপখন মাধ্যমিক শিক্ষা পৰিষদে উচ্চ ইংৰাজী আৰু উচ্চ মাদ্ৰাচাৰ নৱম আৰু দশমমান শ্ৰেণীৰ দ্ৰুত-পাঠ হিচাবে মঞ্জুৰ কৰা বাবে এই সংস্কৰণ উলিয়াব লগা হল। 'এচিয়াৰ জ্যোতি'ত গৌতম বুদ্ধৰ নিৰ্মল চৰিত্ৰ আৰু আদৰ্শ কৰ্মাৱলীৰ পৰিচয় আছে। এই কিতাপখন পঢ়ি শ্ৰদ্ধাস্পদ শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই আমাক এটি লিখিত মন্তব্য দি কৈছিল—"এই কিতাপখন স্কুলত চলিলে ভাল হব।"

ভাৰতীয় দৰ্শনে কয়—ভাব কেতিয়াও ব্যৰ্থ নহয়। শিক্ষা পৰিষদে এই কিতাপখন ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে মঞ্জুৰ কৰা বাবে আমি বৰ সন্তোষ পাইছোঁ। কাৰণ, আজিকালি উঠি অহা ল'ৰা-ছোৱালীবিলাকক প্ৰাচীন ভাৰতবৰ্ষৰ পৱিত্ৰ আদৰ্শ আগত লবলৈ উপযুক্ত পাঠ্যপুথি দিয়া অতি প্ৰয়োজন হৈ আহিছে। যিখন দেশত মহাত্মা গান্ধী, শ্ৰীঅৰবিন্দ, ৰবীন্দ্ৰনাথ আদি মহামানৱসকলৰ মহান আদৰ্শই মানুহক জ্ঞানৰ আলোক বিলাই আছে, সেইখন দেশৰ শিক্ষানীতিত এনে উদ্দেশ্য থাকিবই লাগে।

শিক্ষকসকলে দয়া কৰি আমাৰ 'বুদ্ধ-পৰিচয়' অধ্যায়টি পঢ়ি লৈ ছাত্ৰ-ছাত্ৰীক 'এচিয়াৰ জ্যোতি' পঢ়ুৱালে বিশেষ উপকাৰ হব।

এই কিতাপখন মঞ্জুৰ কৰা বাবে আৰু সাধু পুৰুষ সন্দিকৈ ডাঙৰীয়াৰ বাক্য সিদ্ধ হোৱা বাবে আমি নথৈ সন্তোষ পাইছোঁ। গুৱাহাটীৰ দত্তবৰুৱা কোম্পানীৰ ডেকা সাহিত্যানুৰাগী প্ৰকাশক

শ্ৰীমুনীন্দ্ৰনাৰায়ণ দত্তবৰুৱাই নৱালৰিকৈ কিতাপখন প্ৰকাশ কৰি দিয়া বাবে তেখেতৰ শলাগ ললোঁ।

ছাত্ৰ-ছাত্ৰীসকলে পঢ়ি নিজৰ জীৱন নিৰ্মলভাৱে গঢ়ি লবলৈ সঙ্কল্প কৰিলে পৰম সন্তোষ পাম। যিখন দেশত শ্ৰীশঙ্কৰ-মাধৱ আদিৰ নিৰ্মল চৰিত্ৰই আমাক বাট দেখুৱাই আছে, সেই দেশৰ অধ্যাপনা তেনেকুৱাকৈ নিৰ্মল আৰু পৱিত্ৰ হওক।

**শ্ৰীআনন্দচন্দ্ৰ বৰুৱা**

'বকুলবন'
যোৰহাট—১
৫।১২।৬৭

প্ৰথমে
যাৰ হাতত এই কিতাপখনি দি
তৃপ্তি পালোঁহেঁতেন—
তাৰ
জীৱন-শলিতাগছি
কেতিয়াবাই নুমাল—
কিন্তু স্মৃতিত
সি
আজিও
গণেশ গগৈ হৈ
জীয়াই আছে।

# বুদ্ধ-পৰিচয়

খৃষ্টপূৰ্ব ৬২০ চনত নেপাল ৰাজ্যৰ নামনিত বৰ্তমান বিহাৰৰ উত্তৰাংশত কপিলাবাস্তু ৰাজ্যৰ ৰজা শুদ্ধোদনৰ ঔৰসত মায়াদেৱীৰ গৰ্ভত সিদ্ধাৰ্থৰ জন্ম হয়। সেই দিনা বৈশাখী পূৰ্ণিমা তিথি। সিদ্ধাৰ্থক শাক্যসিংহ, গৌতম নামেও জনা হয়। সিদ্ধাৰ্থৰ জন্ম সম্পৰ্কে অনেক গল্প-কাহিনী আছে, সেই সকলোবিলাক এই গ্ৰন্থত বৰ্ণাই কোৱা হৈছে। জগতৰ জীৱবিলাকৰ দুখ বিমোচন, জন্ম, জৰা, মৰণ, ৰোগ, শোক আদি দুখৰপৰা মানুহক উদ্ধাৰ কৰিবৰ উদ্দেশ্যে মাত্ৰ ২৯ বছৰ বয়সত সিদ্ধাৰ্থই কপিলাবাস্তুৰ সোণৰ সিংহাসন, বৃদ্ধ পিতা, প্ৰিয়তমা ভাৰ্য্যা আৰু স্নেহৰ পুত্ৰ আদি সকলো অকাতৰে ত্যাগ কৰি সত্যৰ সন্ধানত গৃহত্যাগী হয়। ৰজা বিম্বিসাৰৰ ৰাজ্যত থকা ৰত্নগিৰি পৰ্বতত থকা অনেক যোগী-সাধকৰ লগত কিছুদিন থাকি তেওঁবিলাকৰ আসুৰিক যোগ-অভ্যাস আৰু যুক্তি-তৰ্কৰ মাজত সত্যৰ সন্ধান নাপাই সিদ্ধাৰ্থ গয়াৰ ফালে গুচি গ'ল। উৰুবেলা নামে নৈৰঞ্জনা নৈৰ পাৰত থকা এটা বালি চাপৰিত ছবছৰ কাল কঠোৰ সমাধিত নিমগ্ন হৈ থাকে। যিজোপা গছৰ তলত বৈশাখী পূৰ্ণিমাৰ শেষ ৰাতি তেখেতে বোধিসত্ত্ব অৰ্থাৎ সৰ্বজ্ঞান লাভ কৰিলে, সেই গছ-জোপাৰ নামেই হ'ল বোধিদ্ৰুম বা বোধি বৃক্ষ। গয়াৰ ওচৰত থকা এই উৰুবেলা আজি জগতৰ ওচৰত অন্যতম মহাতীৰ্থ বৌদ্ধ-গয়া। তেখেতৰ সাধনাৰ সেই শেষ ৰাতিৰ প্ৰথম স্তৰত তেখেতে 'অভিজ্ঞ' অৰ্থাৎ পূৰ্ব জন্মৰ সকলো স্মৃতি মনত পৰি দিব্যজ্ঞান

লাভ কৰে। বৌদ্ধ জাতকমালাত পূৰ্বজন্মবিলাকৰ বহুত কথা পোৱা যায়। মধ্যম স্তৰত দিব্য দৃষ্টি আৰু তৃতীয় স্তৰত অৰুণোদয়ৰ সময়ত সম্যক সম্বোধি অৰ্থাৎ সৰ্বজ্ঞতা লাভ কৰিলে। জন্ম-জন্মান্তৰ সাধনাৰ ফলত পোৱা এই দিব্যজ্ঞানসম্পন্ন এই ধৰ্ম-উপদেশ কাক দিব, কোনেবা বুজিব পাৰিব, এই চিন্তা আহিল।

তেখেতে তেতিয়া উৰুবেলা ত্যাগ কৰি বাৰাণসী অভিমুখে যাত্ৰা কৰিলে। বৰ্তমান কাশীৰপৰা প্ৰায় ৬।৭ মাইলমান উত্তৰ-পূবে থকা সাৰনাথ নামে ঠাইলৈ আহি তাত পাঁচজন ভিক্ষুক লগ পায়। এই পাঁচজনকে প্ৰথমে তেখেতৰ সাধনালব্ধ ধৰ্ম-উপদেশ দান কৰি তাতে ধৰ্মচক্ৰ প্ৰবৰ্তন কৰে।

সেই ভিক্ষুসকলক দিয়া প্ৰথম উপদেশৰ সাৰাংশ :—

## চাৰি সত্য

১। জন্ম দুখ, জৰা দুখ, ব্যাধি দুখ, মৰণ দুখ, অপ্ৰিয় সংযোগ, প্ৰিয় বিয়োগ দুখ, কামনা কৰা বস্তু নোপোৱা দুখ—এয়েই দুখ সত্য।

২। কামনাৰ তৃষ্ণা, বিষয় কামনাৰ তৃষ্ণা, ঐশ্বৰ্য্য-বিভূতিৰ তৃষ্ণা, এই তৃষ্ণাই দুখ উদয়ৰ কাৰণ-দুখ সমুদয়।

৩। সেই তৃষ্ণাৰ বিৰাগ, তৃষ্ণা নিৰোধ, ত্যাগ আৰু বিসৰ্জন, আৰু তাৰ সংশ্ৰৱ নোহোৱাকৈ মুক্তি লাভ কৰা—এয়েই দুখ নিৰোধ।

৪। এই দুখ নিৰোধৰ পথ আঠোটা। বিশুদ্ধ সঙ্কল্প, বিশুদ্ধ বাক্য, বিশুদ্ধ কৰ্ম, বিশুদ্ধ জীৱিকা, বিশুদ্ধ ব্যায়াম, বিশুদ্ধ স্মৃতি আৰু বিশুদ্ধ ধ্যান। এয়ে দুখ নিৰোধগামী প্ৰতিপদ। সেই পাঁচ জ্ঞানৰ ভিতৰত প্ৰথম ধৰ্মজ্ঞান উৎপন্ন হয়।



"যি বস্তুৰেই উৎপত্তি আছে, তাৰেই বিনাশ আছে।" এই মূল সত্যৰ ভেঁটিতেই দুখ উৎপত্তি আৰু নিৰোধৰ উপায় গৌতম বুদ্ধই সাধনাৰে দান কৰি গৈছে। যেতিয়া এজনৰ পিচত আন এজনকৈ সেই পাঁচোজনে বুদ্ধৰ নতুন ধৰ্মৰ তাৎপৰ্য্য বুজিব পাৰিলে তেতিয়া সেই ঠাইতে ধৰ্মচক্ৰ প্ৰৱৰ্তন হ'ল, অৰ্থাৎ বৌদ্ধ ধৰ্ম প্ৰতিষ্ঠিত হ'ল।

## পঞ্চশীল

বৌদ্ধ ধৰ্মত দীক্ষিত হোৱাৰ কাৰণে—'শীলগ্ৰহণ প্ৰথা' আছে। 'শীল' মানে মূলতত্ত্ব বা উপাদান।

১। প্ৰাণী হত্যা নকৰোঁ।

২। চুৰ নকৰোঁ।

৩। কামাসক্ত হৈ মিথ্যাচাৰ নকৰোঁ।

৪। মিছা কথা নকওঁ, ৰাগীয়াল বস্তু নাখাওঁ।

৫। প্ৰমাদৰ কাৰণস্বৰূপ সুৰাপান আদি নকৰোঁ।

## অষ্টশীল

১। প্ৰাণী হত্যা নকৰোঁ।

২। চুৰ নকৰোঁ।

৩। অ-ব্ৰহ্মচাৰী নহওঁ।

৪। মিছা কথা নকওঁ।

৫। প্ৰমাদৰ কাৰণস্বৰূপ ৰাগীয়াল বস্তু নাখাওঁ আৰু সুৰাপান নকৰোঁ।

৬। দুপৰীয়াৰ পাচত পাচদিনা সূৰ্য্য উদয় হোৱাৰ পূৰ্বে আৰু ভোজন নকৰোঁ।

৭। নাচ-গান-বাদ্য, মালাগন্ধ, সুগন্ধি দ্ৰব্য আদি ব্যৱহাৰ নকৰোঁ।
৮। উচ্চাসনত নবহোঁ, উচ্চ আৰু সুকোমল শয্যাত শয়ন নকৰোঁ।

**দশশীল**

১। প্ৰাণী হত্যা নকৰোঁ।
২। চুৰ নকৰোঁ।
৩। অ-ব্ৰহ্মচাৰী নহওঁ।
৪। মিছা কথা নকওঁ।
৫। প্ৰমাদৰ কাৰণস্বৰূপ ৰাগীয়াল বস্তু নাখাওঁ আৰু সুৰাপান নকৰোঁ।
৬। দিনৰ দুপৰীয়াৰ পাচত পাচদিনা সূৰ্য্য উদয় হোৱাৰ পূৰ্বে আৰু ভোজন নকৰোঁ।
৭। নাচ, গান, বাদ্য আৰু উৎসৱ দৰ্শন নকৰোঁ।
৮। মালাগন্ধ, সুগন্ধি দ্ৰব্য ব্যৱহাৰ নকৰোঁ।
৯। উচ্চাসনত নবহোঁ, উচ্চ আৰু সুকোমল শয্যাত শয়ন নকৰোঁ।
১০। সোণ, ৰূপ বা মুদ্ৰা আদি গ্ৰহণ নকৰোঁ।

বৌদ্ধ ধৰ্মৰ আচাৰ্য্যসকলে পঞ্চশীল, অষ্টশীল আৰু দশশীল গ্ৰহণ কৰিবৰ উপযুক্ত শিষ্যসকলক সেই শীল দান কৰে। এই শীলৰ ফল বৌদ্ধ শাস্ত্ৰই এইদৰে বৰ্ণনা কৰিছে। শীলৰ দ্বাৰাই সুগতি,ভোগ, সম্পদ আৰু নিৰ্বাণ প্ৰাপ্ত হয়। কি গঙ্গা, কি যমুনা, কি সৰযূ, কি সৰস্বতী, কি মহানদী—ইহলোকত একোৱেই মানুহৰ



G962

মনৰ মল ধুই দিব নোৱাৰে। একমাত্ৰ শুদ্ধ শীল-জলেইহে ধৌত কৰিব পাৰে। কি শীতল বতাহ, কি চন্দ্ৰৰ কিৰণ, ইহলোকত একোৱেই মানুহৰ সেই জ্বালা উপশম কৰিব নোৱাৰে। অত্যন্ত শীতল সুৰক্ষিত শীলসমূহেহে সেই জ্বালা শাঁত কৰিব পাৰে। শীল স্বৰ্গাৰোহণৰ জখলা, নিৰ্বাণ নগৰ প্ৰৱেশৰ দুৱাৰ। শীল-ভূষণ পৰিশোভিত যতী সন্ন্যাসীসকলে যিদৰে শোভা পায়, মণি-মুক্তা বিভূষিত ৰজাসকলেও সেইদৰে শোভা নাপায়।

**মৈত্ৰী ভাবনা**

বুদ্ধদেৱৰ 'সম্বুদ্ধ' অৱস্থাটো সকলো প্ৰকাৰ দুখৰপৰা মুক্ত, আত্মজয়ী, কৰুণাময় আৰু মৈত্ৰী ভাবত প্ৰতিষ্ঠিত। সেই কাৰণে মিছা দুখৰপৰা পূৰ্ণ স্বাধীনতা লাভ কৰি প্ৰত্যেক সত্তাই মুক্তি, কৰুণা আৰু মৈত্ৰীৰ অনুশাসন মানি চলিবলৈ বুদ্ধই উপদেশ দিছিল। বিশ্বমৈত্ৰীভাবনা বৌদ্ধ ধৰ্মৰ প্ৰাৰ্থনাৰ অন্তৰ্ভুক্ত।

সকলো সত্তা (জীৱ) সুখী হওক, অবৈৰী হওক, অবধ্য হওক, কোনেও হিংসা কৰিব নোৱৰা হওক আৰু সুখেৰে ইহ জগতত দিন যাপন কৰক, সকলো সত্তা দুখৰপৰা মুক্ত হওক। যাৰ যি সম্পত্তি আছে, সেই সম্পত্তিৰপৰা বঞ্চিত নহওক। সকলো সত্তাই নিজ নিজ কৰ্ম, কৰ্মৰ ফল আৰু কৰ্মৰপৰা হোৱা পাপ বা পুণ্য, যেনে কৰ্ম কৰিব—তাৰেই উত্তৰাধিকাৰী হব।

**ৰতন-সূত্ৰ**

ৰতন সূত্তং অৰ্থাৎ ৰতন সূত্ৰ নামে পালি গাথাৰ যোগে বুদ্ধ ধৰ্ম আৰু বৌদ্ধসকলৰ উদ্দেশ্যে কোৱা হৈছে: "ইহলোক বা

পৰলোকত যি ধন আছে, স্বৰ্গত যি পৰম ৰত্ন আছে, এই আটাইবিলাক গোটালেও তথাগত বুদ্ধৰ সমান নহয়। বুদ্ধ নিজেই পৰম ৰত্ন।"

"সমাহিত চিত্তৰ শাক্যমুনিয়ে (বুদ্ধ) কামক্ষয়, বিৰাগ, অমৃত আৰু পৰম নিৰ্বাণ ধৰ্ম কাৰো উপদেশ নোহোৱাকৈ উপলব্ধি কৰিছে। সেই ধৰ্মৰ সমান আৰু অন্য ধৰ্ম নাই। ধৰ্মৰ এই পৰম ৰত্ন ভাব শ্ৰেষ্ঠ।"

## শৰণ-প্ৰথা

বৌদ্ধ ধৰ্মৰ মতে শৰণ তিনিটা। প্ৰথমে বুদ্ধৰ শৰণ, দ্বিতীয়তে ধৰ্মৰ শৰণ আৰু তৃতীয়তে সংঘৰ শৰণ লব লাগে। প্ৰত্যেকটো শৰণ তিনি বেলি তিনি বেলি লব লাগে। যেনেঃ—বুদ্ধং শৰণং গচ্ছামি। দুতীয়াম্পি বুদ্ধং শৰণং গচ্ছামি। তুতীয়াম্পি বুদ্ধং শৰণং গচ্ছামি। এইদৰেই ধৰ্মৰ শৰণ আৰু সংঘৰ শৰণ লব লাগে।

## বুদ্ধাভিবাদন

পাপ-ৰিপুক দমন কৰি, ক্লেশ-শত্ৰুক নিহত কৰি, তৃষ্ণালতা ছেদন কৰি, বাসনাৰ সোঁত শুকাই, যিজন সম্যকৰূপে নিৰ্বাণ লাভৰ যোগ্য হল; যিজন ত্ৰিজগতৰ পূজ্য হল—এই কাৰণে যাৰ নাম 'অৰ্হৎ' হ'ল—যিজনৰ কোনো গুৰু নোহোৱাকৈ নিজেই- দুখ, দুখৰ কাৰণ, দুখ নিৰোধ আৰু দুখ নিৰোধৰ উপায়—এই চাৰি মহাসত্য জ্ঞাত হ'ল আৰু জগতক সেই পথৰ অনুসৰণ কৰিবলৈ উপদেশ দিলে—এই বাবে যিজন 'সম্যক্ সম্বুদ্ধ' নামে পৰিচিত হ'ল, সেই ভগৱান বুদ্ধক অভিবাদন কৰিছোঁ।



## ধৰ্মাভিবাদন

যি ধৰ্ম ভগৱান অৰ্হৎ সম্যক সম্বুদ্ধৰ দ্বাৰাই সুচাৰুৰূপে আখ্যাত হ'ল, যি ধৰ্ম সম্যকভাৱে গ্ৰহণ আৰু পালন কৰিলে প্ৰত্যক্ষ ফল প্ৰদান কৰে, ইহ জনমতে জন্ম, জৰা, ব্যাধি, মৃত্যু আৰু শোক- দুখ জয় কৰি নিৰ্বাণৰ অমৃত লাভ কৰিব পাৰি, সেই ধৰ্মক অভিবাদন কৰিছোঁ।

## সংঘাভিবাদন

ভগৱান বুদ্ধৰ যিসকল শিষ্য সুপথত উপনীত হৈছে, সহজ পথত উপনীত হৈছে, ন্যায় পথত উপনীত হৈছে, বিশিষ্ট পথত উপনীত হৈছে, যিসকল বাৰে বাৰে আহ্বান কৰিবলগীয়া, দান- দক্ষিণাৰ যোগ্য, যোৰহাতে নমস্কাৰৰ যোগ্য আৰু যিসকল জগতৰ অনুপম পুণ্যক্ষেত্ৰস্বৰূপ, সেই সংঘক নমস্কাৰ কৰিছোঁ।

২৫০০ বছৰৰ আগেয়েই গৌতম বুদ্ধই বিচ্ছিন্ন জগতবাসীক শ্ৰেষ্ঠতম নীতি-ধৰ্মত দীক্ষিত কৰি সংঘবদ্ধ কৰিবলৈ যি অতুলনীয় প্ৰথা অৱলম্বন কৰিছিল, সি আজিও মানুহক শ্ৰদ্ধাবনত কৰি থৈছে। বুদ্ধই তেখেতৰ ভিক্ষুসকলক ধৰ্মানুশাসন দান কৰিয়েই এৰি দিয়া নাছিল; সেই ভিক্ষুসকলক লৈ 'ভিক্ষুসংঘ' গঠন কৰিছিল। বুদ্ধৰ জীৱন-কালত সেই সময়ত ভাৰতবৰ্ষত ৰাজনৈতিক সংঘবিলাক আছিল। বুদ্ধই তাৰ আদৰ্শত ধৰ্মসংঘ স্থাপন কৰিলে। সংঘবদ্ধ হোৱাৰ ফলতেই বৌদ্ধ বিহাৰবিলাক বহুত দিন জীয়াই থাকিল। এই সংঘ সম্পৰ্কে সেই কালৰ এটি বুৰঞ্জীমূলক ঘটনা ইয়াত উল্লেখ কৰিব পাৰি। মগধৰাজে লিচ্ছৱীসকলক আক্ৰমণ কৰি তেওঁৰ তলতীয়া কৰিবলৈ ইচ্ছা কৰিছিল। এই সম্পৰ্কে মতামত বিচাৰি

তেখেতৰ মন্ত্ৰী এজনক বুদ্ধৰ ওচৰলৈ পঠিয়ালে। বুদ্ধই ইয়াৰ উত্তৰ মন্ত্ৰীজনক নিদি তেখেতৰ প্ৰধান শিষ্য আনন্দক কৰলৈ ধৰিলে—আনন্দই "হয়" বুলি উত্তৰ দিলে। মগধৰাজৰ মন্ত্ৰীজনে শুনক বুলি বুদ্ধই আনন্দক সাতোটা প্ৰশ্ন সুধিলে। সেই প্ৰশ্ন কেইটাৰ মাজত মগধৰাজৰ প্ৰতি উত্তৰ সোমাই আছিল।

(১) আনন্দ, যেতিয়ালৈকে লিচ্ছবীসকলে পূৰ্ণ সংঘ আহ্বান কৰি থাকে;

(২) যেতিয়ালৈকে তেওঁবিলাক সকলোটি একেলগে সম্মিলিত হৈ মিলি-মিলেৰে তেওঁবিলাকৰ শাসন-কাৰ্য্য পৰিচালনা কৰি থাকে;

(৩) যেতিয়ালৈকে তেওঁবিলাকৰ ৰাষ্ট্ৰ-নীতিত নথকা নতুন কথা প্ৰৱৰ্তন নকৰে আৰু প্ৰৱৰ্তিত হৈ থকা নীতিৰ লৰচৰ নকৰে আৰু সেই দেশৰ প্ৰাচীন ৰীতি-নীতি অনুসৰি কাম কৰি থাকে;

(৪) যেতিয়ালৈকে তেওঁবিলাকে তেওঁবিলাকৰ বয়োশ্ৰেষ্ঠসকলক সন্মান কৰে, শ্ৰদ্ধা-ভক্তি কৰে আৰু তেওঁবিলাকৰ কাৰ্য্যাৱলী অনুমোদন কৰি থাকে আৰু তেওঁবিলাকৰ কথা শুনা, উপদেশমতে চলাটো এটা কৰ্তব্য বুলি ধৰি থাকে;

(৫) যেতিয়ালৈকে তেওঁবিলাকৰ মাজত কোনেও কাৰো তিৰোতা বা ছোৱালীক বলাৎকাৰ কৰি বা পলুৱাই নিনিয়ে;

(৬) যেতিয়ালৈকে তেওঁবিলাকৰ মাজত থকা ধৰ্মস্থানবিলাকক সন্মান কৰে, শ্ৰদ্ধা-ভক্তি কৰে আৰু চলাই থাকে;

(৭) যেতিয়ালৈকে তেওঁবিলাকৰ মাজত থকা অৰ্হৎসকলক ৰক্ষা কৰি থাকে আৰু পূৰ্ণ সহযোগ দান কৰি থাকে, তেতিয়ালৈকে তেওঁবিলাকৰ কোনো প্ৰকাৰ অৱনতি নহ'ব আৰু তেওঁবিলাকৰ উন্নতিহে সাধন হ'ব।



এই কথা শুনি মন্ত্ৰীজনে মগধৰাজে লিচ্ছবীসকলক জয় কৰিব নোৱাৰে বুলি থিৰাং কৰি উলটি গ'ল। তেওঁ যোৱাৰ পাচতে বুদ্ধই ভিক্ষুসকলক মাতি আনি এখন সংঘ পাতিলে। কলে—

"হে ভিক্ষুসকল মই তোমালোকক কল্যাণকামী সাতোটা নীতিৰ কথা কম।" এই বুলি তেখেতে ওপৰত কোৱাৰ দৰে ভিক্ষুসকলক সংঘবদ্ধ হবলৈ সাতোটা নীতিৰ উপদেশ দিলে।

(১) যেতিয়ালৈকে ভিক্ষুসকল সম্পূৰ্ণভাৱে একেলগ হৈ থাকে;

(২) যেতিয়ালৈকে তেওঁলোক একমত হৈ একভাৱে থিয় দি থাকে আৰু সম্পূৰ্ণ সহযোগিতাৰে সংঘৰ কৰ্তব্য পালন কৰি থাকে;

(৩) যেতিয়ালৈকে ভিক্ষুসকলে নিজে স্বকীয়াকৈ একো ৰীতি-নীতি প্ৰতিষ্ঠা নকৰে—যি ৰীতি-নীতিৰ বিধান দিয়া হোৱা নাই আৰু সুপ্ৰতিষ্ঠিত ৰীতি-নীতিৰ একো লৰচৰ নকৰে আৰু সংঘৰ নিয়ম মানি কাম কৰি থাকে;

(৪) যেতিয়ালৈকে ভাতৃসকলে বয়োজ্যেষ্ঠসকলক, পিতৃসকলক আৰু সংঘৰ গুৰিয়ালসকলক সন্মান আৰু শ্ৰদ্ধা-ভক্তি কৰি থাকে আৰু তেওঁবিলাকৰ আদেশ মানি চলাটো কৰ্তব্য বুলি ধৰে;

(৫) যেতিয়ালৈকে তেওঁবিলাকে কোনো প্ৰকাৰ লোভ-মোহৰ প্ৰভাৱত নপৰে;

(৬) যেতিয়ালৈকে তেওঁবিলাকে নিৰ্জনতাৰ মাজত আনন্দ উপলব্ধি কৰি থাকে;

(৭) যেতিয়ালৈকে তেওঁবিলাকে নিজৰ মন এইদৰে সু-পৰিচালিত কৰি থাকে, তেতিয়ালৈকে ভিক্ষুসকলৰ পতন নহয়, বৰং উন্নতিহে হৈ থাকিব।

বৌদ্ধ সংঘৰ জন্মৰ ইতিহাসেই পৃথিৱীৰ ভিতৰত প্ৰথম সাধু সন্ন্যাসীৰ সংঘবদ্ধতাৰ ইতিহাস বুলি কব পাৰি। বুদ্ধই যদিও

সংঘ স্থাপনৰ ভাবটো ওচৰ চুবুৰীয়া ৰাজ্যসমূহৰ ৰাজনৈতিক সংঘসমূহৰপৰাই পাইছিল, তথাপি তাত তেখেতৰ মহান চিন্তাৰ স্বকীয়া পৰিচয় আছে। এটা ৰাজনৈতিক খণ্ডক ধৰ্মনীতিৰ শক্তিশালী অনুষ্ঠান হিচাবে গঢ়ি তোলা জগতৰ কাৰণেই মঙ্গল-দায়ক হ'ল।

## বৌদ্ধ-সঙ্গীতি

ভগৱান বুদ্ধৰ পৰিনিৰ্বাণৰ অলপ পাচতে বৰ্ষাকালত মগধৰাজ অজাতশত্ৰুৰ সহায়ত ৫০০ অৰ্হৎ ভিক্ষু সমবেত হৈ প্ৰথম বৌদ্ধ-সঙ্গীতি বা বৌদ্ধ-সভা পাতে। অৰ্হৎ স্থবিৰ মহা-কাশ্যপে এই সঙ্গীতিৰ সভাপতিত্ব কৰিছিল। এই সভাতে পালি ভাষাত লিখা 'বিনয়-পিতক'ৰ অন্যতম গ্ৰন্থ 'মহাবৰ্গ' সংগ্ৰহ আৰু আবৃত্তি কৰা হয়। তাৰ প্ৰায় এশ বছৰৰ পাচত বৈশালীৰ বালুকাৰাম নামে ঠাইত ৭০০ অৰ্হৎ ভিক্ষু সমবেত হৈ দ্বিতীয় সঙ্গীতি পাতে। এইবাৰ যশ স্থবিৰে সভাপতিত্ব কৰিছিল। বুদ্ধৰ পৰিনিৰ্বাণৰ ২৩৬ বছৰ হওঁতে, জগত বৰেণ্য সম্ৰাট অশোকৰ ৰাজত্ব কালত, তেখেতৰ উদ্যোগত পাতলিপুত্ৰৰ ওচৰত অশোকাৰামত সমবেত হোৱা ৬০,০০০ ভিক্ষুৰ মাজৰপৰা নিৰ্বাচিত ১০০০ অৰ্হৎ ভিক্ষুক লৈ তিষ্য স্থবিৰৰ সভাপতিত্বত তৃতীয় সঙ্গীতিৰ অধিবেশন হয়। এই সভাত অৰ্হৎ-সকলে ত্ৰিপিটক শাস্ত্ৰত সোমোৱা অনাচাৰসমূহ বৰ্জন কৰি পৰিশুদ্ধ কৰে। ইয়াৰ পাচত অশোকৰ পুত্ৰ মহেন্দ্ৰ স্থবিৰে এই ত্ৰিপিটক শাস্ত্ৰৰ এখন পুথি সিংহল দ্বীপলৈ লৈ যায় আৰু তাত প্ৰচাৰ কৰেগৈ। ক্ৰমে এই শাস্ত্ৰ গৈ ব্ৰহ্মদেশ, শ্যামদেশ আদি সুদূৰ পূব পায়গৈ। এইদৰে গৌতম বুদ্ধৰ প্ৰৱৰ্তিত ধৰ্মচক্ৰ পৃথিৱীত ব্যাপ্ত হৈ



পৰে আৰু সংঘবিলাক গঠিত হয়। সেই বৌদ্ধ-সঙ্গীতিৰ আদৰ্শ লৈয়েই বৰ্তমান বিশ্ব-বৌদ্ধ-সংঘ স্থাপিত হৈছে।

সমস্ত মানৱ জাতিৰ এক তৃতীয়াংশ লোকে তেওঁবিলাকৰ নৈতিক আৰু আধ্যাত্মিক জীৱনৰ প্ৰেৰণা লাভ কৰিছে—এই বিশ্ববৰেণ্য শাক্য ৰাজবংশৰ কোঁৱৰ সিদ্ধাৰ্থৰপৰা। মানুহৰ চিন্তাৰাজ্যত বুদ্ধই যি অনন্ত প্ৰভাৱ বিস্তাৰ কৰি গ'ল তাক কালে কেতিয়াও মোহাৰি পেলাব নোৱাৰে। 'বুদ্ধ' বুলিলেই মনত ধাৰণা হয়, অতি উচ্চ স্তৰত থকা এটি স্বতঃসিদ্ধ মানৱ সত্তা—অতি পৱিত্ৰ, অতি নিৰ্মল আৰু পৰম কাৰুণিক। বুদ্ধৰ ধৰ্মনীতিত নৈৰাশ্য নাই, অসাধ্য নাই, অকুশল একো নাই।

সমস্ত জীৱ-জগতৰ প্ৰতি মৈত্ৰীভাৱ কৰি বিশ্বপ্ৰেমৰ আনন্দত উদ্বুদ্ধ হৈ কুশল পথগামীসকলে শেষত মহামঙ্গল লাভ কৰাৰ প্ৰত্যক্ষ নিদৰ্শন দিওঁতা এই জগতবৰেণ্য তথাগত বুদ্ধৰ বিষয়ে দুটা কথা মোৰ ভাই-ভনীহঁতে মাতৃভাষাৰে জানক বুলিয়েই এইখিনি সংগ্ৰহ কৰি দিয়া হ'ল।

## নিৰ্বাণ

এই গ্ৰন্থৰ ভিতৰতে সৰল ভাষাৰে সম্যকসম্বুদ্ধ গৌতম বুদ্ধৰ 'নিৰ্বাণ' সম্পৰ্কে কোৱা আছে। তথাপি আন আন গ্ৰন্থৰপৰাও কিছু সংগ্ৰহ কৰি তলত দিয়া হ'ল।

বুদ্ধৰ মতে দুখেই মূল সত্য। জৰা-ব্যাধিগ্ৰস্ত এজন বুঢ়া মানুহ দেখিয়েই ৰাজপুত্ৰ সিদ্ধাৰ্থৰ প্ৰাণত প্ৰথমে এই দুখ সত্যৰ ধাৰণা সোমায়। জীৱবিলাকক কেনেকৈ দুখৰপৰা ত্ৰাণ কৰিব পাৰি, তাৰ উপায় চিন্তা কৰোঁতে কৰোঁতে তেখেতে নিজেই যথাসৰ্বস্ব ত্যাগ কৰি বনবাসী হৈ সাধনাত মগ্ন হয়। সাধনাৰ মাজত দেখা

পালে যে, কামনা আৰু কামনাৰপৰা ওপজা তৃষ্ণাই সকলো দুখৰ কাৰণ। এটা কাৰ্য্যৰ এটা কাৰণ আছেই। যি বস্তুৰেই উৎপত্তি আছে, তাৰেই বিনাশো আছে। গতিকে এই দুখ উৎপত্তিৰ মূল কাৰণবোৰ উচ্ছেদ কৰিব পাৰিলেই শান্তি আহিব। সেই বাবেই তৃষ্ণা নিবাৰণ কৰিব লাগে। নিবাৰণৰ উপায় কি? অভ্যাসৰ দ্বাৰা কামনা-বাসনাৰ নিৰোধ কৰা। মনৰ কামনাবোৰ যাতে একো আহাৰ নাপাই আপোনা-আপুনি মৰি যায়, তেনেভাৱে জীৱন পৰিচালিত কৰাই ইয়াৰ উপায়। এটা চাকি যেতিয়া নুমাই যায়, তেতিয়া সেই চাকিটোৰ পোহৰ পৃথিৱীত থাকিল নে আকাশলৈকে গ'ল বা কোন পিনে গ'ল তাৰ একো চিন নাথাকে। তেল নাইকিয়া হোৱা হেতুকে চাকিটোৱে জ্বলি থকাৰপৰা শান্তি পালে। ঠিক এইদৰেই, যেতিয়া কুশলপথগামী এজন মানুহৰ জীৱন-বন্তি নুমাই যায়, তেওঁ পৃথিৱী কিম্বা আকাশ বা কোনো দেশে-বিদেশে গমন নকৰে। দুখ-ক্লেশৰাশিৰ হেতু ক্ষয় হোৱা বাবে তেওঁ শান্তি প্ৰাপ্ত হয়। গতিকে এনেকুৱা বৈৰাগ্যৰপৰা কেৱল শান্তিহে লাভ হয়। মুক্তি বা নিৰ্বাণ লাভৰ পথটোৱেই নিবৃত্তিৰ পথ। চিত্তত কোনো বৃত্তি নাথাকে। আমাৰ বৈষ্ণৱ দৰ্শনে পৰমাত্মা স্বৰূপ ঈশ্বৰক নিজ হৃদয়ত বহি আছে বুলি বিশ্বাস কৰে। সেই কাৰণে কয়—

"তুমি চিত্ত-বৃত্তি মোৰ প্ৰৱৰ্তক নাৰায়ণ
তুমি নাথ মই নাথৱন্ত...."

কিন্তু বুদ্ধই এইদৰে কোৱা নাই। বুদ্ধৰ মতে আধ্যাত্মিক ক্ষেত্ৰতো ব্যক্তিগত সত্তা সকলো প্ৰকাৰে স্বাধীন। চিত্তত থকা বৃত্তি বিকাশৰ গৰাকী ব্যক্তিজনহে। কুশল পথ চিনি পালে, আৰু সেই পথে



যোৱা নিয়মবিলাক আয়ত্ত্ব কৰিব পাৰিলেই প্ৰত্যেক ব্যক্তিয়ে নিজে নিজেই সম্যক স্বাধীনতা লাভ কৰিব পাৰে। যদি লোভাগ্নি, দ্বেষাগ্নি আৰু মোহাগ্নি নুমাই যায় আৰু বিশুদ্ধ কামবিলাক কৰি মানুহে সৰল-সহজভাৱে জীৱন যাপন কৰিব পাৰে, তেন্তে এই তিনিবিধ তাপৰপৰা তেওঁ জীৱিত অৱস্থাতেই শান্তি পাব পাৰে। এই শান্তিত জীয়াই থাকিবৰ একমাত্ৰ পথ শীল অনুসৰণ কৰা। হৃদয় নিৰ্মল আৰু পৱিত্ৰ কৰি থব পাৰিলেই আনন্দময় জ্যোতি সদায় পৰি থাকিব। বুদ্ধই শিষ্যক উপদেশ দিওঁতে কৈছিল—তোমালোকৰ হিয়াৰ দুৱাৰত সেই জ্যোতি পৰিছে। অন্ধকাৰ হিয়া-পজাৰ দুৱাৰ মেলি দিয়া। জ্ঞানৰ আলোকত তোমালোকৰ হিয়া উজ্জ্বল হৈ উঠক। সেই দিব্য-জ্যোতি পৰিহাৰ কৰি "মই" ভাবৰ অন্ধকাৰ গুহাত লুকাই কিয় কোটি কোটি জন্মৰ কাৰণে অকল্যাণ সৃষ্টি কৰিছা?

ঐক্যৰপৰা শক্তি ওপজে আৰু খণ্ডতাৰপৰা শক্তি ক্ষীণ হয়। মানৱ অন্তৰত শ্ৰদ্ধা, স্মৃতি, ধৈৰ্য্য, সমাধি আৰু প্ৰজ্ঞা এই পাঁচোটা গুণৰ সমন্বয় হ'লে পৰস্পৰৰ সহযোগিতাত মনৰ বল বাঢ়ে। পৰ্বতৰ উচ্চতম শিখৰত উঠিব খুজিলে সাধাৰণ কৰ্তব্যৰ খাপবোৰ এটা এটাকৈ পাৰ হৈ যাব লাগিব। সেইদৰেই মানৱ-জন্মৰ চৰম সাৰ্থকতা নিৰ্মাণ লাভ কৰিবলৈ হ'লে—শ্ৰদ্ধা, স্মৃতি, ধৈৰ্য্য, সমাধি (মৌন ধ্যান অৰ্থাৎ গভীৰ চিন্তা) আৰু প্ৰজ্ঞা বা পৰম জ্ঞান লাগিব। প্ৰজ্ঞাবান লোকেই সংসাৰৰ দুখ জয় কৰি নিৰ্বাণ লাভ কৰিব পাৰে। যাৰ মূলে সৈতে বাসনাৰ বীজ আৰু লোভ মোহাদি হেতু ক্ষয় হৈ গৈছে, তেওঁ আৰু নতুনকৈ জন্ম-মৃত্যুৰ আৱৰ্তনৰ চকাত পাক-ঘূৰণি নাখায়। তেওঁৰ কাৰণেই অহা-যোৱাৰ, জন্ম-মৃত্যুৰ চিৰ অৱসান ঘটে। মহাশান্তি লাভ হয়। এয়েই নিৰ্বাণ।

'এচিয়াৰ জ্যোতি'ত চাৰ এডউইন আৰ্ণল্ডে নিজে কৈছে যে

গৌতম বুদ্ধৰ জীৱন-চৰিত বৰ্ণনা কৰা 'এচিয়াৰ জ্যোতি'ত কল্পনাৰ ৰহণ সনা আছে, গতিকে অনেক দাৰ্শনিক মতবাদ আৰু বুদ্ধৰ মহিমা অস্পষ্ট হৈ থাকিব পাৰে। তেখেতে পাতনিৰ শেষত সঁচাকৈয়ে কৈছে যে তেখেতে ভাৰতবৰ্ষ আৰু ভাৰতবৰ্ষৰ মানুহবিলাকক বৰ ভাল পাইছিল। তেখেতৰ ইংৰাজী কাব্যখনৰ ওচৰত আমিও অশেষ ঋণী। কাৰণ, বৌদ্ধ-সাহিত্য লিখিত হোৱা পালি ভাষা নজনাকৈও 'লাইট অৱ এচিয়া'ৰপৰা ভালেমান কথা জানিবলৈ পালোঁ। ইয়াৰ উপৰিও ইয়াৰ পাতনি লিখোঁতে প্ৰজ্ঞানন্দ স্থবিৰ সঙ্কলিত 'বিনয় পিতক'ৰ 'মহাবৰ্গ' (বঙ্গানুবাদ), শ্ৰীধৰ্মৰাজ বৰুৱা সঙ্কলিত 'বৌদ্ধ মহাপৰিনিৰ্বাণ' আৰু স্বৰ্গীয় ডক্টৰ কে, পি, জয়স্বল এম, এ, পি, এইচ, ডি প্ৰণীত 'হিন্দু পলিটি' (হিন্দু ৰাষ্ট্ৰনীতি) গ্ৰন্থৰ সহায় লোৱা হৈছে।

বহুজনৰ সুখৰ অৰ্থে, বহুজনৰ হিতৰ অৰ্থে যিজনে পথ প্ৰদৰ্শন কৰি এক তৃতীয়াংশ মানৱ জাতিক সমৃদ্ধ কৰি আছে, সেই পৰম দয়ালু সৰ্বজীৱৰ বন্ধু, চিৰঞ্জীৱী মহামানৱ তথাগত বুদ্ধৰ চৰণত কোটি কোটি প্ৰণাম জনাই সকলোৰে ওচৰত বিনয় সহকাৰে ক্ষমা ভিক্ষা খুজিলোঁ। নতুন ভাৰবৰ্ষত অশোক চক্ৰ গ্ৰহণ কৰিছে; এচিয়াৰ নৱ-জাগৰণ হৈছে—এনে দিনত 'এচিয়াৰ জ্যোতি'য়ে পঢ়ুৱৈ সমাজক তৃপ্তি দিব পাৰিলেই আমি কৃতাৰ্থ মানিম। ইতি—

'বকুলবন'
ছোলাধৰা, যোৰহাট
৩১।১।৫৬

**শ্ৰীআনন্দচন্দ্ৰ বৰুৱা**

# এচিয়াৰ জ্যোতি

(তথাগত বুদ্ধৰ মহান ত্যাগৰ অমৰ কাহিনী)

## প্ৰথম অধ্যায়

যিজন যুৱৰাজ সিদ্ধাৰ্থ, গৌতম, শাক্যসিংহ আদি নামেৰে পৰিচিত হৈছিল—যিজন পৃথিৱী, স্বৰ্গ আৰু নৰকত অনুপম; যিজন সৰ্ব-সন্মানিত আটাইতকৈ জ্ঞানী, অতি সুন্দৰ, অতি দয়ালু; নিৰ্বাণ আৰু নীতি-ধৰ্মৰ শিক্ষাদাতা; জগতৰ ত্ৰাণকৰ্তা; সেই প্ৰভু বুদ্ধৰ জীৱন-চৰিত।

*

মানুহৰ কাৰণে তেওঁ এইদৰেই আকৌ পৃথিৱীত জন্ম ললেহি। সৌ আকাশৰ আটাইতকৈ উচ্চ-স্তৰত চাৰিজন প্ৰতিভূ অৰ্থাৎ শাসন-কৰ্তাৰ প্ৰতিনিধি আছে। তেওঁবিলাকেই আমাৰ এই পৃথিৱীখন শাসন কৰে। তেওঁবিলাকৰ তলত কেইবাটাও মণ্ডল আছে। যিটো মণ্ডল পৃথিৱীৰ ওচৰ, কিন্তু বহুত ওখত; তাতে সাধু আত্মাবিলাক ত্ৰিশ হাজাৰ বছৰ বৈ থাকে, তাৰ পাচত পুনৰ জন্ম লয়। সেই আকাশত বৈ থকা প্ৰভু বুদ্ধৰ নিমিত্তে পুনৰ জন্মৰ পাঁচোটা চিন ওলাল। দেৱতাসকলে এই পুনৰ জন্মৰ চিন কেইটাৰ অৰ্থ

বুজি পাই ক'লে—"পৃথিৱীক সহায় কৰিবলৈ বুদ্ধ আকৌ যাব।" তেতিয়া বুদ্ধই ক'লে—"আ, এতিয়া মই পৃথিৱীক সহায় কৰিবলৈ যাম! মোৰ জন্ম-মৃত্যু ভ্ৰমণৰ এয়ে শেষ যাত্ৰা হ'ব। মই হিমালয়ৰ দক্ষিণফালে থকা শাক্যসকলৰ মাজলৈ নামি যাম,—তাত ধাৰ্মিক মানুহবিলাক আছে আৰু তাৰ ৰজাজন বৰ ন্যায়বান।"

সেই দিনা কপিলাবাস্তুৰ ৰজা শুদ্ধোদনৰ মহিষী মায়াদেৱী স্বামীৰ কাষত শুই আছে। তেওঁ এটা আচৰিত স্বপ্ন দেখিলে—গুলপীয়া মুক্তাৰ দৰে ছটা ৰশ্মি থকা উজ্জ্বল তৰা। কাম-ধেনুৰ গাখীৰৰ নিচিনা বগা এটা ছদঁতীয়া হাতীৰ দৰে সেই তৰাটো মহাশূন্যৰ মাজেদি বেগেৰে নামি আহিছে আৰু মায়াৰ চকুৰ আগত অতি উজ্জ্বল হৈ তেওঁৰ গৰ্ভত প্ৰৱেশ কৰিছে।

ৰাণীয়ে সাৰ পালে। এটা অলৌকিক আশীৰ্বাদত ৰাণীৰ বুকুখন উপচি পৰিল। পুৱাৰ সময়ত আকাশখন অবৰ্ণনীয় মনোৰম পোহৰত জিলিকি উঠিল। সেই স্বৰ্গীয় আনন্দৰ প্ৰৱাহ পৰ্বত ভৈয়াম, নগৰ-সাগৰ সকলোতে বৈ গ'ল। প্ৰকৃতিৰ গছ-পাতে যেন কাণে কাণে কবলৈ ধৰিলে—"শুনা, শুনা, মৃতসকলে জীৱ পাব। মৰণশীল জীৱনবিলাক। উঠা, শুনা, আশাত হেন্দুলি উঠা। বুদ্ধ আহিছে।" এছাটি নতুন বতাহ চাৰিওপিনে বৈ গ'ল। যেতিয়া এই স্বপ্নৰ কথা ৰাষ্ট্ৰ হৈ গ'ল তেতিয়া স্বপ্নতত্ত্ব জনা পণ্ডিতজনে কলে—"স্বপ্নটো ভাল। ৰাণীয়ে আচৰিত জ্ঞান থকা এটি পৱিত্ৰ পুত্ৰ লাভ কৰিব। তেওঁৰ দ্বাৰাই সকলো প্ৰাণীৰ কল্যাণ হ'ব আৰু তেওঁ অজ্ঞানতাৰপৰা মানুহক উদ্ধাৰ কৰিব। যদি তেওঁ ৰজা হ'ব খোজে তেন্তে সসাগৰা পৃথিৱীৰ অধীশ্বৰ হ'ব।"

এইদৰে পৱিত্ৰ বুদ্ধৰ জন্ম হ'ল।

সেইদিনা ৰহাগৰ পূৰ্ণিমা তিথি। ৰাজকাৰেঙৰ চোতালত থকা এজোপা পলাশ গছৰ তলত ৰাণী মায়া দেৱী ভৰ-দুপৰীয়া থিয় হৈছেগৈ। চাৰিওপিনে থকা ফুলবোৰ ফুলি সেই দিনা জকমকাই আছে। সেই ঠাইতে একো যন্ত্ৰণা নোহোৱাকৈ ৰাণীৰ প্ৰসৱ হ'ল। নৱজাত সন্তানটিৰ ৩২টা পৱিত্ৰ চিন দেখা হ'ল। এই মহান বাতৰি ৰাজকাৰেঙত মুহূৰ্ততে বিয়পি পৰিল। সন্তানটি ভিতৰলৈ নিবৰ কাৰণে সুবৰ্ণ খচিত বিচিত্ৰ পালেং অনা হ'ল। সেই পালেংখনৰ চাৰিপিনে ধৰি অহা চাৰিজন যেন সেই আকাশৰ চাৰি কোণে থকা ঈশ্বৰৰ প্ৰতিভূ চাৰিজনাহে! তেওঁলোকে যেন সুমেৰু পৰ্বতৰপৰাহে নামি আহিছে—এনে ধাৰণা হ'ল। পূব-ফালৰ জনৰ গাত ৰূপালী সাজ, মুক্তা-মালাৰে সুশোভিত; দক্ষিণৰ জনৰ হাতত পোৱাল-বাখৰৰ ঢাল আৰু উত্তৰৰ জনৰ গাত তেনেই সোণৰ পোচাক। এওঁবিলাকে মহাসমাৰোহেৰে নৱজাতকক পালেঙত তুলি ভিতৰলৈ নিলে।

ৰজা শুদ্ধোদনে কিন্তু এইবোৰ বাঞ্ছা কৰা নাছিল। তেওঁৰ মতেৰে ল'ৰাটি পাৰ্থিৱ ক্ষমতাসম্পন্ন এজন চক্ৰৱৰ্তী ৰজা হ'ব লাগে। তেওঁক দিবলৈ ৰজাৰ সাতোটা উপঢৌকন আছে। চক্ৰৰত্ন, মণি, অশ্বৰত্ন, হস্তিৰত্ন, এজন কুশলী মন্ত্ৰী, এজন অপৰাজেয় সেনাপতি আৰু স্ত্ৰী-ৰত্ন। ৰজাই আজ্ঞা দিলে যে, নগৰত উৎসৱ হ'ব লাগে। নৃত্য, গীত, বাদ্য, বিবিধ প্ৰকাৰৰ খেল-তামাচা, হাঁহি-আনন্দেৰে কপিলাবাস্তু নগৰ উলাহি উঠিল। দূৰ-দূৰণিৰ-পৰা ডাঙৰ ডাঙৰ সাউদবিলাকে অনেক বহুমূলীয়া উপহাৰেৰে ৰাজ-ভঁৰাল ওপচাই দিলেহি। সকলো প্ৰজাই নৱজাত ৰাজকোঁৱৰক সৰ্বাৰ্থসিদ্ধ অৰ্থাৎ সকলো প্ৰকাৰে নদন-বদন নাম দিলে। চমুকৈ সেয়ে মানুহৰ মুখত হ'লগৈ সিদ্ধাৰ্থ। গৌতম, শাক্যসিংহ আদি নামেৰেও তেওঁৰ পৰিচয় পোৱা যায়।

ৰজাক পুত্ৰ জন্মৰ শুভেচ্ছা জনাবলৈ অহা সকলৰ ভিতৰত

এজন আছিল পকাচুলীয়া মুনি, অসিত। তেওঁৰ কাণ দুখন দীঘল। পৃথিৱীৰ সকলো কথা-বাৰ্তা আৰু স্বৰ্গীয় শব্দবিলাক তাৰে তেওঁ শুনিবলৈ পায়। তেওঁ গছৰ তলত বহি প্ৰাৰ্থনা কৰি থাকোঁতে বুদ্ধৰ জন্ম হোৱা বাবে দেৱতাসকলে গীত গোৱা শুনিবলৈ পাইছিল। উপবাস কৰি আৰু বয়সত বুঢ়া হ'লেও অসিত মুনিৰ কান্তি মনোৰম হৈয়েই আছিল। তেওঁক ওচৰলৈ মাতি অনাই ৰজাই নমস্কাৰ কৰিলে আৰু ৰাণী মায়াই মুনিক দেখি তেওঁৰ পৱিত্ৰ চৰণত নৱজাত শিশুটি লগাব খুজিলে। আচৰিত হৈ মুনিয়ে কাতৰভাৱে কবলৈ ধৰিলে—"কি কৰে, কি কৰে ৰাণী, এই দৰে নহয়!" এই বুলি কৈ সেইফালে মুনিয়ে আঁঠু লৈ প্ৰণাম কৰিলে। কলে—"হে শিশু! মই প্ৰাৰ্থনা জনাইছোঁ। তুমিয়েই তেওঁ। তোমাৰ গাত গুলপীয়া পোহৰ, ভৰিৰ তলুৱাত কোমল বেঁকা স্বস্তিকাৰ চিন আৰু অনেক শুভ লক্ষণ দেখিছোঁ। তুমি বুদ্ধ। মই যদিও শুনিবলৈ নাপাওঁ, যিহেতু মই বুঢ়া হৈ আহিছোঁ—আৰু তুমি শিক্ষা দিয়াৰ আগতে মৰিম, তথাপিও আজি তোমাক দেখা পালোঁ। তুমি অমৰ নীতি-জ্ঞানৰ শিক্ষা দি জগতক ত্ৰাণ কৰিবলৈহে আহিছা। মহাৰাজ, আপুনি নিশ্চয় জানিব যে আপোনাৰ মানৱ-জন্ম ৰূপ—গছত এই এপাহি কুসুম,—যি পাহ হাজাৰ হাজাৰ বছৰৰ পাচত একোবাৰ ফুলে। এই কুসুম যেতিয়া প্ৰস্ফুটিত হ'ব, ইয়াৰ জ্ঞান-স্বৰূপ সুগন্ধই জগত আমোদিত কৰিব আৰু প্ৰেমে মৌ বৰষিব। আপোনাৰ ৰাজকীয় শিপাৰপৰা এই এপাহি স্বৰ্গীয় পদুম ফুল ফুলি উঠিছে। আ! আপোনাৰ বংশ কিমান ধন্য! আৰু হে ৰাণী! এই পৱিত্ৰ সন্তান জন্ম দিয়াৰ বাবে আপুনি দেৱতা আৰু মানুহ সকলোৰে কাৰণে আদৰৰ। এই বাবে আপুনি আৰু একো কষ্ট, একো যন্ত্ৰণা নোপোৱাকৈ সন্তানটি জন্ম দিলে যদিও সাত দিনৰ দিনা আপোনাৰ সেই যন্ত্ৰণা আহিব।"



ঠিক মুনিয়ে কৈ যোৱাৰ দৰেই ঘটনা ঘটিল। সপ্তম দিনৰ দিনা ৰাণীয়ে হাঁহি হাঁহি শুবলৈ গল—আৰু সাৰ নাপালে। সন্তোষ মনেৰে ৰাণী স্বৰ্গগামিনী হল। অসংখ্য দেৱতাই স্বৰ্গত ৰাণীক উপাসনা কৰিবলৈ ধৰিলে। অনেক দাস-দাসীয়ে ৰাণীক মহান মাতৃত্বৰ আলপৈচান ধৰিবলৈ লাগিল। ইফালে কেঁচুৱাতে মাউৰা হোৱা ল'ৰাটিৰ কাৰণে ৰাজকুঁৱৰী মহাপ্ৰজাপতি আগ বাঢ়ি আহিল এগৰাকী ধাইৰ দৰে। তেওঁৰ বুকুত থকা অমৃত ৰসেৰে শিশুটিক আনন্দ দিবলৈ ধৰিলে। যাৰ দুটি ওঁঠৰ অমৰ বাণীয়ে জগতক শান্তি দান কৰিলে, সেই ওঁঠত শিশু অৱস্থাত বুকুৰ অমৃত দিবলৈ পাই ৰাজকুঁৱৰীয়ে নিজকে ধন্য মানিলে।

যেতিয়া সিদ্ধাৰ্থৰ আঠ বছৰ পূৰ হৈ গল, তেতিয়া তেওঁক ৰাজকোঁৱৰে পাবলগীয়া বিদ্যা-শিক্ষা দিবলৈ ধৰিলে। মন্ত্ৰী-সকলেৰে সৈতে আলোচনা কৰি সেই শিক্ষা দিয়াৰ ব্যৱস্থা কৰিলে। সকলোৱে একেমত হল যে বিশ্বামিত্ৰই আটাইতকৈ জ্ঞানী, সকলো শাস্ত্ৰত পাৰ্গত আৰু তেওঁ অনেক শিল্প-বিদ্যাও জানে। গতিকে তেওঁকেই শিক্ষা-গুৰুৰূপে আনিবলৈ সিদ্ধান্ত কৰিলে। ৰাজ-আজ্ঞা পালন কৰি বিশ্বামিত্ৰই শিক্ষকতাৰ ভাৰ গ্ৰহণ কৰিলে। এইদৰে শিক্ষা দি থাকোঁতে এদিন বিশ্বামিত্ৰই তেওঁক ফলিত গায়ত্ৰী মন্ত্ৰটো লিখিবলৈ কলে আৰু সিদ্ধাৰ্থৰ কাণে কাণে মন্ত্ৰটো মাতিবলৈ ধৰিলে। ফলি-গুটি লৈ সিদ্ধাৰ্থই ঋষিৰফালে মূৰ দোঁৱাই লিখিবলৈ আৰম্ভ কৰিলে। অতি অলপ সময়ৰ ভিতৰতে কেবাবিধো আখৰেৰে সেই পৱিত্ৰ মন্ত্ৰটো লিখি দেখুৱালে। ইয়াৰ পাচত তেওঁক গণনা শিকাবলৈ ধৰিলে। অতি আচৰিত ধৰণেৰে সিদ্ধাৰ্থই গুৰুৰ ইঙ্গিত পোৱা মাত্ৰকে সকলো বিদ্যা আয়ত্ব কৰিবলৈ ধৰিলে। শিক্ষা-গুৰুলৈ তেওঁৰ অসীম শ্ৰদ্ধা আছিল। খেল-ধেমালিতো সিদ্ধাৰ্থ আগৰণুৱা আছিল। ধেমালি কৰি থাকোঁতে লগৰীয়াবিলাকে

হাবিম বুলি ভাবি মন বেয়া কৰা দেখিলে বা খেলি থাকোঁতে পোহনীয়া হৰিণবিলাক আহিলে সিদ্ধাৰ্থই খেল এৰি খন্তেক পৰ বৈ থাকে। শোক-বেজাৰ বা দুখৰ একো গম নোপোৱাকৈ ল'ৰা-কাল ৰং-ধেমালিৰ মাজেদিয়েই অতিবাহিত কৰিছিল যদিও সিদ্ধাৰ্থৰ মনটো কেতিয়াবা কিবা চিন্তাত গধূৰ হৈ পৰে। এদিন বসন্ত কালত ৰাজ-উদ্যানত খেলি থাকোঁতে ওপৰেদি এজাক বনৰীয়া ৰাজহাঁহ উত্তৰ ফালে থকা হিমালয়ৰ পিনে উৰি গৈছিল। কঁক-কঁক্কৈ মৰম লগা সুৰত শুধ বগা হাঁহজাক এধাৰ বগা মালাৰ দৰে লা-নি লাগি গৈ আছিল। যুৱৰাজৰ সম্পৰ্কীয় দেৱদত্তই তাকে দেখি সেইফালে চাই ধনুখন টোঁৱালে আৰু কাঁড়পাট এৰি দিলে। আটাইতকৈ আগত যোৱা ৰাজহাঁহটোৰ বুকুত সেই নিষ্ঠুৰ কাঁড়পাট সোমালগৈ আৰু হাঁহটো আহি তেজেৰে ৰাঙলী হৈ মাটিত পৰিলহি। সেই দৃশ্য দেখি সিদ্ধাৰ্থ লৰি গৈ বৰ মৰমেৰে হাঁহটো মাটিৰপৰা তুলি নিজৰ বুকুত সুমাই ললে। যোগ কৰিবলৈ বহাদি লেপেটা কাঢ়ি বহি বুকুৰপৰা সেই নিষ্ঠুৰ কাঁড়পাট উলিয়াই হাঁহটোৰ বুকুত এখন হাত দি মৰমেৰে হাত ফুৰাবলৈ ধৰিলে। তেজ ৰবলৈ অনেক দৰব দিলে। হাঁহটোৰ এনে অৱস্থা দেখি সিদ্ধাৰ্থৰ চকু চলচলীয়া হৈ পৰিল।

এনেতে কোনোবাই কলে—"আমাৰ যুৱৰাজে কাঁড়েৰে ৰাজহাঁহ এটা মাৰিলে।" সিদ্ধাৰ্থই কলে—"নহয় নহয়, মই মৰা নাই, দেৱদত্তইহে। কিন্তু হাঁহটো মৰা নাই, জীয়াই আছে।" দেৱদত্তই তেতিয়া কলে—"জীয়াই থক বা মৰক হাঁহটো ওপৰৰপৰা কাঁড় মাৰি মইহে মাটিত পেলালোঁ। হাঁহটো মোৰহে। মোক দিয়া।" এই কথা শুনি সিদ্ধাৰ্থই তেওঁৰ সুকোমল গালত ৰাজহাঁহটোৰ ডিঙিটো লগাই বৰ মৰমেৰে মাত দিলে—"হাঁহটো মোৰ। মৰম আৰু দয়াৰে এই হাঁহটো মই মোৰ কৰি লৈছোঁ। মোৰ অন্তৰত কি ভাবৰ উদয় হৈছে, সেইটো মই এতিয়া ভালকৈ বুজিব পাৰিছোঁ।



মই মানুহক অহিংসা শিকাম। এনেকুৱা বেজাৰ লগা কামবোৰ নিন্দা কৰিম। এই কথাতে তেওঁবিলাকৰ মাজত অনেক বাক-বিতণ্ডা হ'ল। এনেতে এজন অচিনাকি পুৰোহিত আহি সেই ঠাইত উপস্থিত হ'লহি। তেখেতে কলে—"যিজনে এই প্ৰাণীটো বধ কৰিব খুজিছিল তেওঁতকৈ ইয়াৰ প্ৰাণ-ৰক্ষা কৰোঁতাজনৰহে নিশ্চয় অধিকাৰ বেচি। বধ কৰোঁতাই ধ্বংস কৰে কিন্তু ৰক্ষা কৰোঁতাই সৃষ্টি সাধন কৰে। চৰাইটো এই কাৰণে এওঁহে পাব।" সকলোৱে এই বিচাৰ উচিৎ বুলি বিবেচনা কৰিলে। যেতিয়া হাঁহটো ভাল হ'ল, সিদ্ধাৰ্থই উৰাই দিলে আৰু সি গৈ লগৰীয়া হাঁহবোৰৰ লগত মিলি গ'ল। এই দৰেই প্ৰভু বুদ্ধই তেওঁৰ দয়াৰ কাম আৰম্ভ কৰিছিল।

আকৌ এদিন ৰজাই কলে, "মৰমৰ পুত্ৰ, আহা, বসন্ত কালৰ মনোৰম শোভা চোৱাঁহি। শস্যপূৰ্ণা বসুন্ধৰাই কেনেকৈ খেতিয়ক-বিলাকক হেঁপাহ পলুৱাই শস্য দিছে চোৱাঁহি। আৰু মোৰ এই ৰাজ্য মোক চিতাত তোলাৰ পাচত কেনেকৈ তোমাৰেই হ'ব—চোৱাঁহি আহা।" ৰজাই মৰমৰ পুতেকক লৈ গৈ এখন শস্য-ক্ষেত্ৰ পালেগৈ। নানা বিধ ফলৰ বাগিছা, কুঁৱা আৰু এখন পথাৰ। তাত হালোৱাই হাল বাইছে। যুঁৱলিৰ কেৰেক্ কেৰেক্ শব্দ উঠিছে। মৈৰ আগত ডাঙৰ ডাঙৰ মাটিৰ চপৰাবোৰ ভাগি গুড়ি হৈছে। নাঙলৰ ফালৰ মুখত মাটিৰ বুকুত ঢৌ উঠাদি সীৰলুবোৰ উঠিছে, কুঁৱাবোৰৰ-পৰা পানী তুলি লোৰবোৰেদি পানী বোৱাই দিছে আৰু পানীৰ পৰশ পাই শুকান পথাৰখন আনন্দত হেন্দুলি উঠিছে। আম গছবোৰত চৰাইবোৰ জাকে জাকে পৰিছেহি। ঠায়ে ঠায়ে পিঠিত সাঁচ থকা কেৰ্কেটুৱাবোৰ লৰি লৰি গৈছে। ঠায়ে ঠায়ে ম'হবোৰ চৰি আছে আৰু ওপৰত ঘূৰি চিলনীবোৰ উৰিছে। ম'ৰা চৰাই-বোৰে ইডাল গছৰপৰা সিডাললৈ উৰা মাৰিছে আৰু নীল বৰণীয়া কপৌবোৰে উৰুলি দিছে। দূৰত থকা গাঁৱৰপৰা বিয়া উৎসৱৰ

ঢোলৰ মাত আহি কাণত পৰিছে। চাৰিওপিনে শান্তি আৰু পৰিপূৰ্ণ সুখৰ উলহ-মালহ দেখি যুৱৰাজৰ মনত অপাৰ আনন্দ হ'ল। কিন্তু দকৈ ভাবি চাই তেওঁ দেখিলে যে মানৱ-জীৱনৰ এই আনন্দ উছৱৰ আঁৰত অনেক কাঁইট আছে। পৰিশ্ৰমী খেতিয়কবিলাকে কপালৰ ঘাম মাটিত পেলাই কিমান কষ্টেৰে জীৱন-নিৰ্বাহ কৰিছে। তয়া-ময়া চোকা ৰ'দত বলদ গৰুবোৰে কিমান দুখেৰে হাল টানিছে। তাৰ উপৰি তেওঁৰ চকুত পৰিল—জেঠীবোৰে পৰুৱাবোৰ টেলেপ্‌টেলেপ্‌কৈ গিলি খাইছে। সাপে জেঠী-বেং আদি ধৰি খাইছে। চিলাই থাপমাৰি সাপ বেং আদি যিহকে পায় তাকে নি খাইছে। চৰাইবোৰে-ধুনীয়া ধুনীয়া পখিলাবোৰ ধৰি খাইছে। এইদৰে গোটেইখনতে ইটোৱে সিটোক ধৰি খাইছে। এটাৰ মৃত্যুত আন এটাৰ জীৱন-ধাৰণ হৈছে। এইবোৰ দৃশ্যই সিদ্ধাৰ্থৰ মনত ইটোৱে সিটোক হত্যা কৰা সম্পৰ্কে এটা বিৰাট আৰু ভয়াবহ ষড়যন্ত্ৰৰ ৰূপহে ধৰা দিলে। তেতিয়া সিদ্ধাৰ্থই কলে—"মোক দেখুৱাবলৈ অনা সুখৰ ঠাই এইখনেই নে? খেতিয়কে খোৱা পেটৰ আহাৰ মুঠি তেওঁৰ কপালৰ ঘামেৰে লুণীয়া আৰু হাল টনা গৰুবোৰৰ কিমান কষ্ট! গোটেইখন দুৰ্বল আৰু বলীৰ মাজত যেন এখন তুমুল সংগ্ৰাম!" এইদৰে কৈ প্ৰভু বুদ্ধ এজোপা জামু গছৰ তলত যোগাসনত বহাদি বহিল—যেন পৱিত্ৰ এটি মূৰ্তিহে! এইদৰে বহি তেওঁ মনৰ এই ৰোগৰ বিষয়ে গভীৰ চিন্তাত মগ্ন হ'ল আৰু ইয়াৰ প্ৰতিকাৰৰ উপায় চিন্তা কৰিলে। এটা বিশাল দয়াৰ ভাব আৰু প্ৰাণীজগতলৈ অসীম স্নেহৰ আকৰ্ষণে তেওঁৰ মন আগুৰি ধৰিলে। তেওঁৰ মনৰ-পৰা বন্ধা-ভাব তেনেই নাইকিয়া হ'ল আৰু সন্ন্যাস ভাবে মন উদাস কৰি তুলিলে। তেওঁ ধ্যানত নিমগ্ন হ'ল।

জীৱন-মুক্তিৰ উপায় বিচৰা প্ৰভু বুদ্ধৰ সাধনাৰ এয়ে প্ৰথম আৰম্ভ—ধ্যান।

## দ্বিতীয় অধ্যায়

এতিয়া সিদ্ধাৰ্থৰ বয়স ওঠৰ বছৰ হ'ল। ৰজাৰ আজ্ঞামতে তিনিটা কাৰেং সজোৱা হ'ল। এটা জাৰকালি গৰম হৈ থকাকৈ কাঠেৰে, এটা জহকালি চেঁচা হৈ থকাকৈ শিলেৰে আৰু এটা ইটাৰে বসন্ত কালৰ উপযোগীকৈ। এই তিনিটা কাৰেঙৰ নাম দিলে শুভা, সুৰমা আৰু ৰম্যা। প্ৰত্যেকটো কাৰেঙৰ চাৰিওপিনে মনোৰম ফুলৰ উদ্যান জকমকাই উঠিল। ঘন সেউজীয়া দূবৰিবনৰ দলিছা, ৰাজ-উদ্যানৰ মাজে মাজে কুণ্ড, পানীৰ উঁহ-উজ্জ্বল স্তম্ভ আদিৰ শোভা চমক লগা হৈ পৰিছিল। আপোন মনেৰে এই উদ্যানৰ মাজত সিদ্ধাৰ্থ বিচৰণ কৰি ফুৰিছিল। প্ৰহৰে প্ৰহৰে উদ্যানৰ ভিতৰত নতুন নতুন আমোদৰ আয়োজন কৰা হৈছিল। যৌৱনৰ এই বসন্ত কালৰ আনন্দময় পৰিবেশৰ মাজত যুৱৰাজৰ মনো বুৰ গৈছিল, কিন্তু তথাপি যেতিয়া উদ্যানত থকা হ্ৰদৰ ফটিকধাৰ যেন ৰূপালী পানীৰ ওপৰত ডাৱৰৰ ক'লা ছাঁ পৰে, তেতিয়া যুৱৰাজৰ মনতো তেওঁৰ সেই ধ্যানৰ ভাব জাগেহি আৰু চিন্তামগ্ন হৈ পৰে।

ৰজাই এই কথা লক্ষ্য কৰি এদিন তেখেতৰ মন্ত্ৰীসকলক মাতি আনি কলে—"মন্ত্ৰীসকল, সেই বৃদ্ধ ঋষি আৰু স্বপ্নতত্ত্ব বিশাৰদ সকলে কোৱা কথাখিনি ভাবি চাওক। মোৰ নিজৰ প্ৰাণতকৈয়ো প্ৰিয় এই ল'ৰাটি সসাগৰা পৃথিৱীৰ অধীশ্বৰ হ'ব, সকলো শত্ৰুক দমন কৰিব, চক্ৰৱৰ্তী ৰজা হ'ব; নহয়—তেওঁ ত্যাগৰ আদৰ্শ লৈ পৱিত্ৰ জীৱন যাপন কৰিব। এতিয়া তেওঁক কেনেকৈ ত্যাগৰ

নিজৰ ৰত্নমালা পুৰস্কাৰ দিয়া সকলো ৰজাৰ কাণত পৰিলগৈ। ৰজাই তেতিয়া হাঁহিলে আৰু কলে—"আমি তেনেহলে এতিয়া এটা উপায় পাইছোঁ। ৰজা সুপ্ৰবুদ্ধৰ ওচৰলৈ দূত পঠোৱা হওক আৰু তেওঁৰ কন্যা যশোধাৰাক সিদ্ধাৰ্থলৈ বিয়া কৰোৱা সম্পৰ্কে প্ৰস্তাৱ দিয়া হওক।" কিন্তু সেই সময়ত শাক্যসকলৰ মাজত বিবাহৰ এটা প্ৰথা আছিল। ভদ্ৰ বংশৰ সুন্দৰী কন্যাবিলাকক স্বয়ম্বৰ প্ৰথাৰে বিয়া দিয়া হৈছিল। স্বয়ম্বৰ সভাত যোগ দিয়া কন্যাপ্ৰাৰ্থী যুৱকসকলৰ মাজত যুদ্ধ-বিদ্যাৰ অৰিয়া-অৰি হয়। যি জন প্ৰতিদ্বন্দ্বিতাত প্ৰথম বুলি বিবেচিত হয়—তেওঁকেই কন্যাই স্বামী বুলি বৰণ কৰে। ৰজা সুপ্ৰবুদ্ধই এই প্ৰস্তাৱ পাই শুদ্ধোদনক জনালে—"মোৰ কন্যা যশোধাৰাক বিয়া কৰাবলৈ অনেক ঠাইৰ অনেক ৰাজকোঁৱৰে প্ৰস্তাৱ দিছে। আপোনাৰ পুত্ৰই যদি মোৰ ধনুখন বেঁকা কৰিব পাৰে, তৰোৱাল ব্যৱহাৰত শ্ৰেষ্ঠ হয় আৰু আন আন ৰাজকোঁৱৰ সকলতকৈ ভাল বুলি প্ৰমাণ কৰিব পাৰে তেনেহলে নিশ্চয় মোৰ কন্যা তেওঁলৈ বিয়া দিম।"

এই প্ৰস্তাৱ পাই ৰজাৰ মনত খুদুৱনি লাগিল। কাৰণ দেৱদত্ত ধনু-কাঁড়ত আটাইতকৈ ভাল। ঘোঁৰা চেকুৱত অৰ্জুন পাকৈত, তৰোৱাল চলোৱাত নন্দক কোনেও চেৰ পেলাব নোৱাৰে। যুৱৰাজ সিদ্ধাৰ্থই মিচিকিয়া হাঁহি এটা মাৰি পিতৃক কলে—"ময়ো এই আটাইবোৰ বিদ্যা জানো। পিতা, আপুনি ঘোষণা কৰি দিয়ক যে আপোনাৰ পুত্ৰই প্ৰতিদ্বন্দ্বিতাত সকলো প্ৰাৰ্থীকে লগ পাব। মই ভাবোঁ মোৰ পৰাজয় নহব।" ইয়াৰ সাত দিনৰ দিনা প্ৰতিদ্বন্দ্বিতাৰ দিন স্থিৰ হ'ল। বিজয়ী প্ৰাৰ্থীৰ পুৰস্কাৰ হ'ব ৰাজকন্যা যশোধাৰা।

সেই দিনা সুপ্ৰবুদ্ধৰ ৰাজধানীত বিৰাট জনসমাগম। শাক্য কোঁৱৰসকল উপস্থিত। বিতোপন সাজ-পাৰ, আ-অলঙ্কাৰ পিন্ধাই



যশোধাৰাকো তালৈ নিয়া হ'ল। নানা প্ৰকাৰ বাদ্য-বাজনা বাজিছে আৰু উৎসৱৰ বেশেৰে নগৰ মুখৰিত। ধুনীয়া ধুনীয়া তৰুণ কোঁৱৰসকলে নিজ নিজ গৌৰৱৰ কথা ভাবি যশোধাৰাক লাভ কৰাৰ আশাৰে ৰৈ আছে। শেষত তেওঁৰ বগা ঘোঁৰাৰ পিঠিত উঠি যুৱৰাজ সিদ্ধাৰ্থ আহিল। এই বিৰাট সমাগম দেখি কণ্টকে ছিঁ হিঁ হিঁ কৰি চিঞৰিবলৈ ধৰিলে। সিদ্ধাৰ্থয়ো আচৰিত হোৱা যেন দৃষ্টিৰে এবাৰ সকলোৰে পিনে চালে। ৰজা-প্ৰজা সকলো একে ঠাই হৈ এই অপূৰ্ব সমাৱেশ সৃষ্টি কৰা দৃশ্যই তেওঁৰ মনত নতুন ভাবৰ সৃষ্টি কৰিলে। যশোধাৰাক দেখা মাত্ৰকে যুৱৰাজৰ মুখত এটা উজ্জ্বল হাঁহি বিৰিঙি উঠিল আৰু তৎক্ষণাৎ কণ্টকৰ পিঠিৰপৰা জাঁপ মাৰি নামি আহিল। লগে লগে ঘোষণা কৰিলে—"যশোধাৰাৰ নিচিনা ৰত্ন লাভ কৰোঁতাজন সকলো প্ৰকাৰে উপযুক্ত হ'ব লাগিব। মোৰ প্ৰতিদ্বন্দ্বীসকলে এতিয়া নিজ নিজ ঘটনাৱলীৰ পৰিচয় দিয়ক।" মুহূৰ্ততে প্ৰাৰ্থীসকলৰ মাজত উখল-মাখল লাগিল। নন্দ, অৰ্জুন, দেৱদত্ত আদি প্ৰত্যেকেই নিজ নিজ শৌৰ্য্য-বীৰ্য্যৰ পৰিচয় দি কাঁড় মৰা প্ৰতিযোগিতাত আগ বাঢ়িল। সিদ্ধাৰ্থই সকলোকে চেৰ পেলালে। এটা এটাকৈ সকলো পৰীক্ষাত সিদ্ধাৰ্থ প্ৰথম হ'ল। যেতিয়া পুৰণিকলীয়া তীখাৰ ধনুখনৰ পৰীক্ষা হ'ল, তাতো সকলোবিলাকৰ পৰাজয় হ'ল আৰু যুৱৰাজ সিদ্ধাৰ্থই ধনুখন বেঁকা কৰি তাত কাঁড় লগাই যেতিয়া আকাশৰ ফালে এৰি দিলে তাৰ শব্দত মানুহৰ মনত আতঙ্ক হ'ল। সকলোৱে সিদ্ধাৰ্থৰ ক্ষমতা দেখি আচৰিত মানিলে। শেষত ঘোঁৰাত উঠা পৰীক্ষা হ'ল। কণ্টকৰ পিঠিত উঠি আন প্ৰাৰ্থীসকলৰ লগত ঘোঁৰা চেঁকুৰাবলৈ আগবঢ়া মাত্ৰকে সি বায়ুৰ বেগেৰে যুৱৰাজ সিদ্ধাৰ্থক আটাইতকৈ আগলৈ লৈ গ'ল। ঘূৰি আহি প্ৰথমেই আকৌ আগৰ ঠাই পালেহি। সমবেত সকলো জনতাই সকলো খেলতে সিদ্ধাৰ্থকেই শ্ৰেষ্ঠ বুলি

চিঞৰিবলৈ ধৰিলে। আনকি প্ৰাৰ্থীসকলেও তেওঁকেই শ্ৰেষ্ঠ বুলি স্বীকাৰ কৰিলে। ৰজা সুপ্ৰবুদ্ধই তেতিয়া সিদ্ধাৰ্থক কলে—"আমি অন্তৰে অন্তৰে তোমাকেই পাবলৈ ইচ্ছা কৰিছিলোঁ। মৰমৰ যুৱৰাজ সিদ্ধাৰ্থ, তুমি বিজয়ী হৈ লাভ কৰা মোৰ কন্যা-ৰত্ন গ্ৰহণ কৰা।" পিতৃৰ এই কথা শুনি বহাৰপৰা যশোধাৰা উঠিল আৰু হাতত সুগন্ধি ফুলৰ এধাৰ মনোৰম মালা লৈ গহীন গম্ভীৰভাৱে সিদ্ধাৰ্থৰ ওচৰলৈ গ'ল। সিদ্ধাৰ্থৰ ওচৰ পাই যশোধাৰাই সম্ভ্ৰমেৰে তেওঁৰ ফালে মূৰ দোঁৱালে আৰু মূৰৰ ওৰণি গুচাই সেই মালাধাৰ সিদ্ধাৰ্থৰ ডিঙিত পিন্ধাই দিলে। সেই সময়ত যশোধাৰাৰ চকুৱে-মুখে এটি স্বৰ্গীয় জ্যোতি ফুটি উঠিছিল। সিদ্ধাৰ্থৰ চৰণ স্পৰ্শ কৰি যশোধাৰাই কলে—"প্ৰিয়তম চোৱা, মই আজিৰপৰা তোমাৰ।" সমবেত জনতাই হৰ্ষধ্বনি কৰি উভয়ৰে জয় দিলে। উৎসৱৰ বিজয়বাদ্য বাজি উঠিল।

ইয়াৰ পাচত যিদিনা মেষ ৰাশি মিলিল সেইদিনা শাক্যসকলৰ ৰীতিমতে তেওঁবিলাকৰ বিয়াৰ দিন স্থিৰ হ'ল। বিয়াৰ কাৰণে সুসজ্জিত ৰভা সজা হ'ল। সোণৰ গাদী আৰু বিচিত্ৰ ৰঙৰ দলিচাৰে ৰভা জক্‌মকাই উঠিল। আমডালি, ফুলৰ মালা, মঙ্গল-ঘট আদিৰে বিয়াৰ মণ্ডপ সুশোভিত হ'ল। তেওঁবিলাকৰ নিয়ম-মতে এবাটি সেন্দূৰ মিহলোৱা ৰঙা গাখীৰত দুডাল খেৰ মেলি দিয়া হ'ল। খেৰ দুডাল আহি একে ঠাই হৈ থকা দেখি সকলোৱে আনন্দত চিঞৰিবলৈ ধৰিলে। "আ! বৰ ভাল চিন। মিলন চিৰস্থায়ী হ'ব।" যথা ৰীতি হোম-যজ্ঞাদি হ'ল আৰু বৰ-কন্যা উভয়ে হোমৰ চাৰিওফালে তিনি বেলি প্ৰদক্ষিণ কৰি সপ্ত-শিলাত ভৰি দি কন্যাই সপ্ত পদ গমন কৰিলে, সভাসদসকলে সুগন্ধ-দ্ৰব্য, আৰৈ চাউল আদি ছটিয়াই মাঙ্গলিক আহ্বান কৰিলে। বেদৰ মন্ত্ৰেৰে সভা মুখৰিত হ'ল। বৰ-কন্যাৰ সাজ-পোছাক একেখন



কাপোৰেৰে বান্ধি লগ্ন-গ্ৰন্থি পিন্ধালে আৰু বৃদ্ধ কন্যাদাতা সুপ্ৰবুদ্ধই কলে—"মোৰ কন্যা যশোধাৰা আগেয়ে আমাৰ হৈ আছিল, এই মুহূৰ্তৰপৰা এওঁ তোমাৰ। এওঁৰ প্ৰতি তুমি দয়া কৰিবা। আজিৰপৰা তোমাৰ জীৱনেই যশোধাৰাৰ জীৱন।" মঙ্গল উৰুলি, হৰ্ষধ্বনি বিজয়-বাদ্যৰ মাজত কন্যাদান সম্পন্ন হ'ল। যশোধাৰাৰ লগত সিদ্ধাৰ্থৰ মিলন ঘটিল।

সিদ্ধাৰ্থৰ মনত যৌৱনসুলভ প্ৰেমৰ উদয় হোৱা দেখিও ৰজা শুদ্ধোদনে সন্দেহৰ ভাব এৰিব নোৱাৰিলে। কিজানি সেই স্বপ্নবিলাক ফলিয়ায়। কিজানি সিদ্ধাৰ্থৰ মনত উদাস--বৈৰাগ্য জন্মে! এই ভয়ত ৰজা সদায় চিন্তিত হৈ থাকে। সিদ্ধাৰ্থ আৰু যশোধাৰাই বিবাহিত জীৱন কটাবলৈ এটা নতুন কাৰেং সজাই দিলে। সেই কালত থকা সকলোবিলাক ৰাজ-কাৰেঙতকৈ ধুনীয়া কৰি এটি ঘৰ সজালে। তাৰ নাম দিলে বিশ্ৰম্ভণ। সমুখত বিতোপন ফুলৰ উদ্যান। চাৰিওফালে চালে চকুৱোৱা প্ৰাকৃতিক সৌন্দৰ্য্য। ঘৰটোৰ ভিতৰত থকা কাঠবোৰত প্ৰাচীন কালৰ অনেক মূৰ্তি কটা আছে। ৰাধা-কৃষ্ণ, সীতা আৰু দ্ৰৌপদী ইত্যাদি। মাজতে জ্ঞান আৰু ঐশ্বৰ্য্যৰ গৰাকী গণেশৰ মূৰ্তি। উদ্যানত বিবিধ পোহনীয়া জন্তু আৰু চৰাই। এই প্ৰমোদ-ভৱনত যুৱৰাজ আৰু ৰাজকুঁৱৰীৰ আলপৈচান ধৰিবলৈ অনেক ধুনীয়া ধুনীয়া সখীৰ ব্যৱস্থা কৰা হ'ল। যশোধাৰাই এই ইন্দ্ৰপুৰী যেন ঘৰৰ ৰাণী।

এই কাৰেংটোৰ অসংখ্য কক্ষৰ ভিতৰত এটা গোপন কক্ষ আছিল। মনক তৃপ্তি দি বিলাস-মগ্ন হবলৈ কলা-কৌশলেৰে এই কক্ষটো সজোৱা হৈছিল। দিন-ৰাতিৰ চিন নোহোৱাকৈ সদায় গাখীৰ বৰণীয়া পোহৰত এই কক্ষটো উজ্জ্বল হৈ থাকে। বিতোপন শয্যা, দিনে-ৰাতিয়ে মৃদু বাদ্য বাজি থাকে, সকলো

সময়তে বিধে বিধে সুকোমল খাদ্য, গাখীৰ, পৰমান্ন, ফল, মূল আদি যুগুত থাকে। এদল নাচনী ছোৱালীয়ে দিনে-ৰাতিয়ে বাছক-বনীয়া নৃত্যৰ সম্ভাৰেৰে সেই কক্ষ আমোদিত কৰি থয়। ধুনীয়া ধুনীয়া সখীসকলে যুৱৰাজৰ টোপনি ধৰিবলৈ বিচনীৰে বিচি থাকে। যেতিয়া তেওঁ সাৰ পায়, তেতিয়া শুৱলা সুৰৰ প্ৰেমৰ গীত শুনায়। সপোনৰ দৰে নৃত্য কৰে। বীণাৰ ৰুপালী তাঁৰত ঝঙ্কাৰ দিয়ে। কস্তুৰী আৰু চম্পকৰ সুবাসেৰে বা' দি টোপনি ধৰাবলৈ উপায় কৰে। যশোধাৰাৰ সৈতে এইদৰে মহাসুখত সিদ্ধাৰ্থই দিন কটাবলৈ ধৰিলে।

ৰজাই আজ্ঞা শুনাই দিলে যেন সেই প্ৰমোদ-ভৱনৰ ভিতৰত কেৱে মৃত্যু বা বুঢ়া-কালৰ কথা নকয়, একো বেজাৰ লগা বা দুখ-বিষাদ আৰু ৰোগ-তাপৰ কথা নুলিয়ায়। তাত থকা সখীসকলৰ ভিতৰত নাচোঁতে যদি কোনোবাৰ ভৰি পিছলি দুখ পায় তেন্তে সেই নন্দন-কাননৰপৰা তেওঁ মনে মনে ওলাই যাব লাগিছিল—দুখ পোৱাৰ কথা কবলৈ নিষেধ। কাৰণ, যুৱৰাজে দেখিলে বা সেই কথা শুনিলে মনত দুখ পাব আৰু দুখৰ ভাব উদয় হ'ব। আনকি সিদ্ধাৰ্থ শুই উঠাৰ আগতে ফুলনিত থকা ফুল গছবোৰৰ পৰা মৰহি যোৱা ফুলবোৰ ছিঙি মনে মনে দূৰত পেলাই দিয়া হৈছিল। যাতে ফুলনিখন সদায় জক্‌মকাই থকাহে কোঁৱৰৰ চকুত পৰে—তাৰ বিধান কৰা হৈছিল। ৰজাই কৈছিল—"যদি সিদ্ধাৰ্থৰ গোটেই জীৱনকালটো এনেকৈ ৰাখিবপৰা হয় তেন্তে তেওঁৰ মনৰপৰা চিন্তাৰ গধুৰ ভাববোৰ পাতলি যাব আৰু আনন্দ উপভোগৰ মাজত থাকোঁতে ৰাজসিক ভাববিলাক বাঢ়ি আহিব। আৰু আগলৈ চক্ৰবৰ্তী ৰজা হৈ গৌৰৱেৰে সসাগৰা পৃথিৱী শাসন কৰিব পাৰিব।"

এই ৰাজ-কাৰেংটোৰপৰা সতকাই কেঁও ওলাই যাব নোৱাৰাকৈ



চাৰিওপিনে এটা পকী গড় মৰাই দিলে আৰু এখন প্ৰকাণ্ড আঠ ধাতুৰ দুৱাৰ কৰাই দিলে। এশটা শকত-আৱত বলী মানুহ নহলে সেই দুৱাৰ লৰাবই নোৱাৰে। দুৱাৰখন মেলোঁতে তাৰ শব্দ আধা যোজনলৈকে শুনে। ইয়াৰ উপৰিও ভিতৰত আৰু দুখন দুৱাৰ। কোনোবা এই প্ৰমোদ-ভৱনৰপৰা ওলাই যাব খুজিলে এই তিনিওখন দুৱাৰ মেলিহে যাব পাৰে। প্ৰত্যেকখন দুৱাৰতে বিশ্বাসী প্ৰহৰী নিযুক্ত। ৰজাৰ আজ্ঞা—"কোনো মানুহক ওলাই যাবলৈ নিদিব। আন কি যদি যুৱৰাজ সিদ্ধাৰ্থও আহে, তেওঁকো নিদিব। অন্যথা কৰিলে কঠোৰ শাস্তি দিম।"

# তৃতীয় অধ্যায়

কোনো প্ৰকাৰ অভাৱ, শোক-বেজাৰ, বুঢ়া-বয়সৰ কথা আৰু মৃত্যুৰ বাতৰি নোপোৱাকৈ নৃত্য-গীত-বাদ্য আৰু মধুৰ আলাপৰ মাজতে সেই শান্তিপূৰ্ণ বিশ্ৰাম ঘৰৰ মাজত সিদ্ধাৰ্থই বিবাহিত জীৱন অতিবাহিত কৰিবলৈ ধৰিলে। এইদৰে কেতিয়াবা সিদ্ধাৰ্থই যশোধাৰাৰ বুকুত মূৰটো থৈ বাতি তন্দ্ৰামগ্ন হব খোজে। যশোধাৰাই তেওঁৰ কোমল হাত দুটিৰে টোপনিত জাপ খাব খোজা কোঁৱৰৰ চকু দুটিৰ ওপৰত শীতল বা দিয়ে। সিদ্ধাৰ্থ চঁক্ খাই উঠে—আৰু চিঞৰিবলৈ ধৰে—"মোৰ জগতখন, অহ-হ! জগত! মই শুনিছোঁ! মই জানিছোঁ! মই আহিছোঁ!".....তেতিয়া যশোধাৰাই সোধে—"আপোনাৰ কি হৈছে প্ৰভু? কিয় এনে কৰিছে?" ভয়ত যশোধাৰাৰ চকুযোৰ ডাঙৰ হৈ পৰে। এনে সময়ত স্বভাৱ কোমল সিদ্ধাৰ্থৰ চকুত এটা কৰুণ কাতৰ দৃষ্টি ফুটি উঠে আৰু এটি দেৱ-মূৰ্তিৰ দৰে তেওঁ থৰ হৈ ৰয়। অলপ পাচতে এটি মধুৰ হাঁহি বিৰিঙাই যশোধাৰাৰ চকুৰ পানী বোধ কৰে আৰু সখীসকলক বীণা বজাবলৈ আদেশ দিয়ে। সেই নিমাত-নিতাল কক্ষৰ মাজত এবাৰ বীণাৰ তাঁৰত সখীসকলৰ আঙুলি পৰিলে ৰূপালী তাঁৰবোৰত সহস্ৰ বীণাৰ ধ্বনি ঝঙ্কাৰি উঠে। ধ্বনিৰ গুঞ্জনত কক্ষৰ ভিতৰত মধু-বায়ুৰ লহৰ উঠে। কিন্তু সিদ্ধাৰ্থৰ কাণত সেই ধ্বনিয়ে দেৱলোকৰ বাৰ্তাহে আনি দিয়ে। তেওঁ শুনে বীণাৰ তাঁৰত সুৰৰ আনন্দ লহৰ ধ্বনিত হোৱা নাই। যি হৈছে সি এনেকুৱাহে,—



আমি ভ্ৰমি ফুৰা বতাহৰ মাত
জিৰণি বিচাৰি আমি ফুৰিছোঁ বিনাই
কেনিও জিৰণি নাই।
বিননিও কোনো দিনে নপৰিল শাঁত।
দেহি ঐ!
বতাহৰ দৰে এই বিনাশী জীৱনো হাঁয়।
এটি মাথোঁ কৰুণ বিননি, এটি হুমুনিয়া,
এছাটি ধুমুহা, সংগ্ৰাম, আৰু একো নাই।

ক'ৰপৰা কেনেকৈ, কেতিয়া আহিলোঁ—
ক'ৰপৰা জীৱনৰ সোঁত বয়, কেনি গুচি যায়
নোৱাৰি জানিব একো আঁতি-গুৰি তাৰ।
যেনে আছোঁ, সেইদৰে গুচি যাওঁ।

বিষাদ-বেথাৰে ভৰা হিয়াত আমাৰ
নাপাওঁ বিচাৰি একো আনন্দ-সম্ভাৰ।

প্ৰেমে যদি চিৰকাল থাকিলেহেঁতেন
আনন্দই ধৰণীতে ৰচিলোঁহেঁতেন স্বৰ্গ অমৰা সুখৰ।

কিন্তু হাঁয়! জীৱনৰ গতি একে বতাহৰ দৰে
তাঁৰত পিছলি যোৱা ক্ষন্তেকীয়া ধ্বনিত মুখৰ।

হে মায়াৰ পুত্ৰ!
ধৰণীত ঘূৰি-পকি আহি
আমিয়েই বিনাওঁ এই বীণাৰ তাঁৰত
আমি একো আনন্দৰ নকৰোঁ সঞ্চাৰ
দেশে দেশে দেখোঁ আমি বিষাদৰ অলেখ কাহিনী
সেই হে বিননি তোলোঁহি আমি
সুৰৰ আঁৰত।

তথাপি—

বিননিৰ সুৰৰ মাজেদি আমি কৰোঁ উপহাস ।
জানেনে জগতে বাৰু ধৰি জীৱনৰ মোহ
এটি মাথোঁ সাৰ-শূন্য মিছাৰ ভাৱনা ।
এচপৰা ডাৱৰক থৰ লাগি ৰবলৈ কোৱা—
(কিম্বা) বৈ যোৱা সুঁতি এটি
ধৰোঁ বুলি হাত মেলি যোৱা—
একে কথা,—একে প্ৰবঞ্চনা !

কিন্তু তুমি—

যিজন আহিছা নিজে ত্ৰাণ-কৰ্তা হৈ
তোমাৰ সময় এই আহিছে ঘনাই,
ব্যথিত জগতে আজি দুখৰ মাজত
অপেক্ষিছে তুমি অহা বাটলৈকে চাই ।
অন্ধ-জগতে আজি বিষাদ বেথাত
ডুব গৈ কান্দি আছে ইনাই-বিনাই ।
উঠা, জাগা মায়াৰ সন্তান তুমি
নুশুবা দুনাই আৰু বেচি পৰ নাই ।
আমিয়েই জগতত ভ্ৰমি ফুৰা বতাহৰ মাত
তুমিও ভ্ৰমণ কৰা হেৰা যুৱৰাজ ।
তেহে তুমি বিচাৰি পাবা আচল জিৰণি
প্ৰেমিকৰ বাবে তুমি বোৱা প্ৰেমৰ বেহানি
বিষাদ দুখৰ বাবে এৰি দিয়া ৰাজ্য-ভোগ
মুক্তি দিয়া জগতক মহাৰাণী আনি ।
ইয়াকে দোহাৰি আমি বিষাদৰ হুমুনিয়া এৰোঁ,
বীণাৰ ৰূপালী তাঁৰ বিননিৰে তিয়াই তিয়াই



তোমাক শুনালোঁ আজি জগতৰ দুখৰ কাহিনী
তোমাৰ খেলাৰ এই মনমোহা ছায়াবোৰ চাই
উপহাস কৰি আমি গুচি যাওঁ ইনাই-বিনাই ।

বীণাৰ তাঁৰ শাঁত পৰিল । এনেতে যশোধাৰাৰ এগৰাকী সখী-য়েকে সঙ্গীতৰ অন্তত এটা পুৰণিকলীয়া সাধু কৈছে । সেই সাধুত প্ৰেমৰ কাহিনী, যাদু যোঁৰাৰ কথা, বহুত দূৰত থকা আচৰিত দেশ আৰু তাত থকা শেঁতা মানুহবোৰৰ কথা আৰু ৰাতি হ'লে তাত গৈ সাগৰৰ বুকুত বেলি মাৰ যোৱাৰ নানান ৰূপকথা শুনাইছে । তেতিয়া হুমুনিয়াহ কাঢ়ি সিদ্ধাৰ্থই ক'লে—"সখী চিত্ৰাই মোৰ মনলৈ আকৌ সেই বতাহে কৈ যোৱা কৰুণ সঙ্গীতটো ওলোটাই আনিলে । যশো-ধাৰা, তেওঁ এনে সুন্দৰ সাধু কৈ শুনোৱা বাবে তেওঁক তোমাৰ মুক্তা-মণিধাৰ দি দিয়া ।" তেতিয়া সেই মুক্তা-মণিক সম্বোধন কৰি সিদ্ধাৰ্থই ক'লে—"বাৰু সচাকৈয়ে ইমান আহল-বহল পৃথিৱী এখন আছেনে ? সচাকৈয়ে ক'ৰবাত এনে এখন দেশ আছেনে য'ত গৈ সাগৰৰ ঢৌত বিৰাট সূৰ্য্যটো বাগৰি পৰেগৈ ? তাত বাৰু আমাৰ নিচিনা-কৈয়ে অগণন—অচিনাকী আৰু অশান্ত, হৃদয়বোৰ আছেনে ? কেতিয়াবা ময়ো ভাবি বিস্ময় হওঁ পূব ফালৰপৰা তেওঁ তেওঁৰ সোণালী বাটেদি গৈ সেই প্ৰবল শক্তিমান—দিনৰ গৰাকী সূৰ্য্যই তেওঁৰ ৰশ্মিৰে পুৱাৰ বেলা জগত আলোকিত কৰি সন্ধ্যা পশ্চিম পিনে ক'ত মাৰ যায়গৈ ! সূৰ্য্যৰ এই পতনৰ কথা ভাবি মোৰো মন যায় যেন, হে মোৰ নিৰুপমা ভাৰ্য্যা, তোমাৰ কোমল বাহুৰ পাশ আৰু বুকুৰ পৰশ এৰি থৈ সূৰ্য্যৰ লগে লগে ময়ো গৈ সেই শেঁতাপৰা ৰশ্মি থকা সন্ধিয়াৰ দেশখন আৰু তাত থকা মানুহবোৰ চামগৈ । তাতো নিশ্চয় আমি ভাল পাবলগীয়া বহুত আছে । এতিয়া মোৰ মনত সেই নেদেখা মানুহ আৰু দেশখনৰ যি চিন্তাৰ ঢৌ

উঠিছে, সেই ঢৌ তুমি তোমাৰ সুকোমল ওঁঠেৰে চুমা খাই নাইকিয়া কৰিব নোৱাৰা মোৰ প্ৰিয়া। অ' মোৰ সখীহঁত। অ' চিত্ৰা, তোমালোকে অনেক সপোনপুৰীৰ কথা জানা। তোমালোকৰ কল্পনাৰ ঘোঁৰাই চুটি মেলি মুহূৰ্ততে সেই নেদেখা দেশবোৰ জয় কৰি আহেগৈ। তোমালোকৰ সাধু শুনি মোৰো মন যায় যেন, মোৰ এই গোটেই অট্টালিকাটো তোমালোকৰ কল্পনাৰ ঘোঁৰাৰ পিঠিত তুলি লৈ গৈ ময়ো এই বিশাল পৃথিৱীখন এবাৰ চাই আহোঁগৈ। কেতিয়াবা ভাবোঁ মোৰ যদি সৌ শগুনবোৰ দৰে ডাঙৰ ডাঙৰ পাখি দুখন থাকিলহেঁতেন তেনেহলে মই গৈ সৌ হিমালয়ৰ আটাইতকৈ ওখ টিংটোত বহি বগা তুষাৰ স্তুপৰ ওপৰত পৰা হেঙুলীয়া কিৰণ-ৰশ্মিবোৰ চাই থাকিলোঁহেঁতেন আৰু চকু বিষাই যোৱাকৈ পৃথিৱীৰ চাৰিউফালে কি আছে চাই থাকিলোঁহেঁতেন। কোৱাচোন বাৰু আমাৰ এই বন্দীশাল যেন অট্টালিকাটোৰ লোহাৰ কপাটৰ বাহিৰত কি কি আছে ?''

তেতিয়া এগৰাকী সখীয়ে উত্তৰ দিলে—''ধুনীয়া কোঁৱৰ। প্ৰথমে আমাৰ ৰাজধানী আছে, মন্দিৰ, ৰাজ-উদ্যান, কুঞ্জবন, তাৰ পাচত শস্যৰ পথাৰ। তাৰ পাচত খাল-ডোং, জোপা, জুপুৰি ভৰা বহল মুকলি পথাৰ। তাৰপৰা গৈ পাবগৈ ৰজা বিম্বিসাৰৰ ৰাজ্য, আৰু তাৰ পাচত বিশাল চেপেটা পৃথিৱীখন। কোটি কোটি মানুহ।'' সিদ্ধাৰ্থই ক'লে—''ভাল কথা। তেন্তে মোৰ সাৰথি চন্নক বাৰ্তা দিয়া যে কাইলৈ দুপৰীয়া মই ৰথত উঠি গোটেইবোৰ এবাৰ চাই আহিম।''

এই কথা ৰজা শুদ্ধোদনক জনোৱা হ'ল। ৰজাও মান্তি হ'ল। ৰাজধানীত ঢোল পিটি ৰাজ আজ্ঞা ঘোষণা কৰা হ'ল—''কাইলৈ দুপৰীয়া যুৱৰাজ সিদ্ধাৰ্থই ৰাজধানী পৰিদৰ্শন কৰিব। বাট-পদূলি পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি থব লাগিব। কোনো কণা, খোৰা, কুষ্ঠ-ৰোগী, আলৰ বুঢ়া, ৰুগীয়া মানুহ আদি বাটলৈ নোলাব।''



ৰাজ আজ্ঞা আখৰে আখৰে পালন কৰা হ'ল। নগৰীৰ আলি-বাটবোৰ সাৰি-পুছি পানী ছটিয়াই পৰিষ্কাৰ কৰা হ'ল। প্ৰত্যেক গৃহস্থৰ দুৱাৰমুখত তুলসী মঞ্চ আৰু আবীৰ-কুঙ্কুমেৰে মাঙ্গলিক মড়ল অঁকা হ'ল। ধ্বজাৰে বাট-পদূলি, বাটৰ কাষৰ গছবোৰ তিৰবিৰাই উঠিল। ৰাজধানী সেইদিনা এখন যাদুকৰৰ দেশৰ দৰে জলমলাই উঠিল। ঢোল, ৰৰ-কাঁহ কোবাই বাটে বাটে ৰজাৰ টেকেলাবোৰে ঘোষণা কৰিলে—''সকলো প্ৰজাই কাণপাতি শুনা—ৰজাৰ আদেশ, আজি ৰাজধানীৰ আলিবাটত যেন একো বেয়া দৃশ্য চকুত নপৰে,—কণা, খোৰা, কুষ্ঠৰোগী, আলৰ বুঢ়া আৰু আন আন ৰুগীয়া মানুহবোৰ আজি বাহিৰলৈ নোলাব। কেৱে আজি দিনৰ দিনটো মৰা শ নিনিব আৰু খৰি নিদিব। এয়া ৰজা শুদ্ধোদনৰ আদেশ।''

ৰজা শুদ্ধোদনৰ আদেশ মতে ৰাজধানী কপিলাবাস্তু আজি সুসজ্জিত। দুটা শুদ্ধ বগা ঘোঁৰাই টানি অনা বিচিত্ৰ ৰহণ সনা ৰথত উঠি যুৱৰাজ ৰাজপথেদি ভ্ৰমণ কৰিবলৈ ওলাল। যুৱৰাজক দেখি প্ৰজাবৃন্দই আনন্দত হৰ্ষধ্বনি কৰি স্বাগত সম্ভাষণ জনালে। আনন্দিত হৈ সিদ্ধাৰ্থয়ো এই বন্ধু ভাবাপন্ন প্ৰজাবৃন্দক দেখি উৎসাহিত বোধ কৰিলে। মানৱ-জীৱন আনন্দময় যেন ভাব প্ৰজা-সকলৰ সাজ-পোছাক আৰু হাব-ভাৱত ফুটি উঠিল। সিদ্ধাৰ্থই ক'লে—''জগতখন সুন্দৰ, জগতে মোকো ভাল পায়। এই প্ৰজাবৃন্দ ৰজা নহয় যদিও তেওঁবিলাক সুখী আৰু মৰমিয়াল। ইয়াত দেখা মোৰ ভনীহঁতে অনেক পৰিশ্ৰম কৰে যদিও মিঠা মুখীয়া। কিন্তু ইমান আনন্দ কৰিবলৈ মই এওঁবিলাকৰ কাৰণে কি কৰিছোঁ ? মই ভাল পাওঁ বুলি সৌ অকণি অকণি ল'ৰা-ছোৱালীবোৰে জানে জানো ? আমাৰ গালৈ ফুল ছটিয়াই দিয়া সৌ শাক্য-শিশুটি মোৰ

ওচৰলৈ লৈ আহা, আমাৰ লগত তেওঁ ৰথত উঠি যাব। এনেকুৱা এখন আনন্দময় ৰাজ্যত শাসন কৰা কিমান সুখৰ কথা! মই ভ্ৰমণ কৰিবলৈ অহা দেখি এওঁবিলাকে কিমান ৰং পাইছে! এই সৰু সৰু ঘৰবোৰত থকা ন'ৰা-ছোৱালীবোৰ আৰু নগৰবাসীৰ ইমান আনন্দ দেখি মোৰ মনত ধাৰণা হৈছে মোৰ অট্টালিকাত থকা সিমানবোৰ মূল্যবান বস্তুৰ মোৰ একো প্ৰয়োজন নাই। যদি এওঁবিলাকৰ এই সৰল সহজ জীৱনৰ মাজত ইমান আনন্দ আছে তেন্তে আমাক ৰাজ-কাৰেঙত থকা পয়োভৰবোৰৰ প্ৰয়োজনেই বা কি? চন্ন, মোৰ সাৰথি। চলোৱা—মই আগেয়ে নেদেখা নজনা এই সুন্দৰ পৃথিৱীখনৰ আৰু কি ক'ত আছে চাওঁ।"

এইদৰে গৈ থাকোঁতে আনন্দ-বিহ্বল এজুম মানুহে যুৱৰাজৰ ৰথৰ চকা আগুৰি ধৰিলে। কোনোৱে ফুল ছটিয়াইছে, কোনো কোনোৱে আনন্দত ধপলিয়াইছে। কোনো কোনোৱে পিঠা-পনা আদি খোৱা-বস্তু আনি উপহাৰ দিছেহি। সকলোৱে চিঞৰিছে "জয়! জয় যুৱৰাজ সিদ্ধাৰ্থৰ জয়।" ৰজাৰ আদেশ অনুযায়ী গোটেই ৰাজ-পথ এইদৰে আনন্দময় দৃশ্য আৰু সন্তোষৰ হেন্দোলনিৰে উপচি পৰিছে। এইদৰে গৈ থাকোঁতে বাটৰ কাষত লুকাই থকা ফটা-ছিটা কাপোৰ পিন্ধা এটা হতভগীয়া বুঢ়া মানুহ চুঁচৰি-বাগৰি ওলাই আহিল। মানুহটো আলৰ বুঢ়া। গাৰ ছাল শুকাই টোটোৰা পৰিছে যেন এটা পশুৰ ছালহে—মঙহ নাইকিয়া গাৰ হাড়বোৰ জক্-জক্ কৰে ওলাই পৰিছে। বয়সৰ ভৰত বুঢ়াটোৰ পিঠি কুঁজা হৈ আঁঠুত মূৰ লাগিছে। এই দীৰ্ঘ-কালৰ কান্দনত তাৰ চকু দুটা মামৰে ধৰাৰ দৰে ৰঙা হৈ পৰিছে। দাঁত নাইকিয়া আলুবোৰৰ সৈতে ওঁঠ দুটা সোমাই গৈছে। নগৰত এনেকুৱা আনন্দ কোলাহল শুনি আৰু ইমান জন-সমাগম দেখি সি ভয়ত পেপুৱা লাগিছে। এহাতে এডাল লাখুটিত ভৰ দি গধূৰ দুখৰ হুমুনিয়াহ পেলাই সি



কৈছে—"ভিক্ষা দিয়া দেউতাসকল, মই কাইলৈ পৰহিলৈ মৰিমেই।" কওঁতে কওঁতে তাক কফে খুন্দা মাৰি ধৰিলে। তেতিয়াও সি ভিক্ষা মাগিবলৈ হাত মেলিয়েই আছে—কফৰ হেন্দোলনিৰ মাজত দীঘল উশাহ লৈ সি কৈ আছে "ভিক্ষা।" সি এইদৰে কোৱাত ওচৰত থকা মানুহবোৰ তাৰ শুকান ভৰি দুটাত পাক মাৰি ধৰি তাক ৰাজবাটৰপৰা আঁতৰাই বাটৰ কাষলৈ পেলাই দিলে। ক'লে—"যুৱৰাজ! দেখা নাইনে? যা তোৰ খোৰোঙত সোমাই থাকগৈ। এইবোৰ দেখি সিদ্ধাৰ্থই চিঞৰি ক'বলৈ ধৰিলে—"আহিবলৈ দিয়া। আহিবলৈ দিয়া। চন্ন এইটো মানুহৰ দৰেই দেখিছোঁ। ইমান কুঁজা ইমান শোক লগা অৱস্থা, এনে ভয়লগা আৰু ইমান বিকৃত ৰূপ লৈয়ো মানুহ ওপজেনে? সি যে ক'লে 'কাইলৈ বা পৰহিলৈ মই মৰিমেই'—ইয়াৰ অৰ্থ কি? সি খাবলৈ একো পোৱা নাইনে কি? তাৰ দেখোন হাড়বোৰ তেনেই ওলাই পৰিল? এই হতভগীয়া মানুহটোৰ কি দুৰ্দশা হৈছে?"

সাৰথি চন্নই তেতিয়া ক'লে—"দয়ালু যুৱৰাজ! এইটো এটা বয়সিয়াল বুঢ়া মানুহ। প্ৰায় চাৰি কুৰি বছৰৰ আগেয়ে তাৰ পিঠি পোন হৈয়েই আছিল, তাৰ চকু উজ্জ্বল আছিল, আৰু নিপোটল আছিল। কিন্তু চোৰ কালে তাৰ সকলো শক্তি শুহি খাই পেলালে, তাৰ মনৰ বল আৰু বুদ্ধিও খালে। তাৰ জীৱন-বন্তিৰ তেল নাইকিয়া হ'ল। শলিতাও পুৰি ক'লা হৈ এতিয়া মাত্ৰ টিমিকি টিমিকি জ্বলি শেষ হ'ব খোজা ফিৰিঙতি এটাহে বাকী। যুৱৰাজে নো এইবোৰ কথা কেলেই ভাবিছে?" যুৱৰাজে আকৌ সুধিলে—"কিন্তু এনেকুৱা দশা অইনৰো হ'বনে, সকলো মানুহৰ এনে হয়নে নাইবা কাচিতহে কোনো মানুহৰ এনে দুৰ্দশা হয়?"

চন্নই উত্তৰ দিলে—"হে মহান আত্মা। যদি ইমান বছৰ জীয়াই থাকে তাৰ দৰেই সকলো মানুহৰ এনে দশা হ'ব।" যুৱৰাজে ক'লে—"ময়ো যদি তাৰ সমান বয়স পাওঁ—মোৰো এনেকুৱা হ'বনে? যদি যশোধাৰা চাৰিকুৰি বছৰ জীয়াই থাকে তেওঁৰো এনে হ'বনে? জালিনি, অৰুণমানি, হস্তা, গৌতমী আৰু গঙ্গা আদি যশোধাৰাৰ সখীহঁতো ইমান দিন জীয়াই থাকিলে তেওঁবিলাকৰো এনেকুৱা হ'বনে?" সাৰথিয়ে উত্তৰ দিলে—"নিশ্চয় হ'ব যুৱৰাজ!" তেতিয়া সিদ্ধাৰ্থই ক'লে—"চন্ন! ৰথ ঘূৰাই দিয়া। মোক ঘৰলৈ ওলোটাই লৈ ব'লা। মই যিবোৰ দেখিম বুলি ভবা নাছিলোঁ, সেই আটাইবোৰ দেখিলোঁ।"

এইবোৰ ভাবি চিন্তি সিদ্ধাৰ্থ তেওঁৰ ৰাজকাৰেঙলৈ উলটিল। সিদ্ধাৰ্থ চিন্তা আৰু বেজাৰত বিমৰ্ষ হ'ল। সেইদিনা উলটি গৈ তেওঁৰ সন্ধ্যাৰ আহাৰৰ কাৰণে থোৱা পিঠা-পনা ফল-মূল আদি একোকে হাতেৰে নুছুলে। কাৰেঙৰ উৎকৃষ্ট নাচনীবিলাকে বিচিত্ৰ ভঙ্গিমাৰে নাচোঁতেও এবাৰো তেওঁ মূৰ দাঙি নাচালে। মুখত একো কথা নাই। তেওঁৰ এনে মানসিক অৱস্থা দেখি মনত দুখ পাই যশোধাৰাই তেওঁৰ চৰণত পৰি চকুৰ পানীৰে কাতৰ সুৰেৰে সুধিলে—"হে মোৰ প্ৰভু। মই একো প্ৰকাৰে আপোনাৰ মনত সান্ত্বনা দিব নোৱাৰোঁ নে?" সিদ্ধাৰ্থই তেতিয়া মাত দিলে—"অ'হ! মোৰ প্ৰেয়সী! মোৰ আত্মাত এটা ডাঙৰ বিদ্ৰোহৰ জুই জ্বলিছে। মোৰ আত্মাৰ শেষ হৈ যাব যেন লাগিছে। কাৰণ—ই এদিন শেষ হ'বই। আমি দুয়ো এদিন বুঢ়া হ'ম, যশোধাৰা! তেতিয়া আমাৰ মাজত প্ৰেম নাথাকে, কমনীয়তা নাথাকে; আমি দুৰ্বল আৰু বুঢ়া হ'ম। আমাৰ পিঠি কুঁজা হৈ আহিব। দিনে-ৰাতিয়ে আমাৰ দুয়োৰো উশাহ এটা উশাহ যেন হৈ আছে যদিও আমাৰ দুয়োৰো এই মিলনৰ মাজত কাল সোমাই মোৰ বাসনা



আৰু তোমাৰ কমনীয়তা, সৌষ্ঠৱ হৰণ কৰি লৈ যাব। পৰ্বতৰ শিখৰত পৰা হিৰণ কিৰণৰ ৰশ্মি ক'লা নিশাই গিলি থোৱাদি আমাৰ জীৱন-জেউতি কালে গিলি পেলাব। আজি মই এই জ্ঞান পালোঁ, ইয়াৰ ভয়ঙ্কৰ ৰূপ দেখি মোৰ হৃদয় আজি আন্ধাৰ হৈ আহিছে, মোৰ হৃদয়ৰ সকলো চিন্তাৰে মই আজি ভাবিছোঁ-এই ধ্বংসকাৰী কালৰ গৰাহৰপৰা প্ৰেমে কেনেকৈ ইয়াৰ মধুৰতা ৰক্ষা কৰিব পাৰে তাৰ উপায়। উঃ! কালেই মানুহক বুঢ়া কৰে।" সেই নিশা তেওঁ টোপনি নোহোৱাকৈ অতি অশান্তভাৱে অতিবাহিত কৰিলে।

সেই নিশা ৰজা শুদ্ধোদনেও অনেক ভয়লগা সমাজিক দেখিলে। তেওঁৰ সপোনৰ প্ৰথম ভয়টো হ'ল—এখন ধ্বজা। সেই ধ্বজা ইন্দ্ৰৰ। এটা সোণালী সূৰ্য্যৰ সৈতে গৌৰৱপূৰ্ণ আৰু উজ্জ্বল ধ্বজাখন এজাক ধুমুহা বতাহে উৰাই লৈ গৈ ধূলিত মোহাৰি পেলালেগৈ। এনেতে এদল ছঁয়াময়া মানুহ আহিল আৰু সেই লেতেৰা হৈ পৰি থকা ধ্বজাখন তুলি লৈ নগৰৰ পূবফালে গুচি গ'ল। দ্বিতীয় ভয়টো দহোটা প্ৰকাণ্ড হাতী। প্ৰত্যেকটোৰে দুটা দুটা ভয়ঙ্কৰ দাঁত। ভৰিৰ খোজত পৃথিৱী লৰি যোৱা। দক্ষিণ ফালৰ বাটটোৰেদি সেই মহা শক্তিশালী হাতী কেইটা গৈছে আৰু সিহঁতৰ খোজৰ ভৰত মাটি বহি গৈছে, আৰু তাৰ আটাইতকৈ আগত যোৱা হাতীটোত স্বয়ং ৰজাৰ পুতেক সিদ্ধাৰ্থ বহি গৈছে—বাকী কেইটা হাতী তেওঁৰ পিচে পিচে গৈ আছে। স্বপ্নৰ তৃতীয় ভয়টো হ'ল এখন ৰথ, চাৰিটা ঘোঁৰাৰে টনা আৰু চকু কণা হৈ যোৱাকৈ উজ্জ্বল পোহৰ দিয়া আলোকেৰে জলমলাই গৈছে। সেই ৰথখনতো সিদ্ধাৰ্থ বহি গৈছে। চতুৰ্থ বস্তুটো হ'ল এটা চকৰি। চকৰিটো ঘূৰি ঘূৰি গৈয়েই আছে। যাওঁতে যাওঁতে তাৰ জলন্ত সোণ আৰু মণি-মুক্তাবোৰ জলমলাই উঠিছে। চকাটোৰ তলত কিছুমান আচৰিত কথা লিখা আছে। যেতিয়া চকাটো ঘূৰিবলৈ

ধৰে সেই আখৰবোৰ জুইৰ দৰে জিলিকি উঠে আৰু একো একোটা সংগীত ৰচনা যেন লাগে। পঞ্চম ভয়টো এখন বিৰাট ঢাক, কপিলাবাস্তু নগৰ আৰু পৰ্বতৰ সোঁ-মাজতে সেই ঢাকখন আছে। যুৱৰাজ সিদ্ধাৰ্থই এডাল লোহাৰ মাৰিৰে সেই ঢাকখনত টোকৰ দিছে কিন্তু তাৰ শব্দটো বজ্ৰ নিনাদৰ দৰে ধ্বনিত হৈছে—আৰু আকাশৰ ওপৰলৈ সেই ধ্বনি উঠি গৈ দেশ-দেশান্তৰলৈকে বিয়পি গৈছে। ষষ্ঠ ভয়টো এটা স্তম্ভৰ। স্তম্ভটো ওপৰলৈ গৈ আছে আৰু গৈ আছে, আৰু নগৰৰ সকলো ওখ অট্টালিকা অতিক্ৰম কৰি একেবাৰেই ডাৱৰৰ ওচৰ পাইছেগৈ। তাৰ ওপৰত সিদ্ধাৰ্থ থিয় হৈ আছে। তেওঁৰ দুই হাতৰ নানান প্ৰকাৰ মূল্যবান মণি-মুক্তা তললৈ পৰাদি পৰিব লাগিছে আৰু গোটেই পৃথিৱী আহি তলত থিয় দিছেহি। চাৰিওপিনে সিঁচৰিত হৈ পৰা মণি-মুক্তা সম্পদবিলাক বুটলিবলৈ মানুহৰ হেঁতা-ওপৰা লাগিছে। সপ্তম ভয়টো বিষাদৰ করুণ বিননি। কান্দি কান্দি অশান্তভাৱে ছটা মানুহ গৈ আছে।

সেই সাতোটা ভয়ে ৰজাৰ টোপনিত স্বপ্ন হৈ দেখা দিলে কিন্তু ৰজাক কোনো এজন স্বপ্ন-তত্ব বিশাৰদেও ইয়াৰ অৰ্থ কি ক'ব নোৱাৰিলে। তেতিয়া ৰজাৰ খং উঠিল। ক'লে—"মোৰ ঘৰলৈ অমঙ্গল আহিছে। তোমালোকৰ কোনো এজনৰো জ্ঞান-বুদ্ধিয়ে মোক এই সময়ত সহায় কৰিব নোৱাৰিলে। দেৱতাসকলে এই স্বপ্নবোৰ পঠিয়াই মোক কিহৰ সহাঁৰি দিছে—তোমালোকে ক'ব নোৱাৰিলা।" এই কথা প্ৰচাৰ হোৱাৰ লগে লগে কপিলাবাস্তুত সকলোৰে মন বিষাদিত হ'ল। গাত হৰিণৰ ছাল পিন্ধা দেখাত এজন তপস্বীৰ নিচিনা কিন্তু চিনি নোপোৱা এজন মানুহে ক'লে —"মোক ৰজাৰ ওচৰলৈ লৈ ব'লা। মই স্বপ্নৰ অৰ্থ ক'ব পাৰিম।" ৰজাৰ মুখৰপৰা মাজৰাতি দেখা সেই স্বপ্নৰ বৰ্ণনা শুনি অচিনাকী তপস্বীজনে সসন্মানে মূৰ দোঁৱাই ক'লে—"মহাৰাজ



মই এই ৰাজপুৰীৰ জয় জয় দিছোঁ। আপোনাৰ প্ৰতি আশীৰ্বাদ আহিছে—এই ৰাজবংশ ধন্য! সূৰ্য্যৰ ৰশ্মিতকৈও ব্যাপক জ্যোতি ইয়াৰপৰা বিকশিত হ'ব। এই সাতোটা ভয় নহয়—এই সাতোটা মহা আনন্দ। ইন্দ্ৰৰ ধ্বজা মাটিত মিহলি হোৱা প্ৰথম স্বপ্নটোৱে পুৰণি বিশ্বাসৰ পতন আৰু নতুন জ্যোতিৰ আৰম্ভ সূচনা কৰিছে। কাৰণ মানুহৰ মাজত পৰিৱৰ্তন থকা দি দেৱতাৰ মাজতো আছে। এক কল্পৰ পাচত অন্য কল্প হয়। পৃথিৱী কঁপাই যোৱা দহোটা হাতীয়ে জ্ঞানৰ দহোটা অমৰ দানৰ কথা প্ৰকাশ কৰিছে। এই জ্ঞানৰ বলত যুৱৰাজে ৰাজ্য পৰিত্যাগ কৰি সত্য মহিমাৰে পৃথিৱী কম্পমান কৰিব। ৰথৰ ঘোঁৰা চাৰিটাই চাৰিটা মহা শক্তিশালী গুণৰ কথা কৈছে। ইয়াৰ বলত আপোনাৰ পুত্ৰৰ মনৰ সন্দেহ আৰু বিষাদৰ ভাব আঁতৰি যাব আৰু আনন্দময় আলোকলৈ তেওঁক লৈ যাব। সেই চকৰিটো হ'ল বিশুদ্ধ নীতিৰ চক্ৰ, যিটো তেওঁ গোটেই জগতৰ চকুত পৰাকৈ ঘূৰাব। যুৱৰাজে টোকৰ দিয়া ঢাকখন হ'ল তেওঁৰ অমৰ বাণী প্ৰচাৰৰ চিন। তেওঁৰ বাণীয়ে সমস্ত পৃথিৱী মুখৰিত কৰিব আৰু তেওঁ সেই বাণী নিজে প্ৰচাৰ কৰিব। সেই স্তম্ভটো হ'ল বুদ্ধ-বাণীৰ আকাশ লঙ্ঘা বিজয়-স্তম্ভ। তেওঁ দুই হাতে ছটিয়াই দিয়া মণি-মুক্তা বুদ্ধৰ নীতি-জ্ঞান সম্বন্ধীয় অমৰ বাণী, দেৱতা আৰু মানৱ উভয়ৰে প্ৰিয় কাম্য। সেই কান্দি যোৱা ছজন মানুহ হ'ল ছজন প্ৰধান শিক্ষক। তেওঁবিলাকক সিদ্ধাৰ্থই উত্তম জ্ঞান আৰু নীতি শিক্ষা দি তেওঁলোকৰ মনৰ অজ্ঞানতা দূৰ কৰিব। মহাৰাজ! আপুনি আনন্দ কৰক। মোৰ প্ৰভু যুৱৰাজৰ কপালত ৰাজ্য-ধনতকৈয়ো শ্ৰেষ্ঠ সম্পদ আছে আৰু তেওঁৰ তাপস বেশ সোণৰ সাজ-পাৰতকৈয়ো বেচি মূল্যৱান হ'ব। এয়ে আপোনাৰ স্বপ্নৰ অৰ্থ। সাত দিন সাত ৰাতিৰ পাচতে এই স্বপ্ন ফলিয়াবলৈ আৰম্ভ হ'ব।" এইদৰে কৈ সেই

ধাৰ্মিক মানুহজনে তিনি বেলি মাটি চুই ৰজাক প্ৰণাম কৰি বিদায় ললে। ৰজাই পিচে পিচে তেওঁৰ কাৰণে বহুমূলীয়া উপ-ঢৌকন পঠাই দিলে; কিন্তু উপঢৌকন লৈ যোৱা মানুহ-কেইটা উলটি আহি ৰজাক ক'লেহি—"মহাৰাজ! সেই তপস্বী-জনৰ পিচে পিচে গৈ আমিও তেওঁ সোমাই যোৱা চন্দ্ৰৰ মন্দিৰলৈ সোমাই গ'লোঁ, কিন্তু ভিতৰত গৈ আমি কাকো দেখা নাপালোঁ। মন্দিৰৰ ভিতৰত থকা বিগ্ৰহৰ ওচৰৰপৰা ওলাই যোৱা এটা মাত্ৰ ধোঁৱা বৰণীয়া ফেঁচাহে তাত দেখা পালোঁ। দেৱতাসকলহে কেতিয়াবা এইদৰে ছদ্মবেশত আহে।"

বিষাদমগ্ন ৰজাই সিদ্ধাৰ্থৰ মন ঘূৰাবলৈ উপায় চিন্তা কৰিবলৈ ধৰিলে। যুৱৰাজৰ প্ৰমোদ-ভৱনত থকা নাচনীহঁতৰ নৃত্য-গীতেৰে সিদ্ধাৰ্থৰ মন বুৰাই থবলৈ আজ্ঞা দিলে; দুৱাৰ মুখত প্ৰহৰীৰ সংখ্যা বেচি কৰি দিলে।

কিন্তু ভাগ্যক কোনে দুৱাৰ মাৰি থব? কাৰেঙৰপৰা ওলাই গৈ আকৌ এবাৰ পৃথিৱীখন চাই আহিবলৈ সিদ্ধাৰ্থৰ মন উদ্বাউল হ'ল। তেওঁ ভাবিবলৈ ধৰিলে মানুহৰ এই জীৱনটো ইমান সুন্দৰ, কিন্তু যদি সময়ৰ শুকান বালিত পৰি জীৱনৰ ঢৌবোৰ বিষাদত শেষ নহ'লহেঁতেন তেন্তে মানৱ জীৱনটো শেষলৈকে সুন্দৰ হৈয়ে থাকিলহেঁতেন। পিতৃ শুদ্ধোদনক কাতৰভাৱে মিনতি জনাই সিদ্ধাৰ্থই ক'লে—"মই সিদিনা ৰাজধানী ভ্ৰমণ কৰিবলৈ যাওঁতে নগৰত যি আনন্দ উল্লাস দেখিলোঁ—মানুহৰ দৈনন্দিন জীৱন কেতিয়াও ইমান সন্তোষ লগা আৰু সুখৰ নহয়। তেওঁবিলাকে মোক আনন্দ দিবৰ কাৰণেই সেইদৰে উৰুলি-কৃত হৈ মোক সম্বৰ্ধনা জনাইছিল। মোক আপুনি দয়া কৰি এবাৰ অনুমতি দিয়ক মই কোনেও নজনাকৈ মোৰ কাৰেঙৰপৰা ওলাই গৈ এবাৰ আকৌ নগৰ ভ্ৰমণ কৰি আহোঁ; মই চাই-চিতি সন্তোষ মনেৰে কিছু অভিজ্ঞতা লাভ কৰি



আহিব পাৰিম। সেই কাৰণে মই আপোনাক বিনীতভাৱে প্ৰাৰ্থনা কৰিছোঁ। কাইলৈ মোৰ ভৃত্যসকলৰ সৈতে নগৰ ভ্ৰমণ কৰি আহিবলৈ মোক অনুমতি দিয়ক।"

মন্ত্ৰীসকলৰ সৈতে থকা ৰজাই তেতিয়া ক'লে—"হ'ব পাৰে। হয়তো দ্বিতীয়বাৰ ভ্ৰমণ কৰি আহিলে সিদ্ধাৰ্থৰ প্ৰথমবাৰৰ ভুল ধাৰণাবোৰ সংশোধন হ'বও পাৰে। মোৰ পুত্ৰই ইচ্ছামতে সকলো চাই আহক।"

পিচদিনা দুপৰীয়া তেওঁৰ সাৰথি চন্নৰ সৈতে সিদ্ধাৰ্থ নগৰ ভ্ৰমণ কৰিবলৈ ওলাল। সিদ্ধাৰ্থই ৰাজপোছাক নিপিন্ধি সাউদৰ পোছাক আৰু সাৰথিয়ে সাউদৰ কাকতীৰ দৰে সাজ পিন্ধি ওলাল। নগৰীৰ সকলো প্ৰকাৰৰ মানুহৰ লগত অবাধে মিলি-জুলি তেওঁ-বিলাকে খোজ কাঢ়ি গৈ আছে। দুপৰীয়া কৰ্ম-ব্যস্ত মানুহৰ সমা-গমত নগৰৰ বং-ৰহণ সনা আলি বাটবোৰত অহা আহিছে, যোৱা গৈছে। মছলা আৰু খোৱা বস্তু বেচা দোকানীবোৰ কেৰেপা-কেৰেপিকৈ ভৰি সুমাই মহাজন হৈ গাদীত বহি আছে। কিনোতা-সকলে আঁচলৰ আগত ধন বান্ধি লৈ বস্তুৰ দৰ কম-বেচি সম্পৰ্কে দোকানীৰ লগত তৰ্ক কৰিছে। বাট এৰি দিবলৈ মাজে মাজে একোটা ডাঙৰ চিঞৰ শুনা গৈছে। গাড়ীত মেটমৰা বোজাৰ ভৰত শকত-আৱত বলদ গৰুবোৰেও মেৰেক্ মেৰেক্ কৈ লাহে লাহে গৈছে। পাল্কীভাৰীবোৰে গীতৰ সুৰত কোবা-কুবিকৈ পাল্কী কঢ়িয়াই নিছে। তিৰোতা মানুহবিলাকে কুঁৱাৰপৰা পানী ভৰাই মূৰৰ ওপৰত তিনি চাৰিটাকৈ কলহ লৈ ভাৰসাম্য কৰি ঘৰমুৱা হৈছে। দুফালে কাষত তেওঁবিলাকৰ কেঁচুৱাবোৰ আছেই। মিঠাইৰ দোকানবোৰ মাখিৰে উপচি পৰিছে। তাঁতীবিলাকে তাঁত বৈছে। কপাহ ধুনাই কপাহ ধুনিছে, যাঁতত গম ঘেঁহু যব আদি পিহি আটা উলিয়াইছে। কুকুৰবোৰে খাৰলৈ বিচাৰি

কেং-কেং কৰিছে। তীৰ-ধনু সজা তীৰুৱালবোৰে অস্ত্র-শস্ত্র সাজিছে। কমাৰবোৰে লোহা ৰঙা কৰি নিয়াৰীত ধুমধাম পিটিছে। পাঠ-শালাত ছাত্রসকলে গুৰুৰ ওচৰত মন্ত্র পাঠ কৰিছে। ৰং দিয়া মানুহবোৰে ৰঙা নীলা সেউজীয়া আদি ৰং দি কাপোৰবোৰ ৰ'দত মেলি দিছে। সৈন্যবিলাকে ঢাল-তৰোৱাল হাতত লৈ বাটেদি কাওঁ কাওঁ কৰে গৈ আছে। উট চলাওঁতাবোৰে উটৰ ছুটত খোঁচ দিছে। জ্ঞান-গৰ্বী ব্রাহ্মণ, যুদ্ধপ্রিয় ক্ষত্রিয় আৰু পৰিশ্ৰমী বিনম্র শূদ্র আদি সকলো আহি একে ঠাইতে থুপ খাই এটা অঘৰীৰ সাপ-নাচ চাবলৈ জুম বান্ধিছে। আন এদলে আকৌ ঢাক-ঢোল বজাই এটা দীঘলীয়া শোভা-যাত্রা কৰিছে। তাতে চিত্র-বিচিত্র ৰঙৰ গাদী পৰা ঘোঁৰা গৈছে। নৱ-বিবাহিতা কন্যাক আড়ম্বৰেৰে ঘৰলৈ আনিবলৈ গৈছে। ইফালে আকৌ এগৰাকী তিৰোতাই হাতত ফুলৰ মালা আৰু নৈবেদ্য সম্ভাৰ লৈ মন্দিৰলৈ গৈছে—তেওঁৰ স্বামী নিৰাপদে বেপাৰৰপৰা ঘূৰি আহি ঘৰ পাবৰ কাৰণে নাইবা পিচৰ বাৰত ল'ৰা এটি জন্ম হ'বৰ কাৰণে প্ৰাৰ্থনা কৰিছে।

এইবোৰ চাই চাই ছদ্মবেশী সিদ্ধাৰ্থ আৰু চন্ন গৈ আছে, এনেতে বাটৰ কাষৰপৰা এটা বিষাদৰ মাত আহি তেওঁবিলাকৰ কাণত পৰিলহি। কোনোবাই কৈছে—"ডাঙৰীয়াসকল, আহক মোক অলপ সহায় কৰক। মোক ধৰি থিয় কৰি দিয়ক, আহক এফেৰা সহায় কৰক। নহ'লে ঘৰ পোৱাৰ আগতে মই মৰিম।"

মানুহটো এটা নৱ-কঙ্কাল মাত্র। মহামাৰী ৰোগৰ মুখত পৰি তেনেই বিকৃত হৈ গৈছে। তাৰ চকু দুটাইদি অন্তৰৰ যন্ত্ৰণা জুই-আঙনি ওলোৱাদি ওলাব লাগিছে। ওচৰত থকা ঘাঁহবোৰকে খামোচ মাৰি ধৰি সি উঠিবলৈ চেষ্টা কৰিছিল কিন্তু কঁকাল দাঙিয়েই আকৌ বাগৰি পৰিল। যন্ত্ৰণাত সি চিঞৰ মাৰি দিছে—



'উঃ কি যন্ত্ৰণা! দয়ালু ডাঙৰীয়াসকল, সহায় কৰক।" সিদ্ধাৰ্থ লৰি গৈ সেইখিনি পালেগৈ আৰু তেওঁৰ কোমল হাতেৰে মানুহটোক ধৰি তুলিলে। অতি স্নেহৰ দৃষ্টিৰে তাৰ চকুলৈ চাই তাৰ মূৰটো নিজৰ আঁঠুত থৈ হাত বুলাবলৈ ধৰিলে। সিদ্ধাৰ্থৰ হাতৰ কোমল পৰশ পাই দুৰ্ভগীয়া মানুহটোৱে শান্তি পোৱা যেন পালে। সিদ্ধাৰ্থই সুধিলে—"ককাইদেউ, তোমাৰ কি হৈছে? কেনি, ক'ত, কি অসুখ হৈছে? তুমি উঠিব নোৱৰা হ'লা কেলেই? চন্ন, এওঁ এইদৰে কোঁপাইছে কিয়?" সাৰথিয়ে তেতিয়া ক'লে—"মহান যুৱৰাজ, কিবা মহামাৰী ৰোগে এওঁৰ শৰীৰ খাই পেলালে, তেওঁৰ দেহাৰ সকলো শক্তি লোপ পালে। সিৰৰ মাজেদি তেজৰ সোঁত চলাচলত ব্যাঘাত জন্মিল। নাড়ীৰ গতি বৰ ঘন আৰু অতি ধীৰ, গাৰ জোৰাবোৰত থকা শক্তি তেনেই নাইকিয়া হৈ লেতু-সেতু হ'ল। জীৱনৰ গোটেইখিনি আনন্দ আৰু সন্তোষ আঁতৰি গ'ল। এওঁ এটা ৰুগীয়া মানুহ, অক্ষম, এতিয়া অলপতে এওঁ মৰিব; কিন্তু ভিতৰত থকা ৰোগে যেতিয়ালৈকে দেহাৰ সিৰা-উপসিৰা আটাইবোৰ খাই নিস্তেজ নকৰে তেতিয়ালৈকে নমৰে। তেওঁৰ প্ৰাণ ওলাই যোৱাৰ আগতে দেহাটোৰ সকলো জীৱনী-শক্তি খাই শেষ কৰি ল'ব। যুৱৰাজ! এওঁক এনেদৰে ধৰি থকা ভাল নহয়। তেওঁৰ দেহাত থকা ৰোগ আহি আপোনাৰ গাতো সোমাব পাৰে।" তেতিয়াও সেই মানুহটোক সান্ত্বনা দি সিদ্ধাৰ্থই ক'লে-"এনেকুৱা ৰোগী আৰু আছেনে? বহুত আছে নেকি? নাইবা এওঁৰ বিচিনা ৰোগ মোৰো হ'ব পাৰে নেকি?"

চন্নই বিনয়েৰে ক'লে—"হে মহান প্ৰভু! নানান প্ৰকাৰ ৰোগেৰে এই দশা প্ৰায় সকলো মানুহৰে হয়। ঘা, ফোঁহোৰা, কুষ্ঠ ৰোগ, সন্নিপাত জ্বৰ, উদৰী, ক্ষয়ৰোগ আদি নানা ৰোগে দেহ আক্ৰমণ কৰে।" যৱৰাজে সুধিলে—"মানুহে ক'ব নোৱৰাকৈয়ে

এই ৰোগবোৰ আহেনে ?'' চন্নই ক'লে—''দুষ্ট সাপ অহাদি কোনেও ক'ব নোৱৰাকৈয়ে ইহঁত আহি মানুহৰ দেহা দংশন কৰেহি নাইবা জোপাৰ আঁৰৰপৰা ছদ্মবেশী হত্যাকাৰী আহি বাটৰুৱাক আক্ৰমণ কৰাদি কৰেহি।''

''তেনেহ'লে আটাইবোৰ মানুহ ভয়ত থাকে ?'' সিদ্ধাৰ্থই ক'লে। ''হয় যুৱৰাজ জীৱনটো পানীৰ তলৰ কাঁইট। সকলো ভয়তে থাকে।'' চন্নই ক'লে।

সিদ্ধাৰ্থ—''মই মহা সুখত শুই আছোঁ। গোটেই নিশা মোৰ সুন্দৰ টোপনি হ'ব আৰু কাইলৈ পুৱা ঠিক এইদৰেই সাৰ পাম—এই বুলি তেনেহলে কোনেও ক'ব নোৱাৰে ?''

চন্ন—''কোনেও নোৱাৰে।''

সিদ্ধাৰ্থ—''বহুত দুখ-যন্ত্ৰণাৰ অন্তকাৰী কোনেও ক'ব নোৱৰাকৈয়ে আহেনে ? আৰু এই ৰোগবোৰ যেতিয়া আহিব লাগে আহিবই। তেনেহলে এই দেহাটো এটা ভয়-দেহ আৰু মনটো বিষাদপূৰ্ণ আৰু বুঢ়া বয়সো ঠিক তেনেকুৱাই ?''

চন্ন—''হয় যুৱৰাজ। যদি মানুহে ইমান দীঘল আয়ুস পায়, শেহত এনে দশা হবই।''

সিদ্ধাৰ্থ—''যদি তেতিয়া মানুহে এই যন্ত্ৰণা সহিব নোৱৰা হয় নাইবা যদি যন্ত্ৰণা নসহে, নাইবা তাৰ উপশমৰ উপায় বিচাৰে, নাইবা যদি যন্ত্ৰণা সহি এই মানুহটোৰ নিচিনা হয়, ইমান দুৰ্বল হৈয়ো যদি জীয়াই থাকে তেন্তে শেষ দশা কি হ'ব ?''

চন্ন—''মৃত্যু হ'ব যুৱৰাজ।''

সিদ্ধাৰ্থ—''মৃত্যু ?''

চন্ন—''হয়, শেহত মৃত্যু আছেই। যিকোনো প্ৰকাৰেই যেতিয়াই হওক--মৃত্যু আহিবই। কিছুমান আলৰ বুঢ়া হৈ মৰে, কিছুমানে ৰোগ-যন্ত্ৰণা ভোগ কৰি মৰে। কিন্তু এদিন সকলো



মৰিব লাগিবই। সৌৱা চাওক যুৱৰাজ, সৌৱা এটা মৰা শ নৈৰ শ্মশান-ঘাটৰ ফালে লৈ গৈছে।''

সিদ্ধাৰ্থই এতিয়া ঘাটৰ ফালে চকু দি দেখিলে এদল মানুহে কান্দি কান্দি এটা মৰা-শ লৈ গৈছে। আটাইতকৈ আগত যোৱা-জনৰ হাতত একুৰা জোৰ আৰু এটা চৰু আৰু পিচত যোৱা আত্মীয়-কুটুম্বসকলে ''ৰাম! ৰাম! ৰাম ৰাম সত্য! ৰাম বোলা।'' আদি ৰাম নাম গাই গৈছে। এইদৰে মৰা-শটো লৈ গৈ নৈৰ পাৰত চিতা সজাই তাৰ ওপৰত চিৰ শয়ন কৰিবলৈ শুৱাই দিলে আৰু চাৰিওপিনে জুই জলাই দিলে। মুহূৰ্ততে চিতাগ্নিৰ শিখাই জিভা মেলিলে আৰু সেই মাংসখিনি পুৰি ভস্ম কৰি পেলালে। ধোঁৱাৰে আকাশ ক'লা হ'ল। যথা সময়ত নশ্বৰ দেহাৰ সকলো অস্তিত্ব শেষ হৈ গ'ল।

তেতিয়া যুৱৰাজে ক'লে—''জীয়াই থকা সকলো মানুহৰে এয়ে শেষ দশানে ?''

চন্নই ক'লে—''সকলোৰে অন্তিমত এয়ে দশা যুৱৰাজ! চিতাৰ ওপৰত তুলি দিয়াজনেও খাইছিল, পিছিল, হাঁহিছিল, ভাল পাইছিল আৰু জীয়াই থাকিবলৈ ভাল পাইছিল। কিন্তু এতিয়া সৌৱা হাবিৰ মাজৰপৰা ওলাই যোৱা এছাটি বতাহৰ-দৰে তেওঁ মুহূৰ্ততে নাইকিয়া হৈ গ'ল। তেওঁৰ দেহাটো, যিটো এগছ বন্তিৰ দৰে জ্বলি আছিল—জুয়ে পুৰি শেষ কৰিলে। এই শ্মশানতে মাংসৰ শৰীৰৰ শেষ নিৰ্ণয় হয়। ইয়াতে উচচ-নীচ, ধনী-দুখীয়া, সৎ-অসৎ, ধৰ্ম-অধৰ্ম সকলো একে ঠাই হয়। শাস্ত্ৰই কয় বোলে ইয়াৰ পাচত আকৌ নতুন জনম হয়। ক'ৰবাত কিবা প্ৰকাৰে হেনো আকৌ জীৱন লাভ কৰে। কিন্তু এইবোৰ কথা কোনে জানে ? উপজিলে আকৌ সেই যন্ত্ৰণা, বিদায়-ব্যথা, আকৌ সেই চিতাৰ জুই--এয়েই মানুহৰ ঘূৰ্ণিপাক।''

চকুত দিব্য অশ্রুজল লৈ সিদ্ধাৰ্থই আকাশৰ ফালে চালে, তেওঁৰ চকুত স্বৰ্গীয় প্ৰেমৰ পোহৰ নামিল আৰু অতি দয়াৰ ভাবেৰে পৃথিৱীখনৰ ফালে চালে। পৃথিৱীৰপৰা আকাশ, আকাশৰপৰা পৃথিৱীলৈ কেইবাবাৰো দৃষ্টিপাত কৰিলে। তেওঁৰ আত্মাই যেন বহুত দূৰত থকা কিবা এটা স্বৰ্গীয় দৃশ্য দেখা পাইছে, আৰু সেই দৃশ্যাই যেন স্বৰ্গ আৰু মৰ্ত্য, অতীত আৰু বৰ্তমান এইটো আৰু সেইটো আটাইবোৰ একে কৰি তুলিছে। যেতিয়া তেওঁ মূৰ দাঙিলে এটা অপূৰ্ব আভাবে তেওঁৰ মুখমণ্ডল জ্যোতিষ্মান হৈ পৰিছে। কিবা এটা প্ৰেমৰ ভাবত তেওঁৰ বাসনা উদ্দীপ্ত হৈ উঠিছে। এটা অসীম অনন্ত আশাত তেওঁ উদ্বুদ্ধ হৈ পৰিছে। তেতিয়া সিদ্ধাৰ্থই ক'বলৈ ধৰিলে—

"হে নিৰ্য্যাতিত জগতবাসী! মোৰ তেজ-মঙহেৰে সৈতে একে চিনাকী আৰু অচিনাকী মানৱসকল, তোমালোক আটাইবোৰ মৃত্যু আৰু বিষাদ-যন্ত্ৰণাৰ একেখন জালতে পৰি আছা; এই পৃথিৱীত থকা দুখ-যন্ত্ৰণাৰ তাপ মই নিজে চকুৰে দেখিছোঁ। মই অনুভৱ কৰিছোঁ, পৃথিৱীৰ সুখ-সম্ভোগৰ একো মূল্য নাই। আটাইবোৰ এটা প্ৰবঞ্চনা। সকলো সুখ-সন্তোষ যন্ত্ৰণাত শেষ হয়। যৌৱন বাৰ্ধক্যত, প্ৰেম বিৰহত আৰু জীৱন ঘিণ লগা মৃত্যুৰ মুখত অন্ত পৰে। মৃত্যুৰ পাচতো আকৌ নজনাৰ জীৱনৰ কাৰণে চিন্তা। আকৌ সেই কালৰ চকৰিত ঘূৰিব লাগিব। এই মোহ-মায়াই মোকো ঠগিলে। জীয়াই থকাটো বৰ প্ৰেমময় যেন লাগিল। জীৱনটো পৰালি নপৰা শান্তিৰ পিনে বৈ যোৱা এটা উজ্বল সোঁত যেন লাগিল। কিন্তু দৰাচলতে বলিয়া বানৰ পাৰ ভঙা নাচে জীৱনটো লৈ গৈ ফেনে-ফোটোকাৰে ভৰা লুণীয়া সাগৰত পেলাই দিয়েগৈ। এই সত্যক ঢাকি থোৱা আঁৰ-কাপোৰখনে মোক অন্ধ কৰি থৈছিল। এই মৰণাপন্ন মানুহবোৰৰ দৰেই ময়ো দেৱতাসকলৰ দয়াৰ ভিখাৰী হৈ কান্দোঁ, কিন্তু সেই কান্দন দেৱতাই শুনা নাই। তথাপিও সহায় বিচৰা এই বাটৰুৱাবিলাকৰ কাৰণে সহায় ওলাবই লাগিব। বোধহয় দেৱতাসকলক নিজৰ কাৰণেই সহায় লাগে আৰু তেওঁবিলাক অতি নিশকতীয়া; সেইহে যন্ত্ৰণাত কান্দি থকা মানুহক তেওঁবিলাকে উদ্ধাৰ কৰিব পৰা নাই। এইটো কেনেকৈ হ'ব পাৰে যে,—ব্ৰহ্মাই এখন সৃষ্টি ৰচনা কৰিলে আৰু তেওঁৰ সৃষ্টিখন ইমান বিষাদ-যন্ত্ৰণাৰে বুৰাই থলে। তেওঁ যদি সৰ্বশক্তিমান হৈ তেওঁৰ সৃষ্টিখন এইদৰে এৰিলে তেওঁ নিজে কেনেকৈ ভাল হ'ব পাৰে। আৰু যদি তেওঁৰ একো ক্ষমতা নাই —তেন্তে তেওঁ ঈশ্বৰেই নহয়। চন্ন, ৰ'লা, আকৌ ঘৰমুৱা হওঁ; ইমানেই যথেষ্ট। মোৰ চকুৱে অপাৰ দেখিলে।"

সিদ্ধাৰ্থৰ মনত এনে উদাস প্ৰবল হৈ উঠিছে বুলি জানি ৰজাই দুৱাৰত প্ৰহৰীৰ সংখ্যা তিনি গুণ বৃদ্ধি কৰিলে। কঠোৰ আজ্ঞা শুনাই দিলে—"দিনতেই হওক বা ৰাতিয়েই হওক, যেতিয়ালৈকে সেই স্বপ্ন দেখাৰ সাতদিন সাত ৰাতি পাৰ হৈ নাযায় তেতিয়ালৈকে কোনো মানুহক অহা-যোৱা কৰিবলৈ নিদিব।"

# চতুৰ্থ অধ্যায়

যিটো হ'বলগীয়া আছিল সেইটোৱেই হ'বৰ সময় ওচৰ চাপি আহিল। প্ৰভু বুদ্ধৰ সংসাৰ-ত্যাগৰ দিন পালেহি। সেই সোণালী ঘৰখনত বিষাদৰ বিননি উঠিল। ৰজা শোকত মৰহি গ'ল আৰু কপিলাবাস্তুৰ সকলো প্ৰজাই হায় হায় কৰিলে।

চ'ত মাহৰ পূৰ্ণিমা ৰাতি। অশোক ফুলৰ মৃদু সুগন্ধই বতাহ সুৰভিত কৰি তুলিছে। নগৰ-চহৰ আনন্দময় আৱেগত বুৰ গৈ আছে। বিশ্ৰম্ভণৰ ওপৰতো জোনৰ পোহৰ পৰি ৰূপালী জেউতি জিলিকি উঠিছে। হিমালয়ৰ হিম লাগি শীতল হৈ অহা বতাহ একোছাটিয়ে কৰুণ হুমুনিয়াহ পেলাই গৈছে। এই শান্তিময় পৰিবেশৰ মাজত সকলো নিমাত হৈ টোপনিত লালকাল। প্ৰহৰীবিলাকৰো বিশেষ সাৰ-সুৰ নাই। মাত্ৰ মাজে মাজে এটা-দুটা পহৰা দিয়া মাত শুনা হৈছে। শিয়ালৰ হোৱা আৰু উদ্যানৰ ভিতৰত উঁই-চিৰিঙাবোৰৰ কি কি শব্দৰ বাহিৰে আৰু কেনিও ক'তো মাত-বোল নাই।

বিশ্ৰম্ভণৰ ভিতৰত জালি কটা সুৰুঙাই দি জোনৰ পোহৰ গৈ প্ৰমোদ ভৱনৰ ভিতৰত পৰিছে। যশোধাৰা, সখীসকল টোপনিত লালকাল হৈ থাকোঁতে পোহৰে অপূৰ্ব শোভা তুলি ধৰিছে, যেন নন্দন বনত স্বৰ্গৰ দেৱীসকলেহে বিশ্ৰাম লৈ আছে। যুৱৰাজ সিদ্ধাৰ্থৰ প্ৰমোদ-ভৱনৰ আটাইবিলাক বাছক-বনীয়া সহচৰী তাতেই আছিল। টোপনিত লালকাল হৈ থকা প্ৰত্যেকটি সহচৰীৰ গাত জোনৰ জেউতি পৰি অৱৰ্ণনীয় শোভা জিলিকি উঠিছে। মণিৰত্নৰ অলঙ্কাৰ নিৰ্মাণ কৰি সজাই থোৱা প্ৰদৰ্শনীত যেনেকৈ এটি উজ্জল অলঙ্কাৰৰপৰা চকু গৈ আন এটি উজ্জল ৰত্নত পৰেগৈ সেইদৰেই এই সহচৰীসকলৰ সমাৱেশত চকুত চমক লগা সৌন্দৰ্য্য ফুটি উঠিছিল। সি যেন সৌন্দৰ্য্যৰ এটা ভোজ হে। একো যত্ন নোলোৱাকৈয়ে তেওঁবিলাকৰ দেহত বিকশি উঠা ৰূপ-লাৱণ্য শুই থাকোঁতে যেন আৰু সুন্দৰ হৈ পৰিছে। তেওঁবিলাকৰ মিহি চিক্‌চিকীয়া চুলি, তাতে সোণৰ হাৰ বা ফুলৰ হাৰেৰে খোপা বন্ধা। শুই থাকোঁতে ইজনীৰ গাত সিজনী লাগি খোপা সুলকি চুলি-কোঁছা আহি ডিঙিত পাক খাই আছে। বীণা বজাই, নৃত্য কৰি, কোঁৱৰক আলপৈচান ধৰি ভাগৰ লাগি বেচেৰীহঁত সুখৰ নিদ্ৰাত লালকাল, মধুৰ সপোনত মগ্ন। দিনৰ দিনটো গাই ডালে-পাতে ঘূৰি ফুৰা মৰম লগা চৰাইবোৰ —ৰাতি পাখীৰ ভিতৰত মূৰটো গুঁজি শুই থকাদি সখীসকলো সেই সৌন্দৰ্য্য-লীলাৰ মাজত শুই আছে। ৰূপালী শিকলিৰে ওলোমাই থোৱা সুগন্ধি তেলেৰে জ্বলোৱা বন্তিবোৰৰপৰাও মৃদু পোহৰ আৰু ছাঁ পৰিছে। সহচৰীসকলৰ বুকু কোমল আৰু কুঙ্কুম বোলোৱা হাতৰ তলুৱাবোৰ, মোহ-লগা মুখ, বৈ পৰা চকুৰ চেলাউৰি। মুকুতাৰ দৰে উজ্জল বগা দাঁতবোৰ, আৰু মৰম লগা সৰু সৰু ভৰিত থকা নূপুৰ, সেই ছাঁ-পোহৰৰ মাজত সৌন্দৰ্য্যৰ এখন মেলাৰ দৰে জলমলাই উঠিছে। কেতিয়াবা স্বপ্ন দেখি যুৱৰাজে ভাল পোৱা নৃত্যৰ প্ৰশংসা কৰা শুনি কোনোবাটিৰ মুখত এটি হাঁহিৰ ৰেখা বিৰিঙি উঠিছে। কোনোবাটিৰ ভৰিৰ নূপুৰ টোপনিত বাগৰ দিওঁতে ৰুন্‌জুনকৈ বাজি উঠিছে। বীণাখনত আঙুলি বুলাই থাকোঁতেই একোটি টোপনি গ'ল, আৰু বীণাখনকে সাবটি লৈ শুলে। এইদৰেই সকলোটি ক্লান্ত হৈ ধুনীয়া দলিচা পৰা মজিয়াত অচেতন! প্ৰত্যেকটিয়েই যেন জাপ গৈ থকা একোপাহি ফুলহে আৰু পুৱাৰ পোহৰ পায়েই

যেন আকৌ প্ৰস্ফুটিত হৈ নিজৰ শোভা বিলাববলৈ ৰৈ আছে। এই কক্ষটো যুৱৰাজৰ শয়নকক্ষৰ ঠিক বিপৰীতে।

শয়নকক্ষৰ কাৰুকাৰ্য্য আৰু চিত্ৰ-বিচিত্ৰ ৰূপ বৰ্ণনাৰ অতীত। বিলাসৰ সুন্দৰ সুন্দৰ সামগ্ৰীৰে ভৰা। মণি-মুক্তা খচিত সুবৰ্ণৰ পালেং। বুকুত এটি কেচুৱা লৈ যশোধাৰা শুই আছে। কাষতে উজ্জ্বল মুখমণ্ডলেৰে সুন্দৰ সুঠাম সিদ্ধাৰ্থ। শোৱাৰপৰা আধা উঠি বুকুত ভৰ দি চকুত পানীৰে সৈতে যশোধাৰাই সিদ্ধাৰ্থক ক'লে–"উঠক মোৰ প্ৰভু! এষাৰ কথা কৈ মোক শান্তি দিয়ক।" সিদ্ধাৰ্থই তেতিয়া সুধিলে—"তোমাৰ কি হৈছে যশোধাৰা?" কিন্তু তেতিয়াও যশোধাৰাই ক্ৰন্দনৰ সুৰতেই ক'লে—"হায়! মই আপোনাৰ এই পুত্ৰটি বুকুত লৈ সখীসকলৰ বীণা-ধ্বনি আৰু গীত শুনি থাকোঁতেই মোৰ টোপনি গ'ল। কিন্তু এই সুখৰ মাজতে মই সমাজিকত তিনিটা ভয়লগা দৃশ্য দেখিলোঁ। ভয়ত এতিয়াও মোৰ বুকু ধপ্‌ধপাই আছে। দেখিলোঁ বৰ ডাঙৰ শিঙেৰে সৈতে ধপ্‌ধপাই এটা বগা ষাঁড় গৰু ৰাটেদি গৈ আছে। পিঠিত তৰাৰ দৰে উজ্জ্বল এটা বস্ত্ৰ লৈ গৈছে আৰু গোটেইখন পোহৰ হৈ গৈছে। বাটেদি আহি ষাঁড়টো আমাৰ কাৰেঙৰ দুৱাৰমুখ পাইছেহি। কোনেও তাক বাধা দি ৰাখিব নোৱাৰিলে। এনেতে ৰাজপুৰীত থকা ইন্দ্ৰৰ মন্দিৰৰপৰা এটা ধ্বনি আহিল--"যদি এই ষাঁড়টো ৰাখিব নোৱাৰা তেন্তে ৰাজ্যৰ গৌৰৱ গুচি যাব। তথাপি কোনেও তাক ধৰি ৰাখিব নোৱাৰিলে। তেতিয়া মই ইনাই-বিনাই কান্দিবলৈ ধৰিলোঁ। কিন্তু ৰাখিব নোৱাৰিলোঁ। ষাঁড়টোৱে তেতিয়া হুঁ কৰিবলৈ ধৰিলে আৰু লাহেকৈ মূৰ পোলোকা দি মোৰ হাতৰ-পৰা ওলাই গ'ল। লোহাৰ শলখাবোৰ শিঙেৰে ভাঙি চূৰমাৰ কৰি প্ৰহৰীবোৰক গচকি ষাঁড়টো গুচি গ'ল। ইয়াৰ পাচত সমাজিকটো আকৌ এনে ধৰণৰ—চাৰিজন বৰ ভব্য-গব্য পুৰুষ, চকু কেইটা বৰ



উজ্জ্বল, বৰ সুন্দৰ, ঠিক যেন সুমেৰু পৰ্বতত থকা পৃথিৱী শাসন-কাৰক চাৰি সিদ্ধহে। অসংখ্য স্বৰ্গীয় লগুৱা-লিক্‌চৌ লৈ তেওঁ-বিলাক আহি আমাৰ নগৰ সোমাইছেহি। আমাৰ ইন্দ্ৰৰ মন্দিৰত থকা সোণৰ পতাকাখন দুৱাৰমুখত উৰি আছিল; কিন্তু—তেওঁবিলাক আহি পোৱাৰ লগে লগে মাটিত পৰি গ'ল, আৰু তাৰ সলনি এখন নতুন পতাকা তাত উৰিবলৈ ধৰিলে। সেই পতাকাখনৰ পোহৰত নতুন বাণী শুনি মানুহ মুগ্ধ হৈছে আৰু সকলোৱে আনন্দ পাইছে। পূবফালে সূৰ্য্য উদয় হোৱা দেশৰপৰা এজাক নতুন বতাহ আহি এই পতাকাখনৰ ভাঁজবোৰ মেলি দিছে আৰু কোনোবা অজান দেশত ফুলা ফুলৰ পাপৰিবোৰ সৰি উপচি পৰিছে।" তেতিয়া সিদ্ধাৰ্থই ক'লে—"মোৰ জীৱনৰ পদুম পাহি যশোধাৰা! এই সকলোবোৰ ভাল স্বপ্ন।" যশোধাৰাই ক'লে—"নহয়, নহয়, প্ৰভু, সেই সমাজিকটো এটা ভয়লগা মাতত অন্ত হ'ল। কোনোবাই যেন চিঞৰি ক'লে—"সময় ওচৰ চাপি আহিছে! সময় ওচৰ চাপি আহিছে।"...এনেতে তৃতীয় স্বপ্নটো দেখিলোঁ—মই যেতিয়া শয্যাত আপোনাক হাতেৰে খেপিয়াই চাওঁ—তেতিয়া তাত এটা পোটোকা নপৰা গাৰু আৰু এটা পোছাক পৰি আছে—আপুনি শয্যাত নাই। মাত্ৰ সেইখিনিহে আছে। আপুনি হেনো নাই! আপুনিয়েই মোৰ জীৱন, মোৰ জেউতি। মোৰ ৰজা, মোৰ পৃথিৱী! তেতিয়াও মই টোপনি অৱস্থাতে। মোৰ কঁকালত থকা মণি-মুক্তাৰ কৰধনিডাল কোনোবাই আনি মোৰ বুকুত মেৰিয়াই দিলেহি আৰু সেইডাল কৰধনি গুচি এটা ভয়লগা সাপত পৰিণত হ'ল। মোৰ গাৰ অলঙ্কাৰবোৰ সুলকি গ'ল। মোৰ চুলিত থকা সুগন্ধ নাইকিয়া হ'ল, আৰু আমাৰ এই বিবাহ-শয্যাখন মাটিলৈ বহি গ'ল। বহুত দূৰত সেই ষাঁড় গৰুটোৱে হোঁকৰা শুনিলোঁ, আৰু আকৌ সেই চিঞৰটো শুনিলোঁ 'সময় ওচৰ চাপি আহিছে .......।' সেই

চিঞৰটো শুনি মোৰ অন্তৰাত্মা কঁপি উঠিল, মই সাৰ পালোঁ। এইবোৰ কি দেখিলোঁ প্ৰভু ?"

মাৰ যোৱা সূৰ্য্যৰ শেষ আৰু শেঁতা পৰা হাঁহিটিৰ দৰে দৃষ্টিৰে সিদ্ধাৰ্থই যশোধাৰাৰ পিনে চালে। চকুৰ পানীৰে তিতি যশোধাৰাৰ কোমল মুখখন ভয় আৰু বেজাৰত বেথা লগা হৈ পৰিছে। সিদ্ধাৰ্থই তেওঁৰ ফালে বেঁকা হৈ ক'লে—"প্ৰিয়তমা, শান্তি লাভ কৰা। যদি অবিচলিত প্ৰেমত শান্তি আছে তেন্তে সেই শান্তি লাভ কৰা। তোমাৰ স্বপ্নবোৰ হয়তো হ'বলগীয়া ঘটনাৰ ছাঁও হ'ব পাৰে, হ'লেও হ'ব পাৰে; কিন্তু একো অৱস্থাতে তোমাৰ আৰু মোৰ মাজত বিচ্ছেদ নঘটে। মই তোমাক যি ভাল পালোঁ পালোঁৱেই। তুমি জানা মই এই দুখময় জগতক শান্তি দিবৰ মনেৰে কিমান দিন কিমান ৰাতি ইয়াত তোমাৰে সৈতে অতিবাহিত কৰিলোঁ। যদি কিবা হ'ব লগা আছে, সময় আহিলে সেইটো হ'বই। কিন্তু এই পৃথিৱীত থকা লক্ষ লক্ষ অচিনাকি আত্মাৰ কাৰণে মোৰ আত্মাই দিনে-ৰাতিয়ে কান্দিব লাগিছে। ভাবি চোৱা মোৰ প্ৰিয়তমা। মোৰ পাৰ্শ্বী লগা উৰণীয়া চিন্তাবোৰ কেনেকৈ জগতৰ প্ৰাণীবিলাকৰ মাজত ভ্ৰমি ফুৰিছে—সেইবিলাক মোৰ কিমান মৰমৰ, কিমান সুন্দৰ আৰু কিমান আপোন ! তুমি মোৰ সন্তানটিৰ মাতৃ। এই সন্তানটিৰ দেহ আৰু মোৰ দেহ একে। মোৰ আত্মাই সাগৰ-নগৰ ভ্ৰমণ কৰি বহুত দূৰত উৰি থকা কপৌটিৰ দৰে সত্যৰ সন্ধানত উৰি ফুৰি ঘূৰি আহি আকৌ পায়হি তোমাকেই। তুমি মোৰ সুকোমল ভাব-চিন্তাৰ আদি। সেই কাৰণে এই স্বপ্নৰ ফল যিয়েই নহওক মনত ৰাখিবা মই তোমাক ভাল পাইছিলোঁ আৰু অতি অকৃত্ৰিমভাৱে ভাল পাইছিলোঁ। সকলোৰে কাৰণে মই যি বিচাৰিছিলোঁ সেইবিলাকৰ সৰহখিনি তোমাৰ কাৰণেই বিচাৰিছিলোঁ। তুমি শান্তি লাভ কৰা যদি বেজাৰ আহে তেতিয়াও শান্তিত থাকিবা। আমাৰ দুখ-বেজাৰৰ



মাজেদি কেনেকৈ পৃথিৱীত শান্তিৰ পথ উলিয়াব পাৰি, সেই কথা চিন্তা কৰি শান্তি লাভ কৰিবা। মোৰ কথাখিনি হৃদয়-ভৰি অমৃত পান কৰাদি পান কৰি লোৱা। যাতে তুমি জানিব পাৰা যে—যিটো আন কোনেও জানিব নোৱাৰিব—মই তোমাক অতি ভাল পাইছিলোঁ—কাৰণ মই সকলো জীৱিত প্ৰাণীকেই সমানে ভাল পাওঁ। তুমি এতিয়া শুই থাকা। মই সাৰে থাকি তোমাক ৰখিম।" সিদ্ধাৰ্থৰ কথাত চকুৰ পানীৰে সৈতে যশোধাৰা শুলে। টোপনিত হুমুনিয়াহ পেলাবলৈ ধৰিলে—স্বপ্নৰ সেই ভয়লগা দৃশ্যটো যেন তেওঁ দেখিয়েই আছে—টোপনিতে কৈ আছে—"সেই সময় ! সেই সময় আহিছে।" এনেতে সিদ্ধাৰ্থই মুখ ঘূৰালে। বহুত দিনৰ আগতে ভৱিষ্যদ্বাণী কৰা সেই কথাটো আকৌ দোহাৰিবলৈ তেতিয়াও আকাশত ৰূপালী তৰাবোৰ শাৰী পাতি আছিল—"এয়েই সেই নিশা ! সিদ্ধাৰ্থ, মহান ত্যাগৰ পথ, কল্যাণৰ পথ বাছি লোৱা। ৰজাৰো ৰজা হৈ শাসন কৰিবলৈ নাইবা অকলে অকলে মুকুটহীন, গৃহহীন হৈ ঘূৰি ফুৰিবলৈ আৰু জগতক উপকাৰ কৰিবলৈ উপযুক্ত পথ বাছি ল'বৰ এয়ে সময়।" সেই নিজম জমোৱা নিতাল নিমাত নিশাৰ গহীন-গম্ভীৰ পৰিবেশৰ মাজত তেওঁৰ মনত উদয় হোৱা এই বাণীৰ লগে লগে তেওঁৰ কাণত যেন আকৌ সেই বীণাৰ তাঁৰত শুনা দেৱ-লোকৰ সতৰ্ক সঙ্গীতৰ করুণ বিননি বাজি উঠিল।

"মই বিদায় লম", সিদ্ধাৰ্থই নিজকে কলে—"সেই সময় আহিল। যশোধাৰা, তোমাৰ সুকোমল ওঁঠ দুটিয়ে মোক সেই বস্তু পাবলৈ আগবঢ়াই দিছে, যিহে পৃথিৱী ৰক্ষা কৰিব; কিন্তু আমাৰ দুইকো আঁতৰাব। সেই আকাশৰ নিস্তব্ধতাৰ আঁৰত মোৰ কপালত থকা সেই মহাবাণীৰ বিজুলী চমক্ মই পঢ়িছো। এই বাণীৰ কাৰণেই মই আহিছিলোঁ। ইয়াৰ কাৰণেই মোৰ জীৱনৰ ইমানবোৰ

দিন আৰু ইমানবোৰ ৰাতিয়ে মোক আগবঢ়াই লৈ আহিছিল। মোক এই ৰাজ-মুকুট নালাগে। মোক মুক্ত অস্ত্ৰৰ জিক্‌মিকনিও নালাগে। মোৰ ৰথৰ চকৰিও তেজেৰে ৰাঙলী হৈ বিজয় লাভৰ কাৰণে ঘূৰিব নালাগে। পৃথিৱীত ৰঙা আখৰেৰে মোৰ ইতিহাস লিখিত হ'বৰো প্ৰয়োজন নাই। তাৰ সলনি মই ধৈৰ্য্যেৰে সৈতে নিষ্কলঙ্ক পদক্ষেপেৰে ধীৰে-শাঁতে বাট বুলিবলৈ এই পথ বাছি লৈছোঁ। এই পৃথিৱীৰ ধূলিয়েই মোৰ শয্যা হ'ব। জন-প্ৰাণীহীন হাবিয়েই বাসস্থান হ'ব আৰু তাত থকা নিকৃষ্ট প্ৰাণীবোৰেই মোৰ লগৰীয়া হ'ব। নাম-গোত্ৰহীন দৰিদ্ৰ মানুহবিলাকে পিন্ধা জধলা সাজ-পাৰতকৈ বেচি মূল্যবান একো সাজ মোক নালাগে। ভিক্ষা কৰিলে সন্তোষ মনেৰে দাতাসকলে যি এমুঠি দিয়ে, সেইয়ে মোৰ আহাৰ হ'ব। মোৰ মাংসৰো প্ৰয়োজন নাই। চিমিক-চামাক পোহৰ হৈ থকা গুহা বা হাবিৰ জোপাৰ আঁৰতকৈ বেচি আড়ম্বৰ থকা একো বাসস্থান নালাগে। মই এইখিনি বাস্তৱত পৰিণত কৰিম। কাৰণ প্ৰাণী-জগতৰ দুখময় কৰুণ বিননি আহি মোৰ কাণত সোমালহি। এই জগতৰ দুখৰাশিৰ কাৰণে মোৰ আত্মাই কান্দিব লাগিছে। মই পৃথিৱীত শান্তি দিব লাগিব। এই শান্তি লাভৰ কাৰণে যিমান চূড়ান্ত ত্যাগ আৰু কঠোৰ সাধনা কৰিব লাগিব, মই সেইখিনি অকাতৰে কৰিম। মানুহে ইমান দেৱতাৰ পূজা কৰিছে, কিন্তু ক'তো দেৱতাই মানুহৰ দুখ নিবাৰণ কৰিব পৰা নাই কিয়? মানুহে পূজা কৰিছে, অৰ্ঘ্য যাচিছে, খুৱাইছে, খাইছে কিন্তু তথাপি মানুহৰ দুখৰাশি দূৰ হোৱা নাই কিয়? আমাৰ শাস্ত্ৰ-সমূহে কৈ গৈছে আত্মাই এবাৰ জন্ম গ্ৰহণ কৰাৰ পাচত কোটি কোটি বাৰ বিবিধ যোনিত জন্ম লৈ ঘূৰি ফুৰে। মানুহক এই পুনৰ্জন্ম অভিশাপৰপৰা যদি কোনোবাই ৰক্ষা কৰিব পাৰিলেহেঁতেন। মই মৃত্যুক জয় কৰিম। দুখময় জগতৰ সংঘাতত কামুৰি থকা



লক্ষ কোটি হৃদয়ৰ সৈতে একে হৈ মোৰ হিয়াতো যন্ত্ৰণাৰ কামোৰণি উঠি আছে। মই আজি যি ত্যাগ কৰিবলৈ প্ৰস্তুত হৈছোঁ, ইয়াৰ-দ্বাৰাই তেওঁলোক সকলোৰে কল্যাণ হ'ব। হে আকাশৰ তৰা বিলাক! মই আহিছোঁ। হে শোকাতুৰা পৃথিৱী! আজি মোৰ এই যৌৱন, সিংহাসন, মোৰ আনন্দ, মোৰ জীৱনৰ সোণালী দিনবোৰ, মোৰ ৰাতিবোৰ, মোৰ কাৰেংটো—আৰু এই সকলোবিলাক ঐশ্বৰ্য্যত-কৈও বেচি মোহলগা অমৃত সনা যশোধাৰাক এৰি থৈ আজি গুচি যাম। পৃথিৱীক ৰক্ষা কৰি আঁতাই মই তোমাকো ৰক্ষা কৰিম। তোমাৰ বুকুতে থকা মোৰ সন্তানটি—আমাৰ প্ৰেমৰ লুকাই থকা কুসুম পাহি—তেওঁকো এৰি থৈ যাম। মই এই সন্তানটিক আশীৰ্বাদ দি যাওঁ বুলি অপেক্ষা কৰিলে মোৰ মন পিছলিব। প্ৰিয়তমা! পুত্ৰ! পিতা! প্ৰজাসকল! আপোনালোক সকলোৱে ক্ষন্তেকৰ কাৰণে এই মুহূৰ্তৰ বিষাদ যন্ত্ৰণা সহ্য কৰিব লাগিব। তাৰ পাচত স্বৰ্গীয়জ্যোতি আহিব আৰু সকলোৱে নীতি-জ্ঞান লাভ কৰিব। মোৰ দৃঢ় সঙ্কল্প।' এতিয়া মই বিদায় ল'ম। মই যি বিচাৰিছোঁ, যেতিয়ালৈকে সেইটো নাপাওঁ তেতিয়ালৈকে মই উলটি নাহোঁ। মই অশেষ চেষ্টা কৰিম আৰু সেই সত্যৰ সন্ধানত জীৱন উছৰ্গা কৰিম।''

এইখিনি কৈ তেওঁ চকুৰ চেলাউৰি দুটাৰে যশোধাৰাৰ চৰণ স্পৰ্শ কৰিলে আৰু মূৰ দোঁৱালে। যশোধাৰাৰ চকু দুটা তেতিয়াও তিতিয়েই আছিল। টোপনিত লাল-কাল হৈ থকা যশোধাৰাৰ মুখখনি আৰু চকু দুটাত যি বেথা ভৰা বিষাদৰ ৰেখা ফুটি উঠিছিল, সি বৰ্ণনাৰ অতীত। কিজানি সেই স্বপ্নৰ কাহিনী সত্য হয় আৰু সিদ্ধাৰ্থ গুচি যায়, বিদায়ৰ এই আতঙ্কত টোপনিতো যেন বেচেৰীৰ মুখত বিষাদৰ ক'লা ছাঁ জিলিকি উঠিছে। সিদ্ধাৰ্থই শয্যাৰ চাৰিও-ফালে অতি শ্ৰদ্ধাৰে সৈতে তিনি বেলি প্ৰদক্ষিণ কৰিলে—যেন

দেৱতাৰ পূজাৰ বেদীতহে প্ৰদক্ষিণ কৰিছে। আৰু অতি ধীৰে ধীৰে ধপ্‌ধপাই থকা বুকুত হাত দুটি থৈ, যশোধাৰাৰ ফালে চাই ক'বলৈ ধৰিলে—"আৰু কোনো কালে মই শয্যাত শয়ন নকৰোঁ।" এই বুলি কৈ তেওঁ তিনি বাৰ গুচি যাবলৈ যত্ন কৰিলে—কিন্তু তিনিও বাৰ উলটি আহিল। যশোধাৰাৰ সৌন্দৰ্য্যৰ মোহ ইমান প্ৰবল আৰু সিদ্ধাৰ্থৰ ইমান গভীৰ স্নেহ আছিল। এই মায়া-মোহৰ বন্ধন খণ্ডন কৰিবলৈ দৃঢ় সঙ্কল্প সিদ্ধাৰ্থই তৎক্ষণাৎ নিজৰ মুখখন কাপোৰৰ আঁচলেৰে ঢাকি পেলালে আৰু চাঁতকৰে শয়নকক্ষৰপৰা ওলাই গুচি গ'ল।

সত্য সন্ধানী মহান ত্যাগী যুৱৰাজ সিদ্ধাৰ্থ কাবেঙৰপৰা ওলোৱা মাত্ৰকে আকাশৰ প্ৰহৰী হৈ থকা তৰাবোৰে টঁ-টঁকৈ তেওঁৰ ফালে চাই প্ৰেম বৰষিলে। ঘূৰি ফুৰা বতাহ ছাটিয়ে তেওঁৰ গাৰ কাপোৰত দিব্য-লোকৰ পৰশ দিলেহি। পুৱা ফুলিবলৈ জাপ গৈ থকা উদ্যানৰ ফুলবোৰে নিজৰ নিজৰ বুকু উদিয়াই ৰাজকোঁৱৰৰ যাত্ৰা-পথ সুগন্ধেৰে আমোদিত কৰিলে। হিমালয়ৰপৰা আৰম্ভ কৰি ভাৰত মহাসাগৰলৈকে পৃথিৱীৰ বুকুত নজনা আশাৰ এটা কম্পন উঠিল। বতাহত আকৌ সেই স্বৰ্গীয় সঙ্গীতৰ ঝঙ্কাৰ উঠিল। অশ্ৰুসিক্ত নয়নেৰে সিদ্ধাৰ্থই আকাশলৈ চালে।

সেই কুহেলিকাময় নিশাৰ গহীন নিস্তব্ধতাৰ মাজেদি গৈ সিদ্ধাৰ্থই তেওঁৰ প্ৰিয় সাৰথি চন্নক মনে মনে মাত দিলেগৈ—"চন্ন, উঠা। মোৰ ঘোঁৰা কন্টকক আনা।" সাৰথিয়ে ক'লে—এই নিশা ঘোঁৰা কেলেই প্ৰভু? যেতিয়া আন্ধাৰত বাট-পথ একো নমনি তেতিয়াহে আপুনি ঘোঁৰাত উঠিব?" সিদ্ধাৰ্থই উত্তৰ দিলে—"নাহে নাহে কোৱা। মোৰ ঘোঁৰাটো আনা। মই এই সোণৰ কাবেং এবাৰ সময় উপস্থিত। ইয়াত মোৰ হৃদয় সঁজাত বন্দী হৈ থকাদি আছে। সত্যৰ সন্ধান কৰিবলৈ আৰু



সকলো মানুহৰ কল্যাণৰ কাৰণে মই এতিয়া ইয়াৰপৰা গুচি-যাম। যেতিয়ালৈকে মই সেই সত্য লাভ কৰিব নোৱাৰোঁ, তেতিয়ালৈকে বিচাৰিম।" সাৰথি চন্নই ক'লে—"হাঁয়! যুৱৰাজ! সেই জ্ঞানী লোকসকলে কোৱা নাইনে বোলে শুদ্ধোদনৰ এই মহান পুত্ৰই সসাগৰা পৃথিৱী শাসন কৰিব আৰু ৰজাবো-ৰজা হ'ব? আপুনি এতিয়া ঘোঁৰাত উঠি কেনিবা গুচি যাব আৰু পৃথিৱীয়ে ভিক্ষাৰ জুলি লব লাগিব নে কি? আপুনি এই আনন্দ-সুখৰ নদন-বদন কাবেং এৰি বন্ধু-বান্ধৱহীন ঠাইলৈহে গুচি যাব নে কি?"

সিদ্ধাৰ্থই ক'লে—"ইয়াৰ কাৰণেই মই আহিছিলোঁ, সিংহাসনৰ কাৰণে নহয়। মই যি ৰাজ্য বিচাৰি ওলাইছোঁ সেই ৰাজ্য বহুত সাম্ৰাজ্যতকৈও ডাঙৰ। আনা, মোৰ কন্টকক আনি দিয়া।" সাৰথিয়ে আকৌ ক'লে—"মহাসন্মানিত কোঁৱৰ, আপুনি মোৰ প্ৰভু, আপোনাৰ পিতৃ ৰজা শুদ্ধোদনৰ কিমান বেজাৰ হ'ব সেই কথা ভাবিছেনে বাৰু। আপুনি যি সকলৰ আশীৰ্বাদ স্বৰূপ, সেই সকলৰ কিমান মনোকষ্ট হ'ব সেই কথা ভাবি চাইছেনে বাৰু? আপুনি তেখেতসকলৰ প্ৰতি এনে অন্যায় কৰি কেনেকৈ তেখেত-সকলক সহায় কৰিব?"

সিদ্ধাৰ্থই উত্তৰ দিলে—"বন্ধু! নিজ স্বাৰ্থৰ কাৰণে ভালপোৱা, স্নেহ, প্ৰেম অসত্য। কিন্তু মই আজি ওলাইছোঁ তেওঁবিলাকৰ সকলোকে আৰু জগতৰ সকলো প্ৰাণীকে মোৰ নিস্বাৰ্থ প্ৰেমেৰে ৰক্ষা কৰিবলৈহে। যোৱা, মোৰ কন্টকক আনি দিয়া।"

তেতিয়া চন্নই ক'লে—"প্ৰভু, মই আহিছোঁ।" এই বুলি কৈ বেজাৰ মনেৰে অশ্বশালাৰ পিনে গ'ল আৰু কন্টকৰ পিঠিত জিন্ কচি ৰূপৰ চাবুকডাল লৈ কন্টকৰ সৈতে ওলাই আহিল। কন্টকৰ পিঠিত হাত বুলাই মূল্যবান কাপোৰ পাৰি কাৰেঙৰ দুৱাৰ-

মুখলৈ লৈ আহিল। থিয় হৈ কোঁৱৰৰ বৈ আছে। কন্টকে তাৰ প্ৰভু সিদ্ধাৰ্থক দেখা মাত্ৰকে মূৰ দোঁৱাই চিঁ-হিঁ-হিঁ কৰিবলৈ ধৰিলে। কন্টকৰ আনন্দ ধ্বনি আৰু লোহাৰ খুড়াৰ পদধ্বনি নিশ্চয় সকলোৱে শুনিছিল ; কিন্তু দৈৱৰ কৃপাত কোনেও সাৰ নাপালে। সকলো টোপনি-জালত কলা হৈ আছিল। মৰমেৰে সিদ্ধাৰ্থই কন্টকৰ ওখ গলধনটো তললৈ দোঁৱাই আনিলে আৰু হাত বুলাই ক'বলৈ ধৰিলে—"শুভ্ৰবেশী কণ্টক ! তুমি থিৰেৰে থাকা। কোনো অশ্বাৰোহীয়ে আজিলৈকে নোযোৱা যাত্ৰা-পথেদি মোক আজি তুমি লৈ যাব লাগিব। আজি ৰাতি মই তোমাক লৈছোঁ সত্যৰ সন্ধান কৰিবলৈ। মোৰ এই সন্ধান ক'ত অন্ত হ'ব, তাকো মই ক'ব নোৱাৰোঁ। কিন্তু যেতিয়ালৈকে মই সেই সত্য বিচাৰি উলিয়াব নোৱাৰোঁ তেতিয়ালৈকে মই বিচাৰিয়েই থাকিম। সেই কাৰণে আজি ৰাতি তুমি ভয়ঙ্কৰ মূৰ্তি ধৰা। আলিবাটত সহস্ৰ কণ্টক থাকিলেও তুমি আজি অতিক্ৰম কৰি যাব লাগিব। ওখ পকা দেৱাল আৰু লোহাৰ শলখা একোৱেই যেন আমাৰ এই যাত্ৰা-পথত বাধা দিব নোৱাৰে। চোৱা ! মই যেতিয়া তোমাৰ গলধনত হাত দি আজ্ঞা দিম—'কণ্টক' যাত্ৰা কৰা'—তেতিয়া যেন ধুমুহাও তোমাৰ পিচ পৰে। তুমি জুই আৰু বতাহৰ দৰে হৈ পৰা। তুমি আজি তোমাৰ প্ৰভুক পিঠিত লৈ যাব লাগিব। এই মহান কষ্টৰ মহত্বৰ ভাগ তুমিও পাবা। ইয়াৰ দ্বাৰাই জগতৰ কল্যাণ হ'ব। মই অকল মানুহৰ কাৰণেই ওলোৱা নাই। নিমাত হৈ যিবিলাক প্ৰাণীয়ে আমাৰ দুখৰ ভাগ লৈছে আৰু একো সুখৰ আশা নকৰাকৈয়ে মানুহৰ সেৱা কৰিছে—সেই সকলোবিলাকৰ কল্যাণৰ কাৰণেই মই আজি ওলাইছোঁ। সেই কাৰণে এতিয়া তুমি তোমাৰ গৰাকীজনক অসীম সাহসেৰে পিঠিত তুলি লৈ বলা।"



এই বুলি কৈ সিদ্ধাৰ্থই অতি সন্তৰ্পণে আৰু লাহেকৈ কণ্টকৰ পিঠিত উঠিল। কণ্টকৰ গলধনত হাত ফুৰাই এটা চাপৰ মাৰি দিলে। লগে লগে কণ্টক জঁপিয়াই উঠিল আৰু কদমত চুটি মেলিলে। পকা আলিৰ ওপৰেদি বায়ুৰ বেগেৰে যোৱা কণ্টকৰ পদধ্বনিত সেই অনন্ত বিজয় অভিযানৰ ছন্দোময় শব্দ ধ্বনিত দুখময় জগতৰ পৰিত্ৰাণৰ উপায় বিচাৰি ৰাজকোঁৱৰ সিদ্ধাৰ্থই সকলো সম্ভোগ বাসনা অকাতৰে পৰিত্যাগ কৰি কাৰেঙৰপৰা ওলাই গ'ল।

পূব আকাশৰ নিচেই ওচৰতে ভোটা তৰাই পুঁৱতি আকাশত দেখা দিয়ে আৰু পৃথিৱীৰ বুকুৰ ওপৰেদি যেতিয়া পুৱাৰ উশাহে এটি হুমুনিয়াহ এৰে, তেনে সময়তে সিদ্ধাৰ্থই কণ্টকৰ লাগাম টানি ধৰিলে। সিদ্ধাৰ্থ লাহেকৈ ঘোঁৰাৰপৰা নামিল আৰু শুধ শুকুলা কণ্টকৰ মূৰত চুমা এটি খাই ক'বলৈ ধৰিলে—"তুমি আহি যি কাম কৰিলা ইয়াৰ দ্বাৰাই তোমাৰ কল্যাণ হ'ব আৰু লগে লগে জগতৰ সকলো প্ৰাণীৰ কল্যাণ হ'ব। তুমি নিশ্চয়কৈ জানিবা যে মোৰ প্ৰতি তোমাৰ যি স্নেহ সেই স্নেহৰ বাবেই মই তোমাক ভাল পাওঁ। মোৰ প্ৰভু ! মোৰ কণ্টকক আকৌ ঘূৰাই লৈ যোৱা। মোৰ মণি-মুক্তা, ৰাজপোছাক, মোৰ ৰত্নখচিত তৰোৱালৰ খাপ, মোৰ তৰোৱাল, এই সকলোবোৰ তোমাৰ পিঠিত লৈ গৈ ৰজাক দি দিবাগৈ। আৰু ক'বা সিদ্ধাৰ্থই ক্ষমা ভিক্ষা খুজিছে। যেতিয়া মোৰ অকলশৰীয়া অনুসন্ধান আৰু জ্যোতি বিচৰা চেষ্টা সফল হ'ব, তেতিয়া মই এতিয়াতকৈ বেচি শক্তিশালী যুৱৰাজ হৈ উলটি আহিম। যদি মোৰ এই অভিযানত জয় হয়, তেতিয়া গোটেই পৃথিৱীয়েই মোৰ হ'ব—মোৰ প্ৰধান সেৱাৰ দ্বাৰাই। ৰজাক ক'বাগৈ মানুহৰ কাৰণে আশা আছে মানুহত হে। মই এই আশা যি দৰে বিচাৰিছোঁ সেইদৰে এতিয়ালৈকে কেৱে বিচৰা **নাই। মই মোৰ সংসাৰখন** পৰীক্ষা কৰি আহিছোঁ—গোটেই সংসাৰক ৰক্ষা কৰিবৰ কাৰণে।"

## পঞ্চম অধ্যায়

ৰজা বিম্বিসাৰৰ ৰাজধানী ৰাজগৃহৰ চাৰিওপিনে বেৰি থকা পাঁচোটা পৰ্বত আছিল বৈভাৰ, বিপুল্ল, তপোবন, শৈলগিৰি আৰু ৰত্নগিৰি। বৈভাৰ সেউজীয়া ঘাঁহ আৰু খাজুৰ গছেৰে ভৰা। বিপুল্লৰ নামনিয়েদি ক্ষীণ সৰস্বতী নৈ বৈ গৈছে। তপোবন জোপোহা ছাঁ পৰা গছেৰে ভৰা আৰু ফটিক ধাৰ যেন পানীৰ ঝৰণাবোৰ ওপৰৰপৰা বাগৰি বাগৰি পৰিছে। দক্ষিণ পূবত থকা শৈলগিৰিৰ শৃঙ্গটো দেখিবলৈ এটা বহি থকা শগুনৰ দৰে। পূবত থকা ৰত্নগিৰি নানা ৰত্নৰ কাৰণে বিখ্যাত। শিলেৰে বন্ধোৱা একা-বেঁকা খটখটী বাটেৰে সেই পৰ্বতলৈ উঠি যাব লাগে। তাৰ ওপৰতে বনৰীয়া ডিমৰু গছৰ আৰু এটা গুহা। চাৰিওপিনে তাৰ সেউজীয়া পাতৰ আম গছবোৰ আৰু বনৰীয়া ফুলেৰে ভৰা। পথিক! ইয়ালৈ যেয়ে আহা ভৰিৰ পাদুকা সোলোকাই আহিবা আৰু এইখিনি পালে নিশ্চয় মূৰ দোঁৱাবা। কাৰণ, এই বিশাল পৃথিৱীখনত এই ঠাই ফেৰাৰ দৰে পৱিত্ৰ আৰু ইমান প্ৰিয় ঠাই আন কতো নাই। ইয়াতে প্ৰভু বুদ্ধ জহকালি জুই যেন ৰ'দ মূৰত লৈ ধ্যানস্থ হৈ বহি আছিল। ইয়াতে বহি থাকোঁতেই তেওঁৰ মূৰৰ ওপৰেদি জাকে জাকে বাৰিষাৰ বৰষুণ বাগৰি গৈছিল। জগতৰ সকলো প্ৰাণীৰ কল্যাণৰ কাৰণে হালধীয়া কাপোৰ গাত লৈ ভিক্ষাৰ অন্নেৰে প্ৰাণ ধাৰণ কৰি তেওঁ ইয়াতে কঠোৰ সাধনা কৰিছিল। নিশা হ'লে গৃহহীন, অকলশৰীয়া মানুহৰ দৰে খেৰ-বনৰ ওপৰত শুই দীন-দৰিদ্ৰৰ দৰে বাস কৰিছিল।



তেওঁৰ এই গুহাৰ ওচৰে-পাজৰে বাঘ পোৱালী আৰু শিয়ালবোৰে পিংপিঙাই ফুৰিছিল। ইয়াতে সেই জগত-বৰেণ্যজন লঘোনে-ভোকে অপাৰ কষ্ট সহ্য কৰি মৌন হৈ ধ্যানত বাস কৰিছিল। কেতিয়াবা তেওঁ অকলশৰে দিব্য আনন্দত উদ্বুদ্ধ হ'ব খুজিলে এটা দুটা কেৰ্কেটুৱা আহি তেওঁৰ আঁঠুৰ ওপৰেদি লৰি গুচি যায়হি। নীলা কপৌ একোটি উৰি আহি তেওঁৰ কাষতে থকা পাত্ৰটোৰপৰা চাউল দুটামান খাই যায়হি।

ডেই পুৰি নিয়া ৰ'দৰ তাপ তেওঁৰ মূৰৰ ওপৰেদি কেতিয়া পাৰ হৈ গ'ল, কেতিয়া বেলি মাৰ গ'ল আৰু কেতিয়া আকাশৰ তৰা ওলাল, চিন্তামগ্ন সিদ্ধাৰ্থই একোকে গম নাপাইছিল। এইদৰে ধ্যানস্থ হৈ তেওঁ গহীন মাজ নিশালৈকে বহি থাকে। মানুহৰ অজ্ঞানতা আন্ধাৰত ক্ৰোধ, ভয়, ঘৃণা, লোভ আদি ৰিপুবোৰে দেখা দিয়াদি আন্ধাৰ নিশা সেই পৰ্বতীয়া গুহাৰ কাষত আহি নিশাৰ জন্তুবোৰে চিঞৰ-বাখৰ, খোৱা-কামোৰা কৰেহি। ৰাতি গহীন হৈ অহাৰ পাচত খন্তেক পৰলৈ বিশ্ৰাম কৰি আকৌ দোক-মোকালিতে শুই উঠি চিন্তাত মগ্ন হয়। সিমান নিস্তব্ধ হৈ শুই থকা পৃথিৱীখন সতৃষ্ণ নয়নেৰে চাই চাই ইয়াত থকা প্ৰাণীবিলাকৰ কল্যাণৰ উপায় চিন্তাত আকৌ তেওঁ বিভোৰ হৈ পৰে। এইদৰে থাকোঁতে থাকোঁতে ধৰণীক জগাই দিবলৈ অহা পুৱাৰ বতাহ ছাটিয়ে গছ-বনৰ ওপৰেদি মৰমৰ পৰশ দি যায়হি আৰু আকাশত ৰহস্যময় ৰঙা সূৰ্য্যৰ উদয় হয়। আনন্দময় আলোকৰ সাজ পিন্ধি জীৱন আৰু গৌৰৱৰ গৰাকী দিনমণি জিলিকি উঠে।

তেতিয়া প্ৰভু বুদ্ধই ঋষিসকলৰ দৰেই সূৰ্য্যক সম্বৰ্ধনা জনাই স্নান কৰে আৰু হাতত ভিক্ষাৰ জুলি লৈ একা-বেঁকা খটখটীয়েদি নামি নগৰৰ ফালে ওলাই যায়। বাটে বাটে ভিখাৰীৰ দৰে ঘূৰি-পকি তেখেতক লগা সামান্য আহাৰ ভিক্ষা কৰি গোটাই লয়।

অলপ সময়ৰ ভিতৰতে বুদ্ধৰ পাত্ৰ পূৰ্ণ হৈ যায়। নগৰৰ আন আন মানুহবিলাকে চিঞৰি চিঞৰি ক'বলৈ ধৰে—"হে মহাত্মা আমাৰপৰাও কিবা অলপ নিয়ক।" তেখেতৰ দেৱতুল্য চেহেৰা আৰু ধ্যানমগ্ন চকুযুৰি দেখি জুমে জুমে মানুহ আহি তেখেতক বেঢ়ি ধৰেহি। সৰু সৰু লৰা-ছোৱালীবোৰে লৰি আহি তেখেতৰ হালধীয়া পোছাকৰ আগটো টানি ধৰেহি। কোনোৱে গাখীৰ, কোনোৱে পিঠা বা অইন কিবা খোৱা বস্তু আনি দিবলৈ লৰা-ঢাপৰা কৰে। বুদ্ধৰ এই সৌম্য-শান্ত মূৰ্তি দেখি মুগ্ধ হৈ কেতিয়াবা ধুনীয়া ধুনীয়া গাভৰু ছোৱালীবোৰ লৰি আহি তেওঁৰ ওচৰ পায়হি। কিন্তু তেওঁ হাতত সেই ভিক্ষা-পাত্ৰটি লৈ হালধীয়া সাজটোৰে সৈতে প্ৰশান্ত গতিৰে আগবাঢ়ি গৈ থাকে। ভিক্ষাৰ সমল গোটাই লৈ আকৌ তেখেত উলটি সেই পৰ্বতৰ গুহালৈ গুচি যায়। তাত থকা ঋষি-সকলেৰে সৈতে তত্ত্ব আলোচনাত মনোনিৱেশ কৰে।

তাত অনেক প্ৰকাৰ যোগী, ভিক্ষু, ব্ৰহ্মচাৰীয়ে কঠোৰ সাধনা কৰিছিল। তেওঁবিলাকে নিজৰ দেহাটোক অনেক প্ৰকাৰৰ শাস্তি দি আসুৰিক সাধনা কৰিছিল। কোনোজনে দিনে-ৰাতিয়ে ঊৰ্ধ্ববাহু হৈ অনেক দিন একেথৰে থিয় হৈয়েই আছে। এইদৰে থাকোঁতে থাকোঁতে তেজ নাইকিয়া হৈ হাত-ভৰি তেনেই শুকাই গৈছে। মঙহ নাইকিয়া এটা জঁকাৰ দৰে হৈ পৰিছে। কিছুমানে হাতৰ তলুৱাত গজালৰ দৰে জোঙা শলখাবোৰ মাৰি থৈছে। কিছুমানে গজালৰ পাদুকা পিন্ধি খোজ কাঢ়ি ফুৰিছে। কিছুমানে গাৰ মঙহত গছৰ কাঁইটবোৰ সুমাই গোটেই গাটো কাঁইটীয়া কৰি থৈছে। কিছুমানে গাত বোকা আৰু ছাই সানি বহি আছে আৰু কিছুমানে মৰা মানুহৰ গাৰ ফটা-কাপোৰ পিন্ধি আছে। কিছুমানে শ্মশানৰ আধা-পোৰা খৰিবোৰ গোটাই লৈ ধুনি জ্বলাই বহি আছে। মূৰৰ ওপৰত চিলনীবোৰে চিঁ-চিঁয়াইছে। কিছুমানে অনবৰত ইষ্ট দেৱতাৰ



নাম উচ্চাৰণ কৰিয়েই আছে। তাৰ ভিতৰত এজন আছিল, তেওঁ যোগাভ্যাসৰ দ্বাৰা চকুৰে নেদেখা হ'ল, জিভা কোঁচ খাই গ'ল, অঙ্গ-প্ৰত্যঙ্গবোৰ নাইকিয়াৰ দৰে হ'ল। তেওঁৰ দেহাৰ ওপৰত তেওঁ নিজেই কঠোৰ প্ৰতিশোধ লৈ সিদ্ধি লাভৰ আশাত পৰি আছে। প্ৰভু বুদ্ধই দেখি মনত দুখ পালে আৰু তাৰে এজনক সুধিলে—"মহাশয়, অশেষ যন্ত্ৰণা হৈছে। ময়ো এই পৰ্বতত আহি ভালে দিন সত্যৰ সন্ধানত বাস কৰিছোঁহি। দেখিছোঁ ইয়াত মোৰ ভাতৃসকলে অতি কঠোৰভাৱে দেহাক পীড়ন কৰি সাধনা কৰিছে। মই আপোনাক সুধিব পাৰোঁনে, আপোনালোকে এই অপকৰ্ম কিয় কৰিছে? এনেয়ে দুখময় জীৱন তাৰ ওপৰত কিয় ইমান যন্ত্ৰণা ভোগ কৰিছে?" যোগীজনে তেতিয়া উত্তৰ দিলে—"শাস্ত্ৰত লিখা আছে যে যদি মানুহে দেহাৰ মাংসপিণ্ডক যন্ত্ৰণা দি সাধনা কৰিব পাৰে তেন্তে সেই যন্ত্ৰণাৰ দ্বাৰাই তেওঁৰ পাপ প্ৰক্ষালন হ'ব আৰু পাপ মুক্ত হ'ব।"

সিদ্ধাৰ্থই উত্তৰ দিলে—"সচা কথা, আত্মাৰ ঊৰ্ধ্বগতি হ'ব; কিন্তু মহাশয়, যেনেকৈ সাগৰৰ পানী ভাপ হৈ ওপৰলৈ উঠে আৰু আকৌ বৰষুণ হৈ তললৈ পৰে, ঠিক সেইদৰে আত্মাৰো অহা-যোৱা আছেই। যিটো ওপৰলৈ উঠে সেইটো তললৈ সৰি পৰে, আৰু কিনি লোৱা বস্তুবোৰো এদিন শেষ হৈ যায়। আপোনালোকে এই নৰকসদৃশ যন্ত্ৰণাৰ মাজত নিজ জীৱনৰ তেজ দি স্বৰ্গৰ আশী-ৰ্বাদ লৈছে হয়, কিন্তু এই কিনা-বেচাৰ বেপাৰ জানো অন্ত পৰিব? নতুন জন্ম লৈ ইয়াৰ আকৌ আৰম্ভ হ'ব।

বিষাদৰ সুৰত যোগীজনে উত্তৰ দিলে—"আৰম্ভ হ'ব পাৰে, দুখৰ বিষয় আমি এই কথা সঠিকভাৱে নাজানো। কোনো বিষয়তে আমি দৃঢ়ভাৱে একো ক'ব নোৱাৰোঁ। নিশাৰ পাচত দিন আহে। অশান্তিৰ পাচত শান্তি আহে সচা; কিন্তু তথাপি

আমি এই মাংসৰ শৰীৰটো ঘৃণা কৰোঁ। এই শৰীৰটোৱেই আত্মাক বন্দী কৰি থয়। সেই কাৰণে আত্মাৰ মুক্তিৰ হকে আমি এই খন্তেকীয়া জীৱনটো যন্ত্ৰণাৰ মাজত সঁপি দিওঁ। তাৰপৰা আমি বৃহত্তম আনন্দ পাবলৈ আশা কৰোঁ।'' সিদ্ধাৰ্থই ক'লে— ''সেই আনন্দৰো কিন্তু শেষ আছে। এদিন সেই আনন্দ মোলান পৰিব। নহ'লে অইন ক'ৰবাত আৰু এনেকুৱা কিবা জীৱন আছেনে কি যি জীৱনৰ কেতিয়াও পৰিবৰ্তন নহয়। কওক আপোনালোকৰ উপাস্য দেৱতাসকলে অনাদি অসীম কালৰ গতি সহ্য কৰি অচল অটল হৈ থাকেনে?''

যোগীয়ে ক'লে—''নাথাকে। কেৱল পৰম ব্ৰহ্মহে সনাতন। দেৱতাসকল মাথোন সদায় জীয়াই থাকে।''

তেতিয়া বুদ্ধই ক'লে—''আপুনি এজন প্ৰজ্ঞাৱান জ্ঞানী লোক হৈ, আপোনাৰ বিষাদ যন্ত্ৰণাৰ পাশতি লৈ এইদৰে আপোনাৰ কাম্য মুক্তিৰ কাৰণে খেলা খেলিয়েই থাকিবনে? হয়তো আপুনি বিচৰা যুক্তিটো তেনেই আপোনাৰ কল্পনাও হ'ব পাৰে। এই কল্পিত সুখৰো অন্ত আছে। আপুনি আত্মাক ভাল পায়; সেই বাবেই আপুনি আপোনাৰ মাংসৰ শৰীৰটোক এনেদৰে নিৰ্য্যাতন দিবনে? বিষাদমগ্ন যোগী আপুনি, এই দেহৰূপী সুন্দৰ ঘৰটো এইদৰে ভাঙি চূৰমাৰ কৰিবনে? আমাৰ দুখময় অতীতৰ দ্বাৰাই আমি এই ঘৰত বাস কৰিবলৈ আহোঁ। এই দেহাৰ যোগেদিয়েই আমি যৎসামান্য পোহৰ পাওঁ, আৰু এই পোহৰৰপৰাই আমি দূৰণিলৈ চাই কেতিয়া আন্ধাৰ দূৰ হৈ ৰাতি পুৱাব সেই কথা নিৰীক্ষণ কৰিব পাৰোঁ। তেনে স্থলত এই দেহাক এইদৰে নিৰ্য্যাতন দিয়াৰ লাভ কি?''

তেতিয়া যোগীসকলে একবাক্যে ক'বলৈ ধৰিলে—''আমি এইটোকে মুক্তিৰ পথ বুলি গ্ৰহণ কৰিছোঁ। কওক, আপুনি যদি ইয়াতকৈও কিবা ভাল পথৰ কথা জানে তেন্তে কওক। যদি নাজানে তেন্তে আপুনি নিজ পথেদি গৈ থাকক''। অতি বেজাৰ মনেৰে সিদ্ধাৰ্থ নিজ পথেদি গুচি গ'ল। এই যোগীবিলাকে আপোন আপোন দেহাক এনে অত্যাচাৰ কৰি নৰক যন্ত্ৰণা ভোগ কৰাৰ পাচত আত্মাৰ মুক্তিত বিশ্বাস কৰাৰ কথাই সিদ্ধাৰ্থক বিষাদিত কৰিলে। সিদ্ধাৰ্থই নিজে নিজে ক'লে—''হেৰা বনৰীয়া ফুলবোৰ, তোমালোকেও সূৰ্য্যৰ পোহৰত আনন্দ পাই কৃতজ্ঞতাৰ চিনস্বৰূপ আপোন হিয়াৰ সুগন্ধ বিলাই দিছা। তোমালোকেও তোমালোকৰ এই ক্ষুদ্ৰ খন্তেকীয়া জীৱনৰ পৰিপূৰ্ণতা হেৰাই যাবলৈ দিয়া নাই। নিজৰ সৌন্দৰ্য্যও ক্ষুণ্ণ কৰা নাই। হেৰা তাল গছবোৰ, তোমালোকে আগ্ৰহেৰে আকাশমুৱা হৈ বাঢ়ি গৈ মলয়াৰ মৃদু পৰশ পান কৰিছা। তোমালোকে সৃষ্টিৰ কি গোপন ৰহস্য জানি ইমান সন্তোষ প্ৰকাশ কৰিছা? কিহৰ আনন্দত তোমালোকৰ চৰাইৰ পাখী যেন পাতৰ যোগেদি গীতৰ ধ্বনিৰে সন্‌সননি তুলিছা? আৰু গছৰ ডালত পৰি থকা ভাটো, মৌ-পিয়া, বুলবুল, কপৌ আদি চৰাইবিলাক, তোমলোকেও তোমালোকৰ জীৱনটোক ঘিণ কৰা নাই; কিন্তু যি মানুহে তোমালোকক বধ কৰে, যি মানুহৰ তেজত জ্ঞানৰ সোঁত বয়, সেই মানুহে কিয় নিজ দেহাক এনে শাস্তি দিছে?''

এনেতে পৰ্বতৰপৰা নামনিলৈ এপাল ৰগা ছাগলী আৰু ক'লা ভেঁৰা খেদাই নিয়া দেখিলে। ইফালে সিফালে আঁতৰি যোৱা ছাগলীবোৰক ৰখীয়াহঁতে দীঘল লেকেচিৰে খুব কোবাই কোবাই বাটে বাটে যাবলৈ ডবিয়াই গৈছে। তাৰে এটা ছাগলী পোৱালীৰ ভৰিত আঘাত লাগি তেজেৰে ৰাঙলী হৈ গৈছে। সেই বাবে প্ৰভু বুদ্ধ ওচৰ চাপি গ'ল আৰু তাইক কোলাত তুলি লৈ ক'বলৈ ধৰিলে—''শান্তি লাভ কৰা, মই তোমাৰ যত্ন ল'ম। যন্ত্ৰণা পোৱা এই পশুটিক শান্তি দি জগতৰ দুখৰাশি নিৰীক্ষণ কৰিবলৈ

মই অপাৰ প্ৰেৰণা পাম।" এই বুলি তেওঁ সেই ৰখীয়াহঁতক ক'লে—"বন্ধুসকল! তোমালোকে ভৰ দুপৰীয়া ইমান ৰ'দৰ তাপত ইহঁতক নামনিলৈ খেদি নিছা কিয়? গধূলি হৈ আহিলেহে গৰু-ছাগলী ঘৰমুৱাকৈ খেদি নিব লাগে।" তেতিয়া সিহঁতে উত্তৰ দিলে—"আমাক ৰজাঘৰৰপৰা এশটা বলিৰ পাঠা ছাগলী আৰু এশ ভেঁৰা গোটাই নিবলৈ পঠাইছে। আজি ৰাতি আমাৰ ৰজাই পূজাত ইয়াৰপৰা বাছি বাছি বলি দিব।" তেতিয়া সিদ্ধাৰ্থই ক'লে—"তেন্তে ময়ো যাম।" এই বুলি সেই ছগলী পোৱালীটো কোলাত লৈ তেওঁ পিচ ল'লে।

যেতিয়া সেই ছাগলীজাকে সৈতে তেওঁবিলাকে গৈ এখন নৈৰ পাৰ পালেগৈ, কপৌ চৰাইৰ নিচিনা চকুৰে সৈতে এজনী তিৰোতা মানুহ আহি হাতযোৰকৈ বুদ্ধক প্ৰণাম জনালে আৰু মূৰ দোঁৱাই ক'বলৈ ধৰিলে—

"প্ৰভু, কালি আপুনি সেই পৰ্বতৰ ওপৰত থকা ডিমৰু গছ-জোপাৰ আঁৰত বহি থাকোঁতে মই মোৰ ল'ৰাটি কোলাত লৈ সেৱা জনাবলৈ গৈছিলোঁ। আপুনি আমাৰ প্ৰতি অশেষ দয়া দেখুৱালে। ফুল গছৰ আঁৰত খেলি থাকোঁতে তাক এটা সাপে খুঁটিলে। খন্তেকৰ পিচতে সি শেঁতা পৰি গ'ল আৰু ঠেৰেঙা লাগিল। মানুহে ক'বলৈ ধৰিলে যে সি মৰিব। মই মোৰ সেই মাণিক ৰতনটি কেনেকৈ মৰিবলৈ দিম প্ৰভু? মই তাৰ ঔষধ বিচাৰি ঘূৰি ফুৰিছোঁ। এজনে ক'লে—'সৌ পৰ্বতৰ ওপৰত এজন পুণ্যৱান তপস্বী আছে, গাত হালধীয়া পোছাক, সেই ঋষিয়েই তোমাৰ ল'ৰা জীয়াব পাৰিব।' এই কথাত মই কঁপি কঁপি আপোনাৰ কাষলৈ গৈছিলোঁ। প্ৰভু ঈশ্বৰ! মোৰ ল'ৰাটি জীয়াই দিয়ক। এই বুলি অপাৰ মিনতি কৰিলোঁ। আপুনি মোক কৈছিল বোলে, এনে এঘৰ মানুহৰপৰা এতোলা ক'লা সৰিয়হ গোটাই আনা যি ঘৰত কাহানিও কেতিয়াও



কোনো মানুহ মৰা নাই। মই তোমাৰ ল'ৰা জীয়াই দিম।"

তেতিয়া গৰাকীয়ে হাঁহি এটি মাৰি ক'লে— "হয়, কালি মই তোমাক সেই কথা কৈছিলোঁ। পিছে তুমি জানো ক'লা সৰিয়হ গোটাব পাৰিলা?"

প্ৰভু! মই বুকুত মৰা ল'ৰাটি লৈ ঘৰে ঘৰে ফুৰিলোঁ। প্ৰত্যেক ঘৰতে একে কথাকে শুনিলোঁ—প্ৰত্যেক ঘৰতে মানুহ মৰিছেই। সেই কাৰণে মই মোৰ সেই শেঁতা পৰা ঠৰঙা ল'ৰাটো নৈৰ কাষৰ হাবিত পেলাই থৈ গুচি আহিলোঁ। প্ৰভু! এতিয়া মোক কওক, ক'ত মই সেই সৰিয়হ মঠি পাম, আৰু মোৰ ল'ৰাটো জীয়াব পাৰিম।"

গৰাকীয়ে তেতিয়া ক'লে—"ভনী! মই তোমাক যিটো তিক্ত মহৌষধ দিম বুলিছিলোঁ আৰু যিটো আন কেৱে পোৱা নাই তুমি সেইটো পালাই দেখোন। তুমি প্ৰাণেৰে ভাল পোৱা তোমাৰ ল'ৰাটি কালিয়েই মোৰ কোলাতে মৰিল। আজি তুমি বুজি পালা যে, এই বিশাল পৃথিৱীখনেই তোমাৰ দৰে বেজাৰত কান্দিব লাগিছে। বহুত মানুহৰ হিয়াই যিটো শোকৰ সমানে ভাগ লয়, সেই শোক এজনৰ কাৰণে পাতল হৈ পৰে। চোৱা ভনী! প্ৰয়োজন হোৱা হ'লে, তোমাৰ চকুৰ পানী ৰোধ কৰিবলৈ আৰু অভিশাপ স্বৰূপ মৃত্যুৰ ৰহস্য ভেদ কৰিবলৈ মই মোৰ গাৰ তেজ দিও তোমাক সহায় কৰিলোঁহেঁতেন। এই মৰণৰ অভিশাপেই আমাৰ জীৱনৰ সোৱাদ তিক্ততাত পৰিণত কৰিছে॥ এই ছাগলীজাকক বলিশাললৈ নিয়াদি সেই মৃত্যুৰ অভিশাপেই মৰণৰ মুখলৈ প্ৰাণীবিলাকক লৈ যায়। মই সেই মৃত্যুৰ গোপন ৰহস্য বিচাৰিছোঁ। যোৱা ভনী, তুমি তোমাৰ ল'ৰাটি মাটিত পুতি থোৱাগৈ।"

এইদৰে সেই মানুহজনীক বিদায় দি সিদ্ধাৰ্থও সেই ছাগলীজাকৰ পিচে পিচে গৈ নগৰত সোমালগৈ। তেতিয়া নগৰৰ

কাষত থকা সোণ নামে নৈখনৰ দূৰ সোঁতত মাৰ যাব খোজা গছ-গছনিৰ ছাঁবোৰ বৰ দীঘল দীঘল হৈ পৰিছে। এনে সময়তে ছাগলী ৰখীয়াৰ সৈতে, কোলাত ছাগলীজনী লৈ প্ৰভু বুদ্ধ আহি ৰাজটোলৰ দুৱাৰমুখত উপস্থিত হ'লহি। দুৱৰীবিলাকে বুদ্ধক দেখি পিচ হুঁহকি গৈ থিয় দিলে। হাট-বজাৰৰ মানুহবোৰ থমকি ৰ'ল। সেই দেৱতুল্য মুখৰ পিনে চাবৰ কাৰণে ব্যগ্ৰ হৈ সকলো নিমাত হ'ল। দুৱাৰমুখত থিয় হৈ মাইকী মানুহবিলাকে ইগৰাকীয়ে সিগৰাকীক সুধিছে—"বলিৰ ছাগলী লৈ অহা এইজন কোন? এনে গভীৰ প্ৰশান্ত মূৰ্তি? তেখেতক দেখা মাত্ৰকে মনটো শাঁত পৰা যেন লাগিছে। তেখেতৰ কুল কি? তেখেতৰ চকুকেইটা কেনে মধুৰ শান্ত।" ধ্যানত আত্মহাৰা হৈ এখোজ, দোখোজকৈ প্ৰভু গৈয়েই আছে। একোলৈকে ভ্ৰূক্ষেপ কৰা নাই। যাওঁতে যাওঁতে ভাবিছে—"দেহি ঐ! বলিশালৰ অস্ত্ৰৰ মুখলৈ যোৱা ছাগলীজাকৰ দৰেই পৃথিৱীৰ এই নিমাখিত আৰু ৰখীয়া নাইকিয়া প্ৰাণীবিলাকো মৃত্যুৰ মুখলৈ গৈ আছে।"

কোনোবা এজনে গৈ ৰজাক বাতৰি দিলেগৈ—"আজি ৰাতি আপোনাৰ পূজাত বলি দিবলৈ এপাল ছাগলী আৰু এজন পুণ্যৱান ঋষি আহিছে।"

পূজা-মণ্ডপত ৰজা থিয় হৈ আৰু তেওঁৰ এহাতে বগা কাপোৰ পিন্ধা পূজাৰী ব্ৰাহ্মণসকলে মন্ত্ৰ উচ্চাৰণ কৰি কুণ্ডত প্ৰজ্বলিত হৈ থকা অগ্নিত আহুতি দি আছে। অগৰু, চন্দন আদি সুগন্ধি কাঠৰ উজ্জ্বল অগ্নি-শিখাৰ জিভা লক্‌লক্‌কৈ উঠিছে, তাতে পুৰোহিত-সকলে ঘিউ, সুগন্ধি দ্ৰব্য আৰু সোম-ৰসৰ আহুতি দি ইন্দ্ৰৰ তৃপ্তি কামনা কৰিছে। সেই কুণ্ডৰ চাৰিওফালে বলিৰ ছাগলীবোৰৰ কেঁচা তেজৰ ডক্‌ডকীয়া সোঁত এটা বৈ গৈছে। এনেতে বলি-শালত এটা ফুটুকা-ফুটুকী নিপোটল আৰু দীঘল শিঙেৰে সৈতে



ছাগলী সুমাই দিছে আৰু আন এজনে হেঁচা মৰি ধৰি কৈছে—"দীঘল শিং দুটাৰ সৈতে এই ছাগলীটো ৰজা বিম্বিসাৰৰ মুকুটটোৰ দৰে। ৰজাৰ সকলো পাপ এই বলিৰ গাতে যাওক। অগ্নি-দেৱতাই সকলো পাপ পুৰি শেষ কৰক। এতিয়া মই ৰজাৰ মঙ্গলৰ অৰ্থে এই বলি দিওঁ।" এই বুলি খড়গ দাঙি ল'লে।

এনেতে বৰ মিহি মাতেৰে বুদ্ধই ক'লে—"হে মহাৰাজ! এই ছাগলীটোক ঘাপ মাৰিবলৈ নিদিব।" এই কথা উচ্চাৰিত হোৱাৰ লগে লগে বলি-কটীয়াৰ হাতৰ খড়গ সুলকি পৰিল। ক্ষমা প্ৰাৰ্থনা খুজি বুদ্ধই ক'লে যে, প্ৰাণ যেয়ে সেয়ে ল'ব পাৰে; কিন্তু কোনেও প্ৰাণ দিব নোৱাৰে। সকলো প্ৰাণীয়েই নিজৰ জীৱনটো ভাল পায়, আৰু ৰক্ষা কৰিবলৈ অশেষ চেষ্টা কৰে। প্ৰত্যেকৰ কাৰণেই জীৱনটো আশ্চৰ্য্যজনক, মৰমৰ আৰু হেঁপাহৰ ধন। আনকি অতি নিকৃষ্ট প্ৰাণীটোৱেও নিজৰ জীৱনটো সেইদৰেই ভাল পায়। য'তে দয়া আছে ত'তেই আশীৰ্বাদ আছে। দয়াই এই পৃথিৱীখন দুৰ্বলৰ কাৰণে কোমল আৰু বলৱন্তৰ কাৰণে মহান কৰি তোলে। সেই ছাগলীজাকৰ হৈ কথা কওঁতে বুদ্ধই তেওঁবিলাকক ক'বলৈ ধৰিলে—"দয়া ভিক্ষা খুজি যি মানুহে দেৱতাক প্ৰাৰ্থনা কৰে, সেই মানুহ নিজে কেনেকৈ নিৰ্দয় হয়? প্ৰকৃতপক্ষে সকলো মানুহ পৰস্পৰৰ লগত জড়িত হৈ আছে আৰু পৰস্পৰৰ আপোন। পূজাত যিবোৰ ছাগলী বা ভেঁৰা বলি দিয়া হয়, সেই ছাগলীৰ আমি গাখীৰ খাওঁ। ভেঁৰাৰ নোমেৰে কাপোৰ তৈয়াৰ কৰি লওঁ। ধৰ্ম শাস্ত্ৰই আমাক শিকাইছে যে মানৱ আত্মাই এই দেহা এৰি নিজ কৰ্ম অনুসৰি কেৱে চৰাই, কেৱে পশু আৰু কেৱে কেৱে আকৌ নৱ-জন্ম লাভ কৰে। আত্মাৰ নিৰ্দিষ্ট ভ্ৰমণ ৰোধ কৰিবলৈ বলি-দান তেনেই অসমৰ্থ। বলি-দান এটা পাপ। তেজেৰে কোনেও আত্মাক প্ৰক্ষালন কৰিব নোৱাৰে, নাইবা দেৱতাকো তুষ্ট কৰিব

নোৱাৰে। এই পৃথিৱীত কৰা সকলো ভুল কামৰ বাবে প্ৰথমেই এদিন উপযুক্ত 'কৈফিয়ৎ' দিব লাগিব। এই বিশ্ব জগতখন পৰিচালনাৰ মূলত গণিতশাস্ত্ৰৰ অঙ্কৰ দৰে এটা নিৰ্দিষ্ট ফল লিখা আছে। কৰ্ম, বাক্য আৰু চিন্তাৰ ভাল-বেয়া অনুসৰি ফলাফল ভাল-বেয়া হয়। ভালেৰে ভালক পায়। অসৎ কৰ্মৰ ফল অসৎ হ'বই। যেনে কৰ্ম তেনে ফল—এইটো ধ্ৰুৱ সত্য। আমাৰ ভৱিষ্যৎ কালটো অতীত কৰ্মৰ ফল।''

বুদ্ধৰ এই বাণী শুনি পূজাৰীসকলে বলিৰ তেজেৰে ৰাঙলী গাৰ সাজবোৰ ঢাকিবলৈ ধৰিলে আৰু ৰজা বিম্বিসাৰ ওচৰলৈ আহি হাত-যোৰকৈ বুদ্ধৰ মুখৰ ফালে চাই থিয় হৈ ৰ'লহি। বুদ্ধই তেওঁৰ অমৰ বাণীৰে আকৌ শিক্ষা দিবলৈ ধৰিলে—''সকলো জীৱ যদি বন্ধুত্বৰ এডাল জৰীৰে বান্ধ খাই থাকিব পৰা হ'লহেঁতেন তেন্তে এই পৃথিৱীখন কিমান সুন্দৰ হ'লহেতেন! আটাইবিলাক প্ৰাণীয়ে যদি কোনেও কাকো হিংসা নকৰাকৈ, কাৰো ৰক্তপাত নকৰাকৈ গছৰ ফল-মূল বিবিধ শস্য আদি খাই জীৱন ধাৰণ কৰিলেহেঁতেন, পৃথিৱীখন কেনে শান্তিপূৰ্ণ হ'লহেঁতেন!''

উপস্থিত সকলোৱেই এই বাণী শুনি মুগ্ধ হ'ল। কুণ্ডৰ জুই নুমাই দিলে আৰু বলি-শাল সোলোকাই পেলাই দিলে। ৰজা বিম্বিসাৰে পিচ দিনা নগৰত ঢোল পিটি ঘোষণা কৰাই দিলে—দেৱতাৰ পূজাৰ কাৰণেও পশু হত্যা কৰা ৰীতি এই ৰাজ্যত বন্ধ হ'ল। আজিৰপৰা কোনেও কোনো পশুৰ ৰক্তপাত কৰিব নোৱাৰিব। আজিৰপৰা মাংস ভোজন নিষিদ্ধ কৰা হ'ল। এতিয়া আমাৰ জ্ঞান-চকু মুকলি হৈছে আৰু আমি জানিব পাৰিছোঁ সকলোৰে জীৱন একেই। দয়া কৰোঁতালৈহে দয়া আহে। এই ৰাজ-আজ্ঞা শিলৰ ফলিত কাটি ৰাজ্যৰ কেউফালে প্ৰচাৰ কৰা হ'ল। সেই দিন ধৰি তাত সকলো জীৱই শান্তিত বাস কৰিব পৰা হ'ল। মানুহ-পশু আৰু চৰাই-চিৰিকতি আদি কৰি গঙ্গাৰ পাৰৰ সেই অঞ্চলটোত সকলো জীৱৰ এটা মিলন ঘটিল।



সকলো জীৱনৰ প্ৰতি গৌতমৰ হিয়াত অসীম দয়া আছিল। তেখেতে ভাবিছিল এই পৃথিৱীৰ সুখ-দুখৰ সমানে ভাগী হৈ সকলো জীৱ মিলেৰে থাকিব পৰাটোৱেই পৰম শান্তি। বুদ্ধৰ এই অহিংসাৰ মহা-বাণীত মুগ্ধ হৈ ৰজা বিম্বিসাৰে বুদ্ধক তেওঁৰ ৰাজ্যত বাস কৰিবলৈ প্ৰাৰ্থনা জনালে। বিনয়ভাৱে ক'লে—''ৰাজ—কোঁৱৰৰ দৰে কোমল শৰীৰত আপুনি ব্ৰত উপবাস সহ্যকৰা আপোনাৰ পক্ষে কঠিন হ'ব। আপোনাৰ হাত দুটি ৰাজ-দণ্ডৰ কাৰণেহে প্ৰশস্ত, ভিক্ষাৰ পাত্ৰ ল'বলৈ নহয়। মোৰ পিচত এই ৰাজ্য শাসন কৰিবলৈ মোৰ পুত্ৰ নাই; আপুনি ইয়াতে থিত লওক আৰু মই নমৰালৈকে মোৰ ৰাজ্যত জ্ঞানৰ শিক্ষা দিয়ক। মোৰ কাৰেঙত আপুনি বাস কৰক আৰু এটি সুন্দৰী কন্যাৰ পাণি গ্ৰহণ কৰক।''

স্থিৰ মনৰ সিদ্ধাৰ্থই তেতিয়া ক'লে—''হে ভদ্ৰ! আপুনি উল্লেখ কৰা এই সকলোবোৰেই মোৰ আছিল। মই সত্যৰ অন্বেষণ কৰি সেই আটাইবোৰ, আপোন ইচ্ছাৰে এৰি থৈ আহিছোঁ। মই এতিয়াও সেই সত্য বিচাৰিয়েই আছোঁ আৰু যেতিয়ালৈকে নাপাওঁ বিচাৰি থাকিম। আপোনাৰ ৰাজকাৰেঙৰ মণি-মুক্তাৰে সজা দুৱাৰ মুকলি কৰি দেৱীতুল্য ৰমণীৰ সঙ্গ যাচিলেও মই ৰ'ব নোৱাৰোঁ। মই নীতি-জ্ঞানৰ ৰাজ্য এখন গঢ়িবলৈ ওলাইছোঁ। অৰণ্যৰ অন্ধকাৰৰ মাজে মাজে মই গয়ালৈকে যাম। মই আশা কৰোঁ তাতে মই বিচৰা জ্যোতি পাম। আপোনাৰ ৰাজ্যৰ সমীপত থকা এই ৰত্নগিৰি পৰ্বতত যিমানবিলাক যোগী ঋষি লগ পালোঁ, তেখেতসকলৰ কেৱে মোক সেই জ্যোতিৰ সন্ধান দিব নোৱাৰিলে আৰু শাস্ত্ৰৰ পৰাও নাপালোঁ। ব্ৰত উপবাস কৰি দেহা ক্ষয় হোৱাকৈ কৰা যোগ-সাধনাৰপৰাও একো সন্ধান পাব

নোৱাৰি। হে বন্ধু! যদি মই সেই সত্য, সেই জ্যোতি লাভ কৰিব পাৰোঁ তেন্তে মই উলটি আহি আপোনাৰ স্নেহৰ ঋণ শুজিম।''

এই বাণী শুনি ৰজা বিম্বিসাৰে বুদ্ধক তিনি বেলি প্ৰদক্ষিণ কৰি সম্ভ্ৰমেৰে তেওঁৰ চৰণৰ ফালে মূৰ দোঁৱালে আৰু সাদৰেৰে বিদায় দিলে।

তাৰপৰা প্ৰভু বুদ্ধ উৰুবিল্বৰ ফালে উলটিল। তেতিয়াও তেখেতৰ শান্তি অহা নাই। ছবছৰ কঠোৰ সাধনাত দুৰ্বল হৈ গৈছে। সেই পৰ্বতৰ ওপৰত থকা পাঁচজন তপস্বীয়ে তেওঁক বহুত কথা কৈ অলপ পৰ ৰাখিলে। তেখেতসকলে বুদ্ধক ক'লে- ''পৱিত্ৰ ধৰ্ম শাস্ত্ৰত সকলো কথা স্পষ্টভাৱে লিখা আছে। কোনো যোগী-ঋষিয়েই শ্ৰুতি আৰু স্মৃতিক অতিক্ৰম কৰি যাব নোৱাৰে। জ্ঞান কাণ্ডত কোৱা আছে যে ব্ৰহ্মৰ কোনো ৰূপ নাই, নিৰ্গুণ, নিৰ্বিকাৰ, শান্ত, পৰিবৰ্তনহীন, পৱিত্ৰ আৰু আনন্দময়। মৰণশীল মানুহ ইয়াতকৈও অধিক জ্ঞানী হ'ব কেনেকৈ? কৰ্মকাণ্ডই শিকাইছে—কেনেকৈ মানুহে লোভ, মোহ ত্যাগ কৰি ফলাকাঙ্ক্ষা বিবৰ্জিত হ'ব পাৰে, কেনেকৈ মোহৰ পাশ চিঙিব পাৰে আৰু কেনেকৈ মায়াৰপৰা মুক্ত হৈ ঈশ্বৰত্ব লাভ কৰিব পাৰে—বিৰাট পৰমাত্মাত আপোন সত্তা বিলীন কৰি দিব পাৰে। কেনেকৈ অসত্যৰপৰা সত্যলৈ আৰু ইন্দ্ৰিয়সমূহৰ লগত হৈ থকা যুদ্ধৰপৰা অনন্ত শান্তি—য'ত অনাদি অসীম নিস্তব্ধতা বিৰাজ কৰিছে—তালৈ যাব পাৰে?''

সিদ্ধাৰ্থই এই সকলো কথা শুনিলে কিন্তু তেখেতৰ প্ৰাণলৈ তেতিয়াও শান্তি অহা নাই।

## ষষ্ঠ অধ্যায়

অৱশেষত যি ঠাইত বিজুলী চমকৰ দৰে অমৰ জ্যোতি আহি সিদ্ধাৰ্থৰ হিয়াত দেখা দিলে, এতিয়া সেই ঠাইৰ কথা কোৱা হওক!

গঙ্গাৰ পাৰে পাৰে গৈ সেইজীয়া পৰ্বতমালাৰ মাজেদি ওলাই অহা দুখন সৰু নৈ—এখনৰ নাম নৈৰঞ্জনা আৰু আনখনৰ নাম মোহনা। সেই নৈ দুখনৰ লগে লগে গৈ থাকিলে বহল পাতেৰে সৈতে মহুৱা গছৰ ডাঠ হাবিবোৰ পোৱা হয়। সেই নৈ দুখন গৈ ফল্গু নৈৰ বুকুত মাৰ গৈছে। ফল্গু বৈ গৈ গয়া পাইছেগৈ। সেইপিনে গৈ থাকোঁতে কাঁইটীয়া আৰু বৰ টান শিলৰ ভগা টুকুৰাৰে ভৰা এখন বৰ মুকলি ঠাই পায়। পুৰণি কালত সেই ঠাইৰ নাম আছিল উৰুবিল্ব, দাঁতিত এখন ডাঙৰ হাবি। মাজত নীলা বগা পদুমেৰে উপচি থকা এখন বিল। সেই বিলত অপাৰ মাছ-কাছ। ইয়াৰ ওপৰতে সোণালী নামে এখন গাঁও। খেৰ-বাঁহৰ ঘৰ আৰু তাল গছবোৰেৰে শুৱনী সেই গাঁওখনত খেতি পথাৰ কৰি খোৱা সৰল-চিতীয়া হোজা মানুহবিলাক বৰ শান্তিত বাস কৰিছিল।

গয়াৰ ফালে গৈ থাকোঁতে যেতিয়া সেই হাবিতলীয়া নিস্তব্ধতা-পূৰ্ণ উৰুবিল্ব পালেগৈ, প্ৰভু বুদ্ধই তাত আশ্ৰয় ল'লে। প্ৰশান্ত ভাৱে সেই ঠাইত ধ্যানস্থ হ'ল। জীৱন-মৰণ আদি সকলোৰে উত্তৰ বিচাৰি তেখেতে ধ্যানত আত্মহাৰা হ'ল। সেই অৰণ্যত বহি ধ্যান কৰি থাকোঁতে থাকোঁতে তেখেতে কেতিয়াবা খাবলৈও পাহৰি গৈছিল আৰু ভিক্ষাৰ পাত্ৰও সেইদৰে শুদা হৈ আছিল। মূৰৰ ওপৰত থকা গছৰপৰা বান্দৰে ডাল জোকাৰি সৰাই দিয়া বা চৰায়ে

খাই পেলাই দিয়া বনবীয়া ফল মুখৰ আগত যিহকে পৰিছিল তাকে খাবলৈ লৈছিল। এইদৰে উপযুক্ত আহাৰৰ অভাৱত তেখেতৰ দেহৰ লাৱণ্য লাহে লাহে মোলান পৰি আহিল। তেখেতৰ শৰীৰত থকা বত্ৰিশটা দৈৱিক চিনো লাহে লাহে মাৰ যাবলৈ ধৰিলে। সুকোমল কলেৱৰৰ ৰাজকোঁৱৰ সিদ্ধাৰ্থ—যিজন এদিন এপাহি পদুম ফুলৰ দৰে মনোহৰ হৈ আছিল—আজি শুকাই মৰহি যোৱা গছ-পাতবিলাকৰ দৰে হৈ পৰিল।

এনে সময়তে এদিন শৰীৰৰ সকলো শক্তি ক্ষয় হোৱা সিদ্ধাৰ্থ মূৰ্চ্ছা গৈ, ধ্যানস্থ অৱস্থাতে মাটিত বাগৰি পৰিল। তেখেত মৃত-প্ৰায় হ'ল; শ্বাস-প্ৰশ্বাস প্ৰায় বন্ধ, তেজৰ সোঁতত আৰু গোটেই গাত একো সাৰ-সিৰ্কতি নাই। এনেতে সেইপিনেদি এটা গৰখীয়া ল'ৰা আহিল। দুপৰীয়া জুই যেন ৰ'দৰ তাপত মৰা মানুহৰ দৰে লুটি খোৱা চকুৰে পৰি থকা সিদ্ধাৰ্থক দেখি সি লৰালৰিকৈ ওচৰৰ হাবিৰপৰা কিছুমান জামু গছৰ ডাল ভাঙি আনি সেই পৱিত্ৰ মুখ-খনিত ছাঁ পৰাকৈ চাৰিওপিনে ডালবোৰ গুঁজি দিলেহি। তাৰ মাইকী ছাগলীজনীৰ ওহাৰখন চেপি সিদ্ধাৰ্থৰ মুখত গৰম গাখীৰ অলপ বাকি দিলে।

মৃগয়ালৈ যোৱা নৃপতিসকলৰ কাৰণে অৰণ্যত যেনেকৈ চিত্ৰ-বিচিত্ৰ কাপোৰৰ শিবিৰ সজা হয় ঠিক সেইদৰেই শোভা পাইছিল গৰখীয়া লৰাটিয়ে সাজি দিয়া জামু ডালবোৰৰ জোপাটো। গৰখীয়া ল'ৰাটোৱে তেখেতক কোনোবা দেৱতা বুলি ভাবি কাষতে বহি প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। প্ৰভুৱে এনেতে উশাহ পালে। লাহে লাহে পোন হৈ বহিল আৰু গৰখীয়া ল'ৰাটিক অলপ গাখীৰ খুজিলে। ল'ৰাটিয়ে তেতিয়া ক'লে—"হে প্ৰভু! মই আপোনাক এই ঘটীৰ গাখীৰ দিব নোৱাৰোঁ। মই জাতত শূদ্ৰ।" বিশ্ববৰেণ্য বুদ্ধই উত্তৰ দিলে—"পুতৌ! মই সকলো প্ৰাণীকে আপোন ভাব কৰোঁ। মানুহৰ তেজত একো জাত নাই; সকলোৰে তেজ একে ৰঙৰ। চকুৰ পানীতো জাত নাই। সকলোৰে চকুলো এটোপ এটোপকৈয়ে পৰে। কোনো মানুহেই উপজি আহোঁতেই কপালত তিলক লৈ বা গাত যজ্ঞ-সূত্ৰ লৈ অহা নাই। যি সৎ কৰ্ম কৰে তেৱেঁই দ্বিজ আৰু যি অসৎ কৰ্ম কৰে তেৱেঁই চণ্ডাল। ভাইটি! মোক তোমাৰ ঘটীৰ গাখীৰ দিয়া, মই পান কৰোঁ। ইয়াৰপৰা তোমাৰ কল্যাণ হ'ব।" এই কথা শুনি গৰখীয়া ল'ৰাটিৰ অপাৰ আনন্দ হ'ল আৰু গাখীৰ দিলে।



আকৌ অইন এদিন সেই বাটেদি জলমলীয়া পোছাক পিন্ধা এজাক নাচনী ছোৱালী গৈছিল। সিহঁত সেই নগৰৰ ইন্দ্ৰৰ মন্দিৰত নৃত্য কৰা ছোৱালী। সিহঁতৰ লগত গৈছিল বাদ্য-যন্ত্ৰ বজোৱা বায়নসকল। এজনৰ হাতত ম'ৰা পাখি লগোৱা এটা ঢোল, এজনৰ হাতত এটা কলীয়া পেঁপা আৰু আন এজনৰ হাতত তিনিডাল তাঁৰ থকা এখন চেতাৰ। তেওঁবিলাকে মৃদু মৃদুকৈ বাজনা বজাই গৈছে আৰু নাচনীহঁতৰ ভৰিৰ নূপুৰ ৰুণুক জুণুককৈ বাজি গৈছে। চেতাৰ লোৱাজনে তাঁৰত ঝঙ্কাৰ দিছে আৰু তেওঁৰ ওচৰতে যোৱাজনীয়ে গাইছে,—

"মিঠা কৈ সুৰেৰে তাঁৰ জোকাৰিবি
চিমা নকৰিবি চৰাতো নিদিবি
যাবি মাজে মাজে ঐ!

সেইহেন সুৰতে আমি নাচি নাচি
জিনি যাম মানুহৰ হিয়া—
থমকি থমকি বৈ।

খৰকৈ বজালে তাঁৰ ছিগি যাব গীতো গুচি যাব উৰি—
লাহেকৈ বজালে সুৰ পৰি যাব, গীতৰো হেৰাব ধাৰ;
ঢিমা নকৰিবি, চৰাতো নিদিবি
যাবি মাজে মাজে ঐ!"

এইদৰে বাটে বাটে গীত আওৰাই ৰহণ সনা পখিলাৰ দৰে সেই হাবিতলীয়া বাটেদি নাচনী ছোৱালীজনী গৈ আছে। সেই বাটৰ দাঁতিতে ডিমৰু গছৰ তলত পৱিত্ৰ যোগী সিদ্ধাৰ্থ বহি আছে। তাইৰ সেই পাতল শব্দাৱলী গৈ তেখেতৰ কাণত প্ৰতিধ্বনিত হ'ল।

যেতিয়া সেই অশিষ্ট ক্ৰীড়াসক্ত দৃশ্যটো সেইপিনে পাৰ হৈ গুচি গ'ল, তেতিয়া যোগী সিদ্ধাৰ্থই চকু মেলি চালে আৰু নিজে নিজে ক'বলৈ ধৰিলে—"মুৰ্খবোৰেও কেতিয়াবা জ্ঞানীলোকক শিক্ষা দিব পাৰে। ময়ো মোৰ জীৱন তন্ত্ৰীডালক বৰ বেচি কষ্ট দিছোঁ। এই সঙ্গীতৰ অৰ্থই মোকো ৰক্ষা কৰিব পাৰে। সত্যৰ দৰ্শন বিচৰা মোৰ চকুযোৰ তেনেই দুৰ্বল হৈ আহিছে। যি সময়ত মোক দেহত অপাৰ বল লাগে সেই সময়তে মোৰ শক্তি হ্ৰাস হৈ গৈছে। মানুহক এনে সময়ত যি সহায় লাগে, ময়ো যদি পালোঁ-হেঁতেন। কিন্তু মই এতিয়া মৰোঁ মৰোঁ। সকলো মানুহৰ কল্যাণৰ আশা মোৰ বুকুতে আছিল।"

সেই নৈৰ কাষত এজন মাটিগিৰী বাস কৰিছিল। তেওঁ বৰ ধাৰ্মিক আৰু ধনী। তেওঁৰ গৰু-মহ, সা-সম্পত্তি অলেখ। দুখীয়া মানুহবিলাকৰ তেওঁ এজন ডাঙৰ বন্ধু আছিল। তেওঁৰ পৰিয়ালৰ নামেৰেই সেই গাঁওখনৰ নাম হৈছিল—'সোণালী'। মহাশান্তিত আৰু আনন্দ মনেৰে তেওঁ জীৱন অতিবাহিত কৰিছিল। তেওঁৰ পৰিবাৰ সুজাতাও এগৰাকী বৰ মৰমিয়াল আৰু সজ চৰিত্ৰৰ



গৃহিণী আছিল। তেওঁৰ আচাৰ-ব্যৱহাৰ আৰু সাদৰী মাত-কথাত গাঁৱৰ সকলো মানুহ মুগ্ধ হৈ আছিল। সেই নিজান গাঁৱৰ মাজত স্বামীৰ সমাদৃতা ভাৰ্য্যা হৈ সুখেৰেই দিন কটাইছিল। তেওঁৰ মনত মাত্ৰ এটা দুখ আছিল যে, তেওঁলোকৰ এটিও ল'ৰা জন্ম হোৱা নাছিল। পুত্ৰ সন্তান এটি কামনা কৰি তেওঁ অনেক পূজা-পাতলো কৰিলে; কিন্তু পুত্ৰ জন্ম নোহোৱা দেখি শেষত সুজাতাই সঙ্কল্প কৰিলে যে, যদি তেওঁৰ এটি ল'ৰা জন্ম হয় তেন্তে তেওঁ সোণৰ পাত্ৰত দেৱ-ভোগ্য উপচাৰ দি সেই অৰণ্য দেৱতাকো এভাগ পূজা দিব। এই সঙ্কল্প লোৱাৰ পাচত যথা সময়ত তেওঁৰ এটি ধুনীয়া ল'ৰা জন্ম হ'ল। এতিয়া ল'ৰাটিৰ বয়স তিনি মাহ। আঁচলেৰে ঢাকি এহাতে সেই ল'ৰাটি বুকুত শুৱাই ল'লে আৰু আন হাতে পূজাৰ উপচাৰ লৈ বন-দেৱতাক পূজা দিবলৈ গ'ল।

সেই গছজোপাৰ তলখন ভালকৈ সাৰি-পুচি অটাই আহিবলৈ আগতে তেওঁৰ পৰিচাৰিকা ৰাধাক পঠাই দিছিল। তাই বৰ উধাতু খাই লৰি আহি আদ বাটতে সুজাতাক ক'বলৈ ধৰিলে-

"আই! আই! চাওক সৌৱা বন-দেৱতা নিজে সেই গছ-জোপাৰ তলতে বহি আছে। চাওকচোন তেখেতৰ চকুৰ ওপৰেদি কেনেকৈ এটা পোহৰ ওলাই আছে। কেনে মধুৰ আৰু গহীন দেখি! চকু দুটা ঠিক যেন 'দেৱতাৰ চকু'! আপোনাৰ বৰ কপাল আই! বৰ কপাল।" ..............

তেখেতক কোনোবা দেৱমূৰ্তি বুলি ভাবি সুজাতাই ভয়ে ভয়ে ওচৰলৈ গৈ প্ৰণিপাত জনালে আৰু ক'লে—"এই অৰণ্যত বাস কৰা মঙ্গলদাতা, হে পৱিত্ৰ দেৱতা! দাসীৰ প্ৰতি দয়া কৰি আপুনি যেতিয়া দেখা দিছে, আমাৰ এই নিঃকিন পূজা ভাগ গ্ৰহণ কৰক। এয়া শুধ গাখীৰেৰে তৈয়াৰ কৰা দৈ আৰু এয়া এতিয়া খীৰাই অনা এৰাঁ গাখীৰ। হে দেৱতা গ্ৰহণ কৰক।"

এইবুলি কৈ সোণৰ বাটিত দৈখিনিৰ ওপৰত এৰাঁ গাখীৰ ঢালি বুদ্ধৰ ফালে অতি সম্ভ্ৰমেৰে আগ বঢ়াই দিলে। তেখেতে মুখেৰে একো নকৈ সেইখিনি খালে। খোৱা দেখি আনন্দিত সুজাতাই ভক্তিভাৱে অলপ আঁতৰত থিয় দি থাকিল।

উজাগৰে সত্যৰ সন্ধানত পাৰ কৰা অনেক ৰাতি আৰু অনাহাৰত কটোৱা অনেক দিনৰ ক্লান্তি স্বপ্নৰ দৰে মুহূৰ্ততে কেনিবা আঁতৰি গ'ল আৰু সেই আহাৰ খাই বুদ্ধই শৰীৰত আচৰিতভাৱে বল পালে। অনাহাৰৰ অন্তত প্ৰভুৰ মুখৰ বৰণ উজ্জ্বল হৈ আহিল আৰু দেহৰ কান্তিও জিলিকি পৰিল। তেনে হোৱা দেখি সুজাতাই আকৌ প্ৰাৰ্থনা কৰিবলৈ আৰম্ভ কৰিলে—"আপুনি সচাকৈয়ে দেৱতা হয় নে? মোৰ পূজা ভাগে আপোনাক তৃপ্তি দিব পাৰিলেনে প্ৰভু?" বুদ্ধই ক'লে—"এয়া তুমি মোক দিবলৈ কি আনিছিলা?"

সুজাতাই উত্তৰ দিলে—"প্ৰভু! মই আমাৰ খুটিত থকা ন-কৈ পোৱালী দিয়া এশজনী গাইৰ গাখীৰ গোটালোঁ। সেই গাখীৰেৰে পঞ্চাশজনী বগা গাইক আহাৰ দিলোঁ। সিহঁতৰ গাখীৰেৰে আকৌ বাৰজনীক আহাৰ দিলোঁ। সেই বাৰজনীৰ গাখীৰেৰে আমাৰ জাকত থকা বাছি বাছি উৎকৃষ্ট ছ-জনীক আহাৰ দিলোঁ। সেই ছ-জনীৰ গাখীৰ গোটাই চন্দন আৰু আন সুগন্ধি কাঠেৰে জাল দি ৰূপৰ পাত্ৰত পগালোঁ। তাতে বছা বছা ধুনীয়া মুকুতা যেন গোট গোট লাহি চাউল এমুঠি দিলোঁ। উতলাই সেই চাউল গাখীৰৰ লগত তেনেই পমাই পেলালোঁ। মোৰ শুধ হিয়াৰ ভক্তিৰে সৈতে এই উপচাৰ তৈয়াৰ কৰিলোঁ। কাৰণ মই সঙ্কল্প কৰি কৈছিলোঁ যদি মোৰ এটি ল'ৰা জন্ম হয় তেন্তে মই বন-দেৱতাক এভাগ পূজা দিম। মই পুত্ৰ পালোঁ। এতিয়া মোৰ জীৱনত একো দুখ নাই। মই দেৱতাৰ আশীৰ্বাদ লাভ কৰিছেঁ।"



প্ৰভুৱে লাহেকৈ ল'ৰাটিৰ এধানমান মূৰত হাতখন দি ক'লে—"তোমাৰ সেই আশীৰ্বাদ বহুত দিন দীঘলীয়া হওক। জীৱনৰ বোজা এই ল'ৰাটিৰ মূৰত অতি কোমলভাৱে পৰক। তুমি মোক আহাৰ খাবলৈ দি ডাঙৰ উপকাৰ কৰিলা। মই দেৱতা নহওঁ। মই তোমাৰ অগ্ৰজ ভাতৃৰ দৰেই এজন মানুহ। ইয়াৰ আগতে মই এজন যুৱৰাজ আছিলোঁ। এতিয়া ভ্ৰমি ফুৰা এজন সত্যান্বেষী। আজি ছ-বছৰ কাল দিনে ৰাতিয়ে মই সেই জ্যোতি বিচাৰি ফুৰিছোঁ। যি জ্যোতি ক'ৰবাত আছে সেই জ্যোতি পালে মই সকলো মানুহৰ অন্ধকাৰ দূৰ কৰিব পাৰিম, আৰু মই সেই জ্যোতি লাভ কৰিম। এতিয়া মই জ্যোতি অহাৰ আগ জাননী পাইছোঁ। মোৰ দুৰ্বল শৰীৰ যেতিয়া হালি পৰোঁ পৰোঁ হৈছিল ঠিক সেই সময়ত তোমাৰ এই পৱিত্ৰ আৰু বিশুদ্ধ আহাৰ পালোঁ। ভগ্নী! তোমাৰ আহাৰে মোৰ শৰীৰৰ বল আনি দিলে। তুমি এই আহাৰ প্ৰস্তুত কৰোঁতে যি প্ৰকাৰে বহুত গাই দোহন কৰি বিবিধ পৰিবৰ্তনৰ মাজেদি শেষত ছ-জনী গাইৰ গাখীৰ ল'লা আৰু সেই প্ৰকাৰে তৈয়াৰ কৰা আহাৰে যেনেকৈ মোৰ জীৱনী শক্তি মুহূৰ্ততে আনি দিলে, সেইদৰে জীৱন-টোৱেও বহুত জন্ম অতিক্ৰম কৰি আহি থাকে আৰু মুক্ত হৈ উচ্চতৰ অৱস্থালৈ গতি কৰে। তুমি ৰাৰু অকল জীয়াই থকাটোকে সুখৰ কথা বুলি ভাবানে? জীৱন আৰু প্ৰেমেই ৰাৰু যথেষ্ট নে?"

সুজাতাই উত্তৰ দিলে—"প্ৰভু! মোৰ হৃদয় অতি ক্ষুদ্ৰ। বিন্দু মাত্ৰ কৃপা লাভ কৰিলেই মোৰ এধানি হিয়া পূৰ্ণ হ'ব। মোৰ স্বামীৰ মাধুৰ্য্য আৰু শিশুটিৰ মুখৰ হাঁহিত মই যি জীৱনৰ জ্যোতি অনুভৱ কৰিছোঁ সেয়ে মোৰ কাৰণে বহুত। বেলি ওলোৱাৰ লগে লগে দেৱতাসকলক স্তুতি কৰিবলৈ উঠাৰপৰা গোটেই দিনটো বৰ আনন্দৰ মাজেদি ঘৰুৱা কাম-কাজত কটাওঁ। মোৰ স্বামীৰ

আলপৈচান ধৰি আহাৰ যুগুত কৰি দিওঁ। যেতিয়া আকাশত তৰাবোৰে ৰূপালী বন্তি জ্বলাই শোৱাৰ সময় হ'ব বুলি জাননী দিয়ে মন্দিৰৰপৰা আহি বন্ধু-বান্ধৱৰ লগত কথা সমাপ্ত কৰি তেতিয়া শয্যালৈ যাওঁ। ইমানখিনি আশীৰ্বাদ পাই মইনো বাৰু সুখী নহওঁ বুলি ক'মনে ? আমাৰ ধৰ্মশাস্ত্ৰবিলাকে কৈছে বোলে, যদি কোনো লোকে বাটৰুৱাই ছাঁ পাবৰ কাৰণে গছ পুলি ৰোৱে বা পিয়াহত পানী খাবলৈ নাদ বা পুখুৰী খনাই দিয়ে তেন্তে তেওঁৰ পুত্ৰ লাভ হয়। এই কামবিলাকৰপৰা হেনো মৃত্যুৰ পাচতো তেওঁবিলাকৰ কল্যাণ হয়। শাস্ত্ৰৰ বাক্য মই অতি ভক্তি ভাৱেৰে গ্ৰহণ কৰোঁ। তাৰ উপৰি মই ভাবোঁ ভাল কামৰ ফল ভাল হয় আৰু বেয়া কামৰ ফল বেয়া হয়। আক্ৰোশৰপৰা ঘৃণা ওপজে, দয়াৰ পৰা বন্ধু বাঢ়ে। আৰু সহনি গুণৰপৰা শান্তি আহে—এইখিনি আমি জীয়াই থাকোঁতেই পাওঁ। এই পৃথিৱীত সহিব লগীয়া বহুত বিপদ—বিঘিনি আছে বা আহিব পাৰে। মোৰ এই ল'ৰাটি যদি মোতকৈ আগতে গুচি যাব লগা হয়—বোধকৰোঁ মোৰ হৃদয় তেতিয়া ভাগি চূৰমাৰ হ'ব। যদি মোৰ স্বামীৰ মৃত্যু হয়—তেন্তে সেই একে চিতাতে মই জাঁপ দি মৰিম। কাৰণ, শাস্ত্ৰত কোৱা আছে যে, স্বামীৰ চিতাত পৰি সতী যোৱা নাৰীৰ মূৰৰ প্ৰত্যেক ডাল চুলিৰ সমানি স্বামীয়ে কোটি কল্প স্বৰ্গবাস কৰে। সেই কাৰণে মই মৰিবলৈ ভয় নকৰোঁ; সেই কাৰণে প্ৰভু, মোৰ জীৱনটো আনন্দময়। তথাপি মই বেজাৰত থকা আনবিলাকৰ কথা পাহৰি যোৱা নাই। তেওঁবিলাককো ঈশ্বৰে সহায় কৰক। মই যিটো ভাল যেন দেখিছোঁ আৰু তাকেই নম্ৰভাৱে কৰিছোঁ। শাস্ত্ৰৰ বচন মানি চলিছোঁ আৰু বিশ্বাস কৰিছোঁ যে যিটো ভৱিষ্যৎ আহিব সি নিশ্চয় ভাল-ভাৱেই আহিব।"

এনেতে প্ৰভু বুদ্ধই মাত দিলে—"তুমি শিক্ষকসকলকো শিক্ষা



দিব পাৰিছা। তোমাৰ সৰল জ্ঞানৰ তাৎপৰ্য্য আছে। তুমি অধিক নজনাকৈ যি জানিছা তাতে সন্তোষ মনেৰে থাকা। তুমি তোমাৰ অধিকাৰ আৰু কৰ্তব্য সম্পৰ্কে তোমাৰ নিজৰ পথ চিনি পাইছা। তুমি এপাহ ফুলৰ দৰে। তুমি তোমাৰ মধুৰ সংসাৰ-খনৰ সৈতে শান্তিৰ ছাঁত বিকাশ লাভ কৰা। কোমল পাতৰ কাৰণে সত্যৰ চোকা ৰ'দ সহ্য নহ'ব। শান্তিতে থাকি তোমাৰ পৰৱৰ্তী জন্মত বিজয়-মুকুট পিন্ধা। শিৰেৰে আকাশ স্পৰ্শ কৰিবা। তুমি মোক পূজা কৰিলা, মই তোমাক পূজা কৰিছোঁ। সুন্দৰ হৃদয় তোমাৰ। মানুহৰ কাৰণে কিয় আশা আছে, সেই কথা তোমাৰ কথাতেই প্ৰকাশিত হৈছে। তোমাৰ সকলো শান্তি হওক। তোমাৰ গোটেই জীৱন সুখত অতিবাহিত হওক। তুমি যেনেকৈ সকলো বিষয়তে পাৰ্গতালি লাভ কৰিছা, ময়ো সেইদৰেই যেন বিচৰা বস্তু লাভ কৰোঁ। যাক তুমি ঈশ্বৰ বুলি ভাবিছিলা তেৱেঁই তোমাৰপৰা এই আশীৰ্বাদ বাঞ্ছা কৰিছে।"

কোলাত থকা ল'ৰাটিৰ পিনে কাতৰ দৃষ্টিপাত কৰি সুজাতাই ক'লে—"আপুনি সেই বস্তু লাভ কৰক।" ল'ৰাটিয়ে তাৰ কোমল হাত দুটা বুদ্ধৰ ফালে আগবঢ়াই দিলে—বেচেৰাই যেন বুদ্ধক চিনি পাই ভক্তি জনাবলৈহে তেনে কৰিছে। এনেতে বহাৰপৰা বুদ্ধ থিয় দিলে। সেই পৱিত্ৰ আহাৰ খাই তেখেতে গাত বল পালে। থিয় হৈ লাহে লাহে ওচৰতে থকা এজোপা ডাঙৰ গছৰ ফালে খোজ দিলে। (এই গছজোপাই অনন্ত কাল জীয়াই থকা আৰু বিশ্বজগতে শ্ৰদ্ধা কৰা বোধিবৃক্ষ।) এই গছজোপাৰ পাতৰ তলতে সিদ্ধাৰ্থই বিচৰা সত্য লাভ কৰিবলগীয়া আছিল। এই কথা গৰাকীয়েও জানিব পাৰিলে। জুখি জুখি খোজ দিয়াদি, অতি সন্তৰ্পণে আৰু গভীৰভাৱে তেখেত গৈ সেই গছজোপাৰ তলত উপস্থিত হ'লগৈ। হে বিশ্ব-জগত

আনন্দ কৰা। আমাৰ প্ৰভু সেই নিৰ্দিষ্ট গছজোপাৰ তললৈ গ'ল। ........

ডাঠ সেউজীয়া পাতেৰে গছজোপাৰ ওপৰখন এটা দ'লৰ দৰে হৈ আছিল আৰু ঠাল-ঠেঙুলিবোৰে তললৈ হাত মেলি গোটেই ঠাইখন আবৰি থৈছিল। সেইদিনা যেন সেউজীয়া ঘাঁহবোৰ আৰু হঠাৎ ফুলি উঠা ফুলবোৰেও হালি পৰি তেখেতক ছাঁ দিবলৈ ধৰিলে; কাষত থকা নৈৰপৰা পদুমগন্ধি শীতল বতাহ বৈ আছিল। হাবিত থকা অজগৰ, গাহৰি, হৰিণ আদি বনৰীয়া জীৱ-জন্তুবোৰৰ ডাঙৰ ডাঙৰ চকুবোৰেও কিবা আচৰিত বস্তু দেখাদি বৰ শান্তিৰে তেখেতৰ পৱিত্ৰ মুখৰ ফালে চাবলৈ ধৰিলে। আমাৰ প্ৰভুৰ সন্মানাৰ্থে গাঁতৰপৰা ওলাই ফেঁটী সাপেও ফণা তুলি চাবলৈ ধৰিলে। সোণবৰণীয়া, নীলা, সেউজীয়া আদি বিচিত্ৰ ৰঙৰ পখিলাবোৰ উৰি আহি নাচিবলৈ ধৰিলে। সিহঁতে যেন বুদ্ধৰ গাত বিচনীৰ বা-হে দিছেহি। নেগুৰ জোকাৰি কেৰ্কেটুৱাবোৰে ইটো ডালৰপৰা সিটো ডাললৈ বেগাই অহা-যোৱা কৰিবলৈ ধৰিলে। কুলিয়ে গীত গাবলৈ ধৰিলে। কপৌ চৰাইবোৰ উৰি আহি তেখেতৰ চাৰিওপিনে জাক পাতি পৰিলহি। আনকি, বগাই ফুৰা জীৱবোৰেও আনন্দ প্ৰকাশ কৰিবলৈ ধৰিলে। পৃথিৱী আৰু আকাশৰ মাতবোৰো যেন একেলগ হৈ সঙ্গীতৰ সুৰত গাবলৈ ধৰিলে—"প্ৰভু আৰু বন্ধু! প্ৰেমিক আৰু পৱিত্ৰতা! আপুনি খং ৰাগ, অহঙ্কাৰ, কামনা, বাসনা ভয়, ভ্ৰান্তি, শঙ্কা আদি সকলো দমন কৰিলে। আপুনি সমস্ত জগতৰ কাৰণে আত্মত্যাগ কৰিলে। আপুনি এতিয়া সেই গছজোপাৰফালে যাওক। আপুনি বুদ্ধ! দুখময় জগতে আপোনাক আশীৰ্বাদ দিছে। আপুনি জগতৰ দুখ দূৰ কৰিবলৈ আহিছে। হে মহাসন্মানিত জন, আপুনি আমাৰ কাৰণে শেষ চেষ্টা কৰককৈ; হে বিজয়ী! আপোনাৰ সেই



নিৰ্দিষ্ট সময় ওচৰ চাপি আহিছে, যুগ-যুগান্তৰ ধৰি পৃথিৱীয়ে বাট চাই থকা সেই নিশাটো আজিৰ নিশাই!"

সেই গছজোপাৰ তলত গৰাকী গৈ আসন লোৱাৰ লগে লগে সন্ধ্যা লাগিল। আকাশত বৈশাখী পূৰ্ণিমাৰ জোন ওলাল। এনে সময়তে অজ্ঞান আন্ধাৰৰ ৰজা মাৰৰ (মৃত্যু) গাত পোৰণি উঠিল। তেওঁ জানিব পাৰিলে যে, জগতক উদ্ধাৰ কৰিবলৈ এয়া বুদ্ধ আহিছে আৰু সেই ৰাতিয়েই তেওঁ সত্যৰ অমৰ জ্যোতি লাভ কৰিব। এই কথা জানি তেওঁৰ ক্ষমতাত থকা সকলোবোৰ বিঘিনি সৃষ্টি কৰিবলৈ স্থিৰ কৰিলে। সেই অৰণ্যত থকা ডোবাবোৰৰপৰা দলে দলে জ্ঞান আৰু জ্যোতিৰ লগত যুদ্ধ কৰিবলৈ মাৰৰ অনুচৰ অৰাতি, তৃষ্ণা, ৰাগ, কাম-ক্ৰোধ-লোভ-মোহ, অজ্ঞানতা আৰু বিভীষিকা আদি ওলাই আহিল। অন্ধকাৰত বাস কৰা এই শত্ৰুবোৰে আহি বুদ্ধক ঘিণ কৰিবলৈ ধৰিলে। তেখেতৰ মন বিচলিত কৰি তেখেতক সত্য-ভ্ৰষ্ট কৰিবলৈ অপাৰ চেষ্টা কৰিলে। কেতিয়াবা ধুমুহাৰ দৰে ভয় লগা হো-হোৱনি আৰু দৈত্য-দানৱৰ চিৎকাৰ ধ্বনিৰে, কেতিয়াবা বজ্ৰ-বিজুলীৰ তুমুল সংগ্ৰামেৰে আৰু কেতিয়াবা যাদুকৰীৰ মোহ লগা মাতেৰে বুদ্ধক আক্ৰমণ কৰিবলৈ ধৰিলে। মাজে মাজে কোমল বতাহৰ সুৰত প্ৰেমৰ গীত, প্ৰেমৰ আলাপ আদিৰে বুদ্ধৰ ধ্যানত বিভ্ৰাট ঘটাবলৈ চেষ্টা কৰিলে। ইমানতো বিচলিত নোহোৱা দেখি নানা প্ৰকাৰ কিৰিলি পাৰি উলাই কৰিবলৈ ধৰিলে। এইবোৰ প্ৰকৃতপক্ষে চকুৰে দেখাকৈ হৈছিল নে সিদ্ধাৰ্থৰ মনৰ মাজত যুজ হৈছিল সেই কথা পাঠকে নিজেই বিচাৰ কৰি চাব। বৌদ্ধপুৰাণবিলাকে যেনেদৰে কৈছে সেইদৰেই লিখা হৈছে। ইয়াৰ পাচত মাৰৰ শক্তিশালী অনুচৰ দহোটা পাপ আহিল। প্ৰথমে আহিল অসৎ কৰ্মৰ দূতী অট্টবাদ। দাপোণত আপোন মুখখন দেখা দি এই গৰাকীয়ে গোটেই পৃথিৱীতে

নিজকেহে দেখা পায়। তেওঁ আহি চিঞৰি চিঞৰি ক'বলৈ ধৰিলে— "মই—মই। মই তোমাৰ ওচৰলৈ আহিছোঁ। শুনা—তুমি যদি বুদ্ধ হোৱা তেন্তে উঠা, দেৱতাৰ আশীৰ্বাদ লোৱা। উঠা, ইমান কষ্ট কৰি আৰু জ্যোতি বিচাৰিব নালাগে।" বুদ্ধই ক'লে— "তোমাৰ হাতত থকা ক্ষমতা অতি হীন, সি আশীৰ্বাদ নহয়, এটা মহা অভিশাপ। যোৱা, যিবিলাকে নিজেই নিজক ভাল পায়, তেনেবিলাকক তুমি প্ৰৱঞ্চনা কৰাগৈ।" দ্বিতীয়তে আহিল শঙ্কা। ই সকলো অস্বীকাৰ কৰে। ই আহি গৰাকীৰ কাণে কাণে ক'লে—"পৃথিৱী গোটেইখনেই এটা দেখনিয়াৰ ভাৱনা মাথোন। সিহঁতৰ জ্ঞানো অন্তঃসাৰশূন্য। তুমি কেৱল তোমাৰ ছাঁ-টোৰ পিচে পিচে ঘূৰিছা। উঠা, ইয়াৰপৰা অইন ফালে যোৱা। মানুহৰ কাৰণে একো সাহায্য নাই, ঘূৰি থকা কালৰ চকৰি কোনেও ধৰি ৰাখিব নোৱাৰে।" প্ৰভুৱে উত্তৰ দিলে—"মিথ্যা শঙ্কা। মোৰ লগত তোমাৰ একো কাম নাই। তুমি মানুহৰ শত্ৰু।" তৃতীয়তে আহিল সুন্দৰী বেশেৰে পৰমাশা। এওঁ দেশে দেশে সুন্দৰীৰ সাজ পিন্ধি মানুহৰ আত্মাক ধৰ্ম-কৰ্ম আৰু উপাসনা আদিৰে ভেল্কী-বাজী দেখুৱাই মুগ্ধ কৰে। তেওঁ বুদ্ধক ক'লে—"আমাৰ পৱিত্ৰ শাস্ত্ৰসমূহে স্থাপন কৰা দেৱতাসকলক তুমি স্থান-চ্যুত কৰিবানে কি? তোমাৰ ইমান সাহনে? তুমি মন্দিৰবিলাক জন-প্ৰাণীশূন্য কৰি প্ৰচলিত ধৰ্মৰ শাসন জোকাৰি পেলাবানেকি?

বুদ্ধই উত্তৰ দিলে—"তুমি মোক যিবোৰ ধৰি থাকিবলৈ কৈছা সেইবোৰ বাহ্যিক কৰ্ম-পদ্ধতিহে। তাৰ পৰিৱৰ্তন আছেই, কিন্তু ভিতৰৰ যিটো চিৰমুক্ত সত্য, সি সদায় থাকে। যোৱা, তুমি তোমাৰ অন্ধকাৰলৈ গুচি যোৱা।"

ইয়াৰ পাচত আহিল সাহসী লোভ লগাওঁতা কাম। তেৱেঁই সকলো প্ৰকাৰ সম্ভোগ-বাসনাৰ ৰজা। আনকি দেৱতাসকলৰ



ওপৰতো তেওঁৰ ৰাজত্ব আছে। তেৱেঁই প্ৰেমৰ গৰাকী আৰু সুখৰ ৰাজ্যৰ শাসনকৰ্তা। হাঁহি হাঁহি তেওঁ আহি গছজোপাৰ ওচৰ পালেহি। তেওঁৰ হাতত সোণৰ ধনু, ৰঙা ফুলেৰে সজোৱা বাসনাৰ পঞ্চশৰ। সেই শৰৰ চোকা জোংবোৰে মানুহৰ হিয়া বিন্ধি থকা-সৰকা কৰে। তেওঁৰ লগে লগে আহিল কিছুমান উজ্জ্বল আকৃতি। দিব্য চকু আৰু ওঁঠ। মোহ লগা মাতেৰে প্ৰেমৰ গীত গাই মুহূৰ্ততে সেই অৰণ্য মুগ্ধ কৰিলে। সেই গীত শুনি যেন আকাশৰ জোন-তৰাও আপোন আপোন কক্ষত ক্ষন্তেক পৰ থৰ হৈ ৰৈ আছিল। ধ্যানমগ্ন সিদ্ধাৰ্থৰ মনত প্ৰেমৰ ভাব উদ্ৰেক কৰি ধ্যান ভঙ্গ কৰিবলৈ কামে অশেষ চেষ্টা কৰিলে; কিন্তু তেওঁবিলাকৰ সকলো প্ৰয়াস ব্যৰ্থ হ'ল। যেতিয়া একোতেই গৰাকীৰ মন বিচলিত হোৱা যেন নেদেখিলে তেতিয়া কামে তেওঁৰ ফুলৰ ধনু জোকাৰি দিলে। নৃত্য কৰি এদল সুন্দৰী অপ্সৰী ওলাই আহিল। তাৰ ভিতৰত আটাইতকৈ ধুনীয়া গৰাকীয়ে যশোধাৰাৰ দৰে ছদ্মবেশত দেখা দিলে। চকুৰ পানীৰে জলমলাই থকা দৃষ্টিৰে দুই বাহু মেলি সেইগৰাকী সিদ্ধাৰ্থৰ ফালে আগবাঢ়ি গ'ল। হুমুনিয়াহ ছাৰি কাতৰ কণ্ঠেৰে সিদ্ধাৰ্থক ক'লে—"মোৰ প্ৰভু, আপোনাৰ বিৰহত মই মৃতপ্ৰায় হৈ আছোঁ। আমাৰ আন-ভৱনত থকা সেই সুখৰ দিনবোৰতকৈও ডাঙৰ কি স্বৰ্গ আপুনি লাভ কৰিছে? মই এই সুদীৰ্ঘ কাল আপোনাৰ কাৰণে কান্দি মৰিছোঁ। ব'লক, যুৱৰাজ সিদ্ধাৰ্থ! আপুনি উলটি ব'লক। এবাৰ মোক ওচৰ চপাই ল'লেই আপোনাৰ এই নিষ্ফল সপোনবোৰ চাঁত কৰে আঁতৰি যাব। চাওক প্ৰভু, ময়েই আপোনাৰ প্ৰিয়তমা ভাৰ্য্যা যশোধাৰা।" বুদ্ধই উত্তৰ দিলে—"সুন্দৰ, কিন্তু মিথ্যা ছায়া। তুমি মধুমতী যশোধাৰাৰ নাম লৈ আহি এইবোৰ মিথ্যাৰ খেলা কৰিছাহি। তোমাৰ এই খেলা তেনেই বৃথা। মই ভালপোৱা

সেই যশোধাৰাৰ বেশ লৈ অহা বাবে মই তোমাক অভিশাপ নিদিওঁ। তুমি যেনেকুৱা, গোটেই পৃথিৱীখনেই তেনেকুৱা মিথ্যাৰ ভাৱনা। আকৌ তুমি সেই শূন্যত বিলীন হৈ পৰা।" এই কথা কোৱা মাত্ৰকে সেই ঠাইত এটা কান্দোনৰ সুৰ বিয়পি গ'ল আৰু সেই সুন্দৰ সপোনৰ দলটো ৰঙা জুইৰ শিখাত নাইকিয়া হৈ পৰিল। লগে লগে তেওঁবিলাকৰ বাষ্পময় সাজ-পাৰবোৰো অদৃশ্য হ'ল।

ইয়াৰ পাচত দহোটা পাপৰ ভিতৰত আটাইতকৈ ভয়ঙ্কৰ পাপ পতিঘ অৰ্থাৎ ঘৃণা আহিল। ক'লা ডাৱৰৰ আঁৰৰপৰা ধুমুহাৰ শব্দৰ সৈতে কঁকালত সাপৰ কৰধনি পিন্ধি তাই নামি আহিল। কঁকালত মেৰখাই থকা সাপবোৰে তাইৰ বুকুৰ বিষাক্ত গাখীৰ খাই আছে আৰু তাইৰ শাওপাতৰ লগে লগে ফোঁচ ফোঁচাই আছে। তাই সেই পৰিব্ৰজনৰ ফালে চাই কিবা ক'ব খোজোঁতেই মুখ বন্ধ হৈ গ'ল। কঁকালত থকা ক'লা সাপবোৰৰো বিষদাঁতবোৰ লুকাই পৰিল। সাপবোৰ লুকাই পৰিল। সাপবোৰ কোঁচ খাই গ'ল।

ইয়াৰ পাচত আহিল ৰূপ-ৰাগ জীৱনৰ মোহ। ইন্দ্ৰিয়াসক্ত এই পাপে ভোগ-বাসনাৰ লোভত মত্ত হৈ জীয়াই থকাৰ কথাও পাহৰে। ইয়াৰ পাচত আহিল যশস্যাৰ লোভ অৰূপ-ৰাগ। এওঁৰ পাশত আবদ্ধ হৈ জ্ঞানী লোকসকলো পথভ্ৰষ্ট হয়। এৰেঁই সকলো প্ৰকাৰ যুদ্ধ-বিগ্ৰহ, অসীম সাহসৰ কাম আদিৰ মাক।

এওঁবিলাকৰ পাচত আহিল গৰ্বী মনো। ইয়েই গৌৰৱৰ দুৰ্মতি বেশটোত দৰ্প। মাৰ্জিত ৰুচিৰ 'উদ্ধচছ'—এওঁ নিজৰ কাম কাযবোৰ বৰ ন্যায়সঙ্গত বুলি ভাবে। এওঁৰ সঙ্গীবোৰৰ ভিতৰত বহুত নীচ আৰু আকাৰ নাইকিয়া বস্তু আছে। সিহঁত ভেকুলীৰ দৰে বগুৱা বাই নাইবা বাদুলীৰ দৰে পাখি কোবাই যায়। অজ্ঞানতা আৰু অবিদ্যাও আহিল। এওঁবিলাক অহাৰ লগে লগে পূৰ্ণিমাৰ



জোনাকো আন্ধাৰত পৰিণত হ'ল। বনৰ বতাহে শিয়ালৰদৰে হোৱা দিবলৈ ধৰিলে। আকাশৰপৰা তৰাবোৰ খহিবলৈ ধৰিলে। চাৰিওপিনে বিভ্ৰাট সৃষ্টি হ'ল। সহস্ৰ প্ৰকাৰে ভয়াবহ নৰকৰ দূতবোৰে গৰাকীক লোভ লগাবলৈ যত্ন কৰিলে।

কিন্তু বুদ্ধই তিলমানো লৰচৰ নকৰিলে। প্ৰশান্তভাৱে তেখেতে সেইদৰে ধ্যানস্থ হৈয়েই থাকিল। সন্ধিয়াৰ কোমল বতাহে জোনাকত তিৰবিৰাই থকা নিয়ৰৰ মুকুতাবোৰ যেনেকৈ সৰাব নোৱাৰে, সেইদৰেই সেই তুমুল সংগ্ৰামে বোধিবৃক্ষৰ পাত এখিলাও লৰাব নোৱাৰিলে। এতিয়া তেখেতৰ তৃতীয় স্তৰ আহিল। আমাৰ প্ৰভুৱে তেতিয়া 'সন্মা সম্বুদ্ধত্ব' (সম্যক সম্বুদ্ধত্ব) লাভ কৰিলে। মৰণশীল মানুহৰ জ্ঞান-চকুৱে যিমান দুৰলৈকে দেখে, তাৰো সীমা পাৰ হৈ যোৱা জ্যোতিৰে তেখেতে আগৰ জন্মসমূহে দেখা দিয়া দেখিবলৈ পালে। এইদৰে তেখেতে পাঁচশ পঞ্চাশ বাৰ জন্ম হোৱাৰ কথা জানিব পাৰিলে। এই পৰ্বতৰ শিখৰত অচল-অটলভাৱে বহি থকা এজন লোকে যেনেকৈ তললৈ চাই পঠিয়ালে পৰ্বতৰ শিলনিৰ ওপৰেদি একা-বেঁকা হৈ যোৱা বাটটো, খাল-ডোংবোৰ, জিলমিলাই থকা দূৰণিৰ মিছা নীলা ৰংটো আৰু ভৈয়ামৰ সেই ঠাইখন, য'ৰপৰা তেওঁ আহিছিল—সকলো দেখা পায়, সেই-দৰেই বুদ্ধয়ো জীৱনৰ উৰ্ধ গতিৰ লগত জড়িত হৈ থকা জন্ম-জন্মান্তৰৰ ভ্ৰমণ-পথ ধ্যানতেই দেখা পালে। তাৰ উপৰি তেখেতে দেখিলে যে অতীত জন্মতে যি গুটি সিঁচা হয়, বৰ্তমান জন্মত তাৰেই ফল পোৱা হয়। য'তে এই অন্তহীন যাত্ৰাৰ শেষ হয়, ত'তেই আকৌ নতুন যাত্ৰাও আৰম্ভ হয়—এই কথাও তেখেতে জানিলে। কেনেকৈ প্ৰত্যেক জন্মতে সৎ কৰ্মই অধিক সৎ ফল দিয়ে আৰু অসৎ কৰ্মই নতুন পাপ বঢ়ায়, সেই বিষয়েও তেখেতৰ ধাৰণা দৃঢ় হ'ল। মৃত্যু মানে জমা আৰু খৰচৰ শেষ হিচাব। এই হিচাবত

গুণ আৰু দোষৰ অঙ্ক কচা হয়। ইয়াত একো বাদ নপৰে। এই উত্তৰ বা শেষ ফল নিশ্চিত আৰু ন্যায়সঙ্গত। এই অঙ্কৰ ফলাফলৰ ওপৰতে নতুন জন্ম নিৰ্ভৰ কৰে। নতুন জন্মৰ মাজতে অতীতৰ চিন্তাৰাশি আৰু কাৰ্য্যসমূহ নিহিত হৈ থাকে। অতীতৰ প্ৰচেষ্টা, জয়লাভ আৰু স্মৃতি বিজড়িত নতুন জন্মটো অতীত জন্মৰে ৰূপান্তৰ মাথোন। মধ্য স্তৰত প্ৰভুৱে অভিজ্ঞা অৰ্থাৎ বিশাল অন্তৰ্দৃষ্টি লাভ কৰিলে। এই দিব্য দৃষ্টিৰে তেখেতে এই ভূলোক পাৰ হৈ অনেক নাম নাইকিয়া লোকলৈকে দেখা পালে। অসংখ্য জগত, অসংখ্য সূৰ্য্য চমৎকাৰ গতিত চলিব লাগিছে। ভাগে ভাগে পৃথকভাৱে চলিছে যদিও একেডাল ডোলেৰে আটাইবোৰ গ্ৰথিত হৈ আছে। দেখিলে নীলকান্ত মণিৰ এখন সাগৰ, তাৰ পাৰ নাই, অটল গভীৰ, কাহানিও পানী নুশুকায়। সেই সাগৰৰ পানীত বিৰামহীনভাৱে পৰিবৰ্তনৰ ঢৌৱে খলকনি তুলিব লাগিছে। আকৌ তাৰ মাজতে আছে ৰূপালী দ্বীপবোৰ। তেখেতে আৰু দেখিলে সেই জ্যোতিৰ গৰাকীসকলক—যিসকলে অদৃশ্য বন্ধনেৰে তেওঁলোকৰ জগতবিলাক ধৰি আছে। তাৰ উপৰি দেখিলে জ্যোতিৰ গৰাকীসকল তেওঁবিলাকতকৈ শক্তিশালী কক্ষবিলাকৰ চাৰিওফালে বাধ্য হৈ ঘূৰিব লাগিছে। সেই ক্ষমতাশালী কক্ষবিলাকৰপৰা অধিক পোহৰ দিয়া জ্যোতি ওলাই আহিছে আৰু এটা তৰাৰপৰা আন এটা তৰালৈ জীৱন-জেউতি বিলাই দিছে। এইবিলাক তেখেতে সেই বিশাল অন্তৰ্দৃষ্টিৰে দেখা পালে, তেতিয়া তেখেতৰ মনত কল্প, মহাকল্প আৰু যুগ আদি সময়ৰ জোখ-নিৰ্ণয় সম্পৰ্কেও স্পষ্ট জ্ঞান হ'ল। সমস্ত বিশ্ব-ব্ৰহ্মাণ্ডৰ ওপৰত এটা নিৰ্দিষ্ট বিধিয়ে নিমাত হৈ কাম কৰি আছে। সেই বিধিৰপৰা আপোন ইচ্ছাত অন্ধকাৰ আলোকত পৰিণত হৈছে। মৃতই জীৱন পাইছে, পূৰ্ণতা শূন্যত বিলীন হৈছে, ৰূপ নাইকিয়া বাস্তৱে ৰূপ



লাভ কৰিছে, কল্যাণৰপৰা কল্যাণতৰ হৈছে, তাৰ আকৌ উৎকৃষ্ট হৈছে। বাক্যহীন, শব্দহীন নিৰ্দেশত এইদৰেই এই বিশ্ব-ব্ৰহ্মাণ্ড চালিত হৈছে। তাত আদেশ দিবলৈ কোনো নাই। কাৰণ দেৱতাসকলৰো এই ঠাই। ইয়াৰ পৰিবৰ্তন নাই, বাক্যেৰে ব্যক্ত কৰিব নোৱাৰি আৰু এয়েই সৰ্বোচ্চ স্থান। সেই স্তৰেই এটি শক্তি যিহে পাতিছে-ভাঙিছে আৰু আকৌ নকৈ পাতিছে। সকলোকে ধৰা বন্ধা নিয়ম অনুসাৰে শাসন কৰিছে। সেই নিয়মেই সৌন্দৰ্য্য, সত্য আৰু ৰীতি। সেই শক্তিৰ অনুশাসন মানি চলিলেই সকলোৰে কল্যাণ হয় আৰু তাৰ বিপৰীত আচৰণ কৰিলেই বেয়া হয়। নিয়ৰৰ টোপাল আৰু তৰা দুয়োটাই জলমলায়। দুয়ো একে কামকে কৰে। মানুহ জীয়াই থাকে মৰিবলৈ আৰু মৰে ভালকৈ জীয়াই থাকিবৰ কাৰণে, যদি মানুহে নিন্দাৰ পাত্ৰ নোহোৱাকৈ দৃঢ় মনোভাবেৰে নিজৰ গতিপথ নিয়ন্ত্ৰণ কৰে আৰু সৰু-বৰ সকলো প্ৰাণীৰে সহায়স্বৰূপ হয়, তেন্তে তেওঁৰপৰাই কল্যাণ সাধিত হ'ব, এইখিনি প্ৰভুৱে মাজ স্তৰত লাভ কৰিছে।

কিন্তু যেতিয়া চতুৰ্থ স্তৰ আহিল, তেতিয়া আহিল দুখৰ গোপন ৰহস্য। এই দুখেই নীতি ধ্বংস কৰে, 'দুখ সত্য' এয়েই প্ৰথম সত্য তেখেতে লাভ কৰিলে। বিষাদেই জীৱনৰ ওপৰত ছাঁ পেলাই দিয়ে আৰু জীৱন য'লৈকে যায় ত'লৈকে এই দুখৰ ছাঁও গৈ থাকে। যেতিয়ালৈকে মানুহ জীয়াই থাকে তেতিয়ালৈকে ই থাকে। এই দুখৰ পৰিবৰ্তন বহুত। জন্ম, জীৱন, মৰণ, প্ৰেম, ঘৃণা, আমোদ, বেজাৰ, অস্তিত্ব আৰু কৰ্ম—এই আটাইবোৰ মানুহক বন্দী কৰা জাল বুলি মানিবলৈ মানুহৰ জ্ঞানৰ অভাৱ। অবিদ্যা বা মায়াই এই জাল পাতে। জালত সোমাই মানুহে জীৱনটো ভাল নোপোৱা হয় আৰু কোনোমতে জাল ফালি ওলাবলৈ ধৰফৰণি লগায়। মায়াই পথ-ভ্ৰান্তি আনি মানুহক বিপথগামী

কৰে আৰু বিজ্ঞানৰপৰা নাম আৰু ৰূপৰ ভাব ওপজে। দেহাৰ এটা ৰূপ আৰু সেই ৰূপৰ এটা নাম। এই দুটাই গোটখাই মানুহক ইন্দ্ৰিয়সমূহৰ সৈতে আন অনুভূতিসম্পন্ন মানুহৰ সংস্পৰ্শলৈ আনে। চকুৰে দেখা আৰু মনেৰে অনুভৱ কৰা আটাইবোৰ বস্তু তেওঁ হিয়াৰ দাপোণত দেখা পায়। যেতিয়া তেওঁ নিসহায় বোধ কৰে তেতিয়া বেদনা ওপজে। বেদনা উপজিলে আনন্দ নিৰানন্দত পৰিণত হয় আৰু বিষাদে আৱৰি ধৰে। ইয়াৰ পাচত আহে সকলো কামনা-বাসনাৰ জন্মদায়িনী তৃষ্ণা, যি মিথ্যা নিমখীয়া পানীৰ ঢৌত মানুহ ওপঙি ফুৰে, তৃষ্ণা লাগিলে সেই পানীকে পি থাকে। আনন্দ, আশা, ঐশ্বৰ্য্য, প্ৰশংসা, যশস্যা, জয়, প্ৰেম, উৎকৃষ্ট আহাৰ, পোছাক-পৰিচ্ছদ, ভাল ঘৰ, বংশ-গৌৰৱ, জীৱনৰ মোহ, জীয়াই থকাৰ হেঁপাহ, এই হেঁপাহৰপৰা ওপজা পাপ ইত্যাদি মধুৰ আৰু তিক্ত বিবিধ ঢৌৱে তৃষ্ণাতুৰ মানুহক কোবাই জুৰুলা কৰে। পোৱা-নোপোৱা, জয় পৰাজয়ৰ যি পাশাখেলত মানুহৰ পিয়াহ দুগুণে বাঢ়ে, ঠিক সেই খেলৰ মাজতে জীৱন-তৃষ্ণা নাইকিয়া হয়। কিন্তু যিজন জ্ঞানী, তেওঁ তেওঁৰ আত্মাৰপৰা ওলোৱা চকু-পানীৰে এই তৃষ্ণা নিবাৰণ কৰে। মিছা দেখনিয়াৰ বস্তু লাভ কৰিবলৈ ইন্দ্ৰিয়সমূহক উদগনি নিদিয়ে, তেওঁ দৃঢ় মনে এই বস্তুবোৰ নিবিচাৰে, হাবাথুৰি খাই নুফুৰে আৰু ভুল নকৰে। অতীতৰ ভুল কৰ্মৰপৰা ওপজা সকলো নিৰ্জুভাৱে সহ্য কৰে। এইদৰে দমন কৰোঁতে কৰোঁতে একো খাবলৈ নাপাই বৃথা বাসনাবোৰ মৰি যায়। ইয়াৰ ফলত অতীত জন্মৰ কৰ্ম, চিন্তা আৰু স্বভাৱ আদি সংশোধিত আৰু পাপমুক্ত হয়। এইদৰে জীৱন পৰিচালিত কৰিলে মৃত্যুৰ পাচত আত্মাৰ কাৰণে এটা দেহ আৰু এখন ঠাইৰ চিন্তা আৰু মৃত্যুৰ পাচত কি নতুন দেহ পৰিগ্ৰহ কৰিব, সেইকথা জনাৰ প্ৰয়োজন নহ'ব।



নতুন জন্ম পাপমুক্ত হৈ নতুন পৰিশ্ৰম কৰোঁতে কৰোঁতে জীৱনৰ বোজা পাতল হৈ আহিব আৰু শেষত নিজৰ স্বকীয়া অস্তিত্ব এটাই নাইকিয়া হৈ যাব, এইদৰে 'পথৰ শেষ' হ'ব; পৃথিৱীৰ প্ৰৱঞ্চনাৰপৰা আত্মা মুক্ত হ'ব।

এই মাংসপিণ্ডৰ দেহাটোৰ সকলো স্কন্ধৰপৰা মুক্ত আৰু সকলো উপাদান অৰ্থাৎ বন্ধন স্খলন হৈ মানুহ কাল-ৰথৰ চকাৰ পাক-ঘূৰণিৰপৰা ৰক্ষা পাব। টোপনিৰ জালত দেখা ঘিণ লগা স্বপ্নৰপৰা সাৰ পাই, নতুন প্ৰেৰণা পোৱা সুস্থ মানুহে এই আলোক দেখা পায়। তেতিয়া মানুহ ৰজাতকৈও ডাঙৰ আৰু দেৱতা-সকলতকৈও আনন্দিত হ'ব। জীয়াই থাকিবলৈ যি যন্ত্ৰণাদায়ক হেঁপাহ আছে সি নাইকিয়া হ'ব, জীৱন ওপৰলৈ উঠি যাব, দেহ-হীন হ'ব আৰু গৈ গৈ সেই দিনাও নিস্তব্ধতা পাবগৈ। সেয়ে নিৰ্বাণ, পাপশূন্য, আন্দোলনহীন জিৰণি, কোনো কালে কোনো পৰিবৰ্তন নাই।

আহা! বুদ্ধৰ সাধনা বিজয়ৰ লগে লগে প্ৰভাত হ'ল, সেই মহা সুন্দৰ দিনটোৰ প্ৰথম ক'লা যৱনিকা ভেদ কৰি সেই শিখা বৈ আহিল। পুৱাৰ হিৰণ-কিৰণ উজ্জ্বল হৈ অহাৰ লগে লগে বিশাল নীল আকাশত থকা পুৱতি তৰাটোৰ ৰং লাহে লাহে শেঁতা ৰূপালী হৈ আহিল। জগতবাসীয়ে বুদ্ধদেৱৰ সিদ্ধি লাভৰ বাৰ্তা পোৱাৰ আগতে গছ-গছনিৰে ভৰা পৰ্বতমালাৰ বহুত দূৰত মহা-সূৰ্য্যৰ উদয় হ'ল। সেই দিনাৰ সেই প্ৰভাতৰ উম লগা উশাহ ফুলে ফুলে বৈ গ'ল আৰু ফুলবোৰেও মহা আনন্দত নিজৰ সুকোমল হিয়া মুকলি কৰি দিলে। নিয়ৰৰ মুকুতাৰে তিৰবিৰাই থকা ঘাঁহনিৰ ওপৰেদি সেই পোহৰৰ ধল বাগৰি গ'ল। ঘাঁহনিৰ ওপৰত পৰি থকা নিশাৰ চকুলোবোৰ সেই পোহৰৰ পৰশত মাণিক-মুকুতা হৈ জলমললাই উঠিল। পৃথিৱীত উজ্জ্বল আলোক পৰিল। ক'লা ডাৱৰত

চাৰিওফালে সোণবৰণীয়া ৰ'দালিয়ে সোণৰ পাটি মেৰিয়াই দিলে। তাল গছৰ পাখিযেন পাতবোৰত তিৰবিৰণি উঠিল। বতাহত হালি-জালি সিহঁতে আনন্দৰ প্ৰণতি জনালে। বাহত থকা হাজাৰ-বিজাৰ চৰায়ে কিৰিলি পাৰি উঠিল। আটাইবোৰে যেন সমস্বৰে গাবলৈ ধৰিলে 'ৰাতি পুৱাল, ল'ৰাহঁত দিনৰ পোহৰক সমাদৰ জনোৱা!' কুলিয়ে মধুৰ সুৰত গীত জুৰিলে। বুলবুলে ৰাতি-পুৱা ৰাতিপুৱা বুলি প্ৰাৰ্থনা জনালে। মৌপিয়া উৰিল। কাউৰীয়ে কা কা কৰিলে। ভাটৌৱে চিঁ-চিঁয়ালে। বাঢ়েটোকাই গছৰ ডালত খটৰ খটৰ হাতুৰী মাৰিলে, কপৌবোৰে কুৰুলি দিলে। সেই দিনা সেই মহা প্ৰভাতৰ মঙ্গল গীতিৰ আৱতি ধ্বনিয়ে সেই অৰণ্য দেশখনত খলক লগালে। চাৰিওফালে মানুহৰ ঘৰে ঘৰে এটা অজান আনন্দৰ পৰশ বাগৰি গ'ল। ঘাতকে সেইদিনা তাৰ অস্ত্ৰ লুকালে। ডকাইতে তাৰ সা-সঁজুলি আঁতৰাই থলে। সেই দিব্য প্ৰভাতৰ আনন্দময় পোহৰত আটাইবোৰ অসৎ হৃদয়ত করুণা জাগিল। দয়ালু হৃদয়বিলাক অধিক দয়ালু হ'ল আৰু মানুহৰ-মনত এটা নজনা শান্তিৰ পৰশ লাগিল। তয়া-ময়া যুদ্ধত লাগি থকা ৰজাবোৰে শান্তিৰ আহ্বান কৰিলে। নৰিয়া পৰা মানুহ-বিলাকে ৰোগশয্যাৰপৰা হাঁহি হাঁহি জঁপিয়াবলৈ ধৰিলে। মৰোঁ মৰোঁ হৈ থকা মানুহবিলাকৰ মুখতো হাঁহি বিৰিঙি উঠিল। সিফালে যুৱৰাজ সিদ্ধাৰ্থৰ শয্যাৰ একাষত বিষাদ মনেৰে বহি থকা স্বামী পৰিত্যক্তা যশোধাৰাৰ প্ৰাণলৈও সেই সময়তে অকস্মাৎ এটা আশীৰ্বাদৰ ভাব আহিল। তেওঁৰ দৃঢ় বিশ্বাস হ'ল যে প্ৰেমৰ কেতিয়াও পৰাজয় নাই আৰু ইমান ডাঙৰ বেজাৰ নিশ্চয় এদিন আনন্দতেই শেষ হ'ব। পৃথিৱীখনত সেইদিনা ইমান আনন্দ হৈছিল যে আনকি জন-প্ৰাণীহীন নিজান পিটনি পথাৰবোৰত থকা দেহহীন ভূত-প্ৰেতৰ মুখতো আনন্দ গীতৰ মূৰ্চ্ছনা উঠিছিল।



দেৱতাসকলে আকাশত চিঞৰিবলৈ ধৰিলে—"শেষ হ'ল, দেৱতাৰ অভিযান শেষ হ'ল।" আকাশত সেই সোণালী জেউতি দেখি পুৰোহিত-সকলে কবলৈ ধৰিলে—"পৃথিৱীৰ ক'ৰবাত নিশ্চয় মঙ্গলজনক মহা-কাৰ্য্য হৈছে।" সেই দিনা হাবিত থকা জীৱ-জন্তুবিলাকৰ মাজতো বন্ধু ভাবৰ উদয় হৈছিল। বাঘিনীয়ে য'ত পোৱালীক গাখীৰ দি আছিল, সেইফালেদিয়েই ফুটুকা-ফুটুকী হৰিণ গৈ আছে। ঢেঁকীয়া-পতীয়া বাঘে হৰিণ দেখিও চোঁচা লোৱা নাই। বিষ-দাঁত লুকাই থৈ ফেটী সাপবোৰে ৰ'দৰ পোহৰত জলমলাই ফণা তুলি আছে। বগলীয়ে বাঁহত জোপ লৈ সপোন দেখিছে আৰু ওচৰতে থকা মাছবোৰে পানীত খেলি আছে। চৰাইবোবোৰৰ ঠোঁটতে পৰি বিবিধ ৰঙৰ পখিলাবোৰ পাখি মেলি বৈ আছে, তেও সিহঁতক খোৱা নাই। যেতিয়া আমাৰ প্ৰভুৰ আত্মশক্তিৰ প্ৰভাৱত মানুহ, পহু, চৰাই-চিৰ্কতি আদি এইদৰে প্ৰভাৱান্বিত হৈছিল, তেতিয়াও সকলো প্ৰাণীৰ কল্যাণৰ নিমিত্তে বিজয় লাভ কৰি, গৌৰৱান্বিত হৈ, দিনৰ পোহৰতকৈও উজ্জ্বল জ্যোতিৰে আলোকিত হৈ তেখেত বোধিবৃক্ষৰ তলতে ধ্যানস্থ হৈয়েই আছিল।

তাৰ পাচত উজ্জ্বল, আনন্দময় আৰু সুস্থ সবলভাৱে সেই গছৰ তলত তেখেত থিয় হ'ল। অনন্ত কাললৈ অনন্ত জগতে শুনাকৈ তেখেতৰ কণ্ঠস্বৰ উৰ্দ্ধগামী কৰি এই মহা মহা বাণী প্ৰকাশ কৰিলে—

অনেক জাতি সংসাৰং সন্ধাবিস্সং অনিব্বিসং।
গহকাৰকং গবেসন্তো দুক্খা জাতি পনপ্পুনং॥
গহকাৰক দিট্ঠোসি পুন গেহং ন কাহসি।
ভগ্গা তে ফাসুকা সব্বা গহকূটং বিসংখিতং॥
বিসংখাৰং গতং চিত্তং তন্হানং খয় মজ্ঝগাতি॥

হে গৃহকাৰক! তোমাক বিচাৰি এই দুখময় সংসাৰত পুনঃ পুনঃ অনেকবাৰ অনেক জন্ম অতিবাহিত কৰিছোঁ। ক'তো তোমাৰ সন্ধান নাপালোঁ। এইবাৰ তোমাক দেখা পাইছোঁ। তোমাৰ কাৰণেই সংসাৰত দুখ হৈছে। তুমি আৰু এই ঘৰত দুখৰ বেৰ আৰু প্ৰবঞ্চনাৰ চাল তৰি নতুন মাটিৰ লেও দিব নোৱাৰিবা। কাৰণ তোমাৰ এই ঘৰৰ মূধচ ভাঙি পেলালোঁ। মিছা ঘৰ ভাগি চূৰমাৰ হ'ল। এতিয়া মোৰ সকলো তৃষ্ণা ক্ষয় হ'ল।

## সপ্তম অধ্যায়

পুত্ৰৰ শোকত অধীৰ হৈ ৰজা শুদ্ধোদনে সুদীৰ্ঘ দিন অতি বেজাৰ মনেৰে কটাবলৈ ধৰিলে। তেওঁৰ মুখত মাত নাইকিয়া হ'ল। যশোধাৰায়ো সেই কেইবছৰ বিধৱা মানুহৰদৰে মনৰ দুখেৰে দিন নিয়াইছিল। দূৰ দূৰণিত ঘূৰি ফুৰা উট ৰথীয়া আৰু বেহা-বেপাৰ কৰি দেশে-বিদেশে ঘূৰি ফুৰা মানুহ-বিলাকৰ মুখে ক'ৰবাত সংসাৰ ত্যাগী বৈৰাগী এজন দেখাৰ কথা শুনিলেই ৰজাই তৎক্ষণাৎ দূত পঠিয়াই দিছিল। সেই দূতবিলাকে নিৰ্জন ঠাইত অকলশৰে থকা বহুত যোগী-সন্ন্যাসীৰ বাতৰি আনি দিয়েহি; কিন্তু কপিলাবাস্তুৰ উত্তৰাধিকাৰী সিদ্ধাৰ্থৰ বাতৰি দিবহি নোৱাৰিলে। ৰজা শুদ্ধোধনৰ গৌৰৱ আৰু ভৱিষ্যতৰ আশা, যশোধাৰাৰ প্ৰাণৰ ধন সিদ্ধাৰ্থ চাগে এতিয়া কোনোবা দূৰ বিদেশত সন্ন্যাসী হৈ ঘূৰি ফুৰিছে। হয়তো তেওঁ সংসাৰৰ কথা তেনেই পাহৰিলে নাইবা মনৰ সম্পূৰ্ণ পৰিবৰ্তন হ'ল বা মৃত্যু হ'ল। এনেবিলাক চিন্তাই ৰজা আৰু তেওঁৰ সুলক্ষণীয়া বোৱাৰীয়েকক তেনেই জুৰুলা কৰিলে।

বসন্ত কালৰ এটা দিন, আম গছবোৰৰ ওপৰখনত আমৰ মলে ছাটি ধৰাত এটা ৰূপালী ৰহণ উঠিছে। বাসন্তী সাজ পিন্ধি গোটেই পৃথিৱীখনো পাট-গাভৰু যেন হৈ পৰিছে। প্ৰমোদ উদ্যানত থকা পুখুৰীটোৰ বুকুখন এখন নিৰ্মল দাপোণৰদৰে হৈ আছে। চাৰিও কাষে পদুম ফুলবোৰে পাৰি বাছি দিছে। সেই পুখুৰীটোলৈকে চাই অতীতৰ কথা সুঁৱৰি যশোধাৰা বহি আছে।

অতীতৰ মধু-মাধৰীৰ কথা সোঁৰৰোতে যশোধাৰাৰ চকু দুটি চল-চলীয়া হৈ পৰিল। কোমল মুখখন শুকাই গ'ল আৰু বিষাদৰ ৰেখাবোৰ গালত জিলিকি উঠিল। লাহ-বিলাহেৰে চিকুণ খোপা বন্ধা মিহি চুলিটাৰ গোটাই গোটাই বিধৰা মানুহৰদৰে মেৰিয়াই থলে। গাত অলঙ্কাৰ নাই। বেজাৰৰ চিনস্বৰূপে খহতা সূতাৰে বোৱা শুভ্ৰ বস্ত্ৰ পিন্ধি যশোধাৰা সেইদিনা সেইদৰে পুখুৰী পাৰত বহি আছে।

নিৰ্মল প্ৰেমৰ বন্তিস্বৰূপ তেওঁৰ চকু দুটিৰ জেউতি নাইকিয়া হ'ল। চাৰিওফালে উদ্দেশ্যবিহীনভাৱে চাই চাই চকুৰ জুৱণি নোহোৱা হ'ল। সেইদিনা যশোধাৰাৰ এহাতে আছিল ঘনকৈ মুকুতা গঁথা কঁকালত পিন্ধা এডাল কৰধনি; সিদ্ধাৰ্থই সংসাৰ ত্যাগ কৰা সময়ত তেওঁৰ কঁকালত পিন্ধাই থৈ গৈছিল। যশোধাৰাই মহাৰ্ঘ ৰত্নৰদৰে সেই মালাধাৰ সাঁচি থৈছিল, তাকে হাতত লৈ সেই নিশাৰ বিয়োগ কাহিনী সুঁৱৰি তেওঁ চকুপানী টোকে। আন হাতে আছিল তেওঁৰ দিব্যকান্তিৰ অকণমান ল'ৰাটো—নাম ৰাহুল; এতিয়া তেওঁৰ বয়স সাত বছৰ। বসন্ত কালৰ বিবিধ ফুল ফুলি জকমকাই থকা দেখি ৰাহুলে মাকৰ কাষত বৰ ৰং মনেৰে নানা কথা কৈ আছে।

সেই পদুম পুখুৰীটোৰ পাৰত যেতিয়া মাক-পুতেকে বহি কথা পাতি আছিল, ৰাহুলে তেতিয়া পুখুৰীৰ মাছবিলাকলৈ এমুঠি চাউল ছটিয়ালে। আকাশেদি বেগাই উৰি যোৱা বগলীবোৰলৈ কাতৰ দৃষ্টিৰে চাই যশোধাৰাই কবলৈ ধৰিলে—"হে পাখি লগা উৰণীয়া চৰাইবোৰ, তোমালোক গৈ যদি সেই ঠাই পাবগৈ পাৰা, য'ত মোৰ জীৱন-স্বামী লুকাই আছে, তেখেতক ক'বাগৈ যে যশোধাৰা মৰিবলৈ আৰু সৰহ দিন নাই। ক'বাগৈ, মৰাৰ আগতে তেখেতৰ মুখৰ এষাৰ মাত আৰু হাতৰ এটি পৰশৰ বাবে হেনো যশোধাৰাই বাট চাই আছে।" এইদৰে মাক-পুতেকে আনন্দ আৰু বিষাদৰ মাজত থাকোঁতেই জনদিয়েক ৰাজ-বিষয়া আহি সেইখিনিতে উপস্থিত হ'লহি। তেওঁবিলাকে ক'বলৈ ধৰিলে—"ৰাজকুঁৱৰী, হস্তিনা-পুৰৰপৰা কেইজনমান সদাগৰ আহিছে। সাগৰৰ পাৰৰপৰা আৰম্ভ কৰি তেওঁবিলাকে বহুত দেশ ভ্ৰমণ কৰি আহিছে। তেওঁ-বিলাকে আনেক বহুমূলীয়া দ্ৰব্য আনিছে। সোণৰ পাৰি দিয়া ধুনীয়া ধুনীয়া জাল-কাপোৰ, নানা প্ৰকাৰৰ ফুল-জাৰি কটা পিতলৰ বাচন, হাতী দাঁত, সুগন্ধি মছলা, ধুনীয়া চৰাই আৰু দূৰ বিদেশৰ ধন-সোণ আদি অপাৰ বস্তু আনিছে। তাৰ উপৰি তেওঁ-বিলাকে এই আটাইবোৰ বস্তুতকৈও ডাঙৰ এটা বাৰ্তা আনিছে। তেওঁবিলাকে হেনো যুৱৰাজ সিদ্ধাৰ্থক দেখি আহিছে। আমাৰ প্ৰভু—আমাৰ গৰাকী, কপিলাবাস্তুৰ ভৱিষ্যতৰ আশা সিদ্ধাৰ্থক মুখামুখিকৈ দেখি আহিছে। আনকি আঁঠুকাঢ়ি সেৱা জনাই আহিছে। তেখেত এতিয়া হেনো আচৰিত ধাৰ্মিক লোক হ'ল। জ্ঞানী লোকসকলকো হেনো নতুন শিক্ষা দিছে, সৰ্ব-সন্মানিত হ'ল। তেখেত হেনো বুদ্ধ হ'ল। ঈশ্বৰৰ কৰুণাৰদৰে স্বৰ্গীয় প্ৰেমৰ সোৱাদ মাতেৰে তেখেতে মানুহক মুক্তিৰ পথ দেখুৱাইছে। আৰু শুনক, তেখেত হেনো এইফালেই আহিব লাগিছে।"



গৰমকালি চোকা ৰ'দৰ পৰশ লাগি হিমালয়ৰ হিমবোৰ গলি-বলৈ ধৰোঁতে গঙ্গাৰ বুকুত যেনেকৈ সোঁতৰ ঢৌ উঠে, এই কথা শুনা মাত্ৰকে ঠিক সেইদৰে যশোধাৰাৰ ধমনীত আনন্দ-তেজৰ সোঁত বৈ গ'ল। দুই হাত যোৰ কৰি হাঁহি মুখেৰে কিবা কওঁ কওঁ হ'ল আৰু চকুত আনন্দৰ অশ্ৰু বিৰিঙি উঠিল! তেওঁ বিষয়া-সকলক ক'লে—যাওক, সেই সদাগৰ কিজনক মোৰ কাৰেঙলৈ মাতি আনকগৈ। পিয়াহত শুকাই যোৱা কণ্ঠই পানী পিবলৈ বিচৰাদি মোৰ কাণেও তেওঁলোকৰ মুখৰপৰা এই আশিস্ বাণী শুনিবলৈ

বিচাৰিছে। ক'ব, যদিহে তেওঁলোকে কোৱা কথা সচা হয়, তেনেহ'লে মই তেওঁলোকক বহুত ধন-সোণ উপহাৰ দিম। ৰজাই পিন্ধা মাণিক-মুকুতা দিম।" শুদা ভৰিৰে অতি সন্তৰ্পণে সদাগৰ কেইজন সোণেৰে বন্ধোৱা বাটেদি প্ৰমোদ ভৱনলৈ গ'ল। তেওঁবিলাকে কাৰেঙৰ জলমলীয়া কাৰুকাৰ্য্য আৰু লিগিৰীবিলাকৰ সৌন্দৰ্য্য দেখি বিমোহিত হ'ল। অতি মধুৰ মাতেৰে, ব্যগ্ৰ চিত্তেৰে তেতিয়া ৰাজকুঁৱৰী যশোধাৰাই সুধিলে—"আপোনালোক বহুত দূৰ দেশ ভ্ৰমণ কৰি আহিছে। শুনিছোঁ আপোনালোকে মোৰ প্ৰভুক দেখি আহিছে। তেখেত হেনো জগৎ-বৰেণ্য বুদ্ধ হ'ল আৰু আপোনালোকে তেখেতক প্ৰাৰ্থনা কৰি আহিছে। ডাঙৰীয়াসকল, কওক এই কথা সচানে? যদি সচা হয়, আপোনালোক এই ঘৰৰ বন্ধু হ'ব। আমাৰ সকলোৰে আপোন হ'ব।" ত্ৰিপুৰ নামে সদাগৰজনে ক'লে—"ৰাজকুঁৱৰী, আমি সেই পৱিত্ৰ গৰাকীক দেখি আহিছোঁ। আমি তেখেতৰ চৰণত ধৰি সেৱা জনালোঁ, তেখেত এতিয়া ৰজাৰ ৰজাতকৈও ক্ষমতাশলী, ফল্গু নদীৰ পাৰত থকা বোধিবৃক্ষৰ তলত কঠোৰ সাধনা কৰি তেখেতে দিব্যজ্ঞান লাভ কৰিলে আৰু সেই জ্ঞানৰ দ্বাৰাই পৃথিৱী উদ্ধাৰ হব। তেখেত এতিয়া বুদ্ধ নামে খ্যত হ'ল, এতিয়া তেখেতে মানুহক উপদেশ দিয়ে, কথা কয়, সকলো প্ৰকাৰ দুখ-অশান্তিৰ অতীত অৱস্থাত তেখেত এতিয়া দেৱতাৰদৰে হৈ পৰিছে। তেখেতৰ গাৰ বৰণ সোণ বৰণীয়া পৰিষ্কাৰ হৈ পৰিছে, দেখিলেই মনত ধাৰণা ওপজে যেন সত্যৰ আলোকত আলোকিত হোৱা এজন মহান কোনোৱা। তাৰ উপৰি তেখেতে নগৰে নগৰে শান্তি লাভৰ উপায় আৰু পথৰ বিষয়ে প্ৰচাৰ কৰি ফুৰিছে। তেখেত য'লৈকে গৈছে, ত'তেই লোকে লোকাৰণ্য হৈছে; হিল-দ'ল ভাঙি মানুহ উপচি পৰিছে। আমি নিজে গয়াত তেখেতৰ শ্ৰীমুখৰ অমিয়া বাণী শুনি আহিছোঁ।



বাৰিষাৰ আগতে তেখেত এই ঠাইলৈ আহিব বুলি কোৱা শুনিছোঁ।"

এই কথা শুনি যোশোধাৰা আনন্দত অধীৰ হ'ল। উত্তৰ দিবলৈ উশাহ সলাবলৈকে পাহৰি গ'ল। ব্যগ্ৰ হৈ ক'লে—"বন্ধুসকল, আপোনালোকৰ সৈতে আমাৰ চিৰকলীয়া বন্ধুত্ব হওক। আপোনালোকে মঙ্গলদায়ক বাতৰি আনি দিলে। কিন্তু এই অঘটন ঘটিল কেনেকৈ জানে নে?"

তেতিয়া উল্লিক নামে আন এজন সদাগৰে বিবৰি ক'বলৈ ধৰিলে। তেখেতে ধ্যান কৰি বহি থকা সেই নিৰ্জন ফল্গু উপত্যকাৰ লোকসকলে যেনেদৰে সেই সিদ্ধি লাভৰ নিশা হোৱা ভয় লগা কাহিনী কৈ গৈছিল—সেইদৰেই ৰাজকুঁৱৰীৰ আগত বৰ্ণাই ক'লে—কেনেকৈ সেইদিনা আকাশখন নাৰকীয় ছাঁয়ামূতিবোৰে ক'লা কৰি পেলাইছিল, কেনেকৈ ভুঁইকঁপৰদৰে উপত্যকাখন কঁপি গুমগুমাই আছিল আৰু মাৰৰ (মৃত্যুৰ ৰজা) ক্ৰোধত কেনেকৈ পানীত খলকনি উঠিছিল—তাৰৎ কথা ক'লে। তাৰ উপৰি কেনেকৈ সেই সকলো তেখেতে ধ্যানস্থ হৈয়েই জয় কৰিলে, কিন্তু উজ্জ্বল হৈ ৰাতি পুৱাল, সকলো মানুহ গৈ সেই গছৰ তলত প্ৰফুল্লিত চিত্তেৰে বহি থকা প্ৰভুক দেখা পাইছিল, সেই কথাও ক'লে। কিন্তু সেই নিশা তেখেতে লাভ কৰা সোণালী বোজা এটা তেখেতে ভালেদিন বুকুত লৈ থাকিবলগীয়া হৈছিল। বুদ্ধই তাৰ পাচতো ধ্যানত উপায় বিচাৰিছিল কেনেকৈ তেখেতে লাভ কৰা অমূল্য চিন্তাবিলাক মানুহক বিলাই দিব পাৰি।

তেখেতে ধ্যানত চিন্তা কৰি আছিল। যিবিলাক মানুহে পাপক ভাল পায়, সিবিলাক ইন্দ্ৰিয়সমূহৰ প্ৰবঞ্চনাৰ মাজত লিপ্ত হৈ থাকে। সহস্ৰ ঝৰ্ণাৰপৰা ভুলৰ পানীকেই পান কৰি থাকে। যাৰ চকু মেলি চাবলৈ মন নাই আৰু তেওঁবিলাকক বন্দী কৰি থোৱা

জালখন ফালিবলৈ বল নাই, এনেবিলাক মানুহে কেনেকৈ তেখেতৰ নিদান নীতি গ্ৰহণ কৰিব ? এনেদৰে ধ্যানত বহি থাকোঁতে প্ৰসৱ বেদনাত কোনোবাই চিঞৰাদি এটা ধ্বনি শুনা গ'ল। যেন পৃথিৱীয়েহে প্ৰসৱৰ বেদনাত বিননি তুলিছে—'নস্যামী অহম্ ভূ নস্যতি লোকা।' 'মই তেনেই বিনাশ হ'লোঁ পৃথিৱী বিনাশ হ'ল, —এই বিননিৰ পাচত ক্ষন্তেকপৰ নিমাত-নিস্তব্ধ। ইয়াৰ পাচত পশ্চিমৰ এছাটি বতাহে এটা দীৰ্ঘ স্বাসৰদৰে ধ্বনি আনিলে। 'শ্ৰুয়তাম্ ধৰ্ম ভগৎ'—হে ভগৱৎ আপোনাৰ ধৰ্ম ব্যক্ত হওক। এই কথা শুনি গৱাকীয়ে চকু মেলিলে। কোনে তেখেতৰ প্ৰথম বাণী শুনা উচিত আৰু পাচত শুনিবলৈ কোন কোন অপেক্ষা কৰি থাকিব লাগিব, সেই কথা লক্ষ্য কৰিলে। তাৰ পাচত এটি স্বৰ্গীয় হাঁহি বিৰিঙাই ক'লে—আ, মই এতিয়া উপদেশ দিম। যিজনে শুনিব তেওঁ প্ৰথমে নীতি শিক্ষা কৰি লওক।

তাৰ পাচত তেখেত তাৰপৰা পৰ্বতৰ দাঁতিয়েদি বাৰাণসী-লৈকে আহিল। তাতে তেখেতে পাঁচজনক ধৰ্ম-উপদেশ দিলে। কেনেকৈ জন্ম আৰু মৃত্যুৰ বিনাশ কৰিব পাৰি, কেনেকৈ পূৰ্ব জন্মৰ কৰ্মফলৰ বাহিৰে এই জন্মত অন্য একো ভাগ্য নাই। নিজে সৃষ্টি কৰি লোৱাৰ বাহিৰে আন নৰক নাই। কামনা-বাসনা দমন কৰি পৱিত্ৰ জীৱন যাপন কৰা সকলৰ নিমিত্তে ওপৰত একো স্বৰ্গ নাই—এনেবিলাক উপদেশ সেই পাঁচজনক তাতে দিলেহি। তেখেতে প্ৰথম উপদেশ দিয়াৰ দিনা বহাগৰ পোন্ধৰ দিন আৰু সিদ্ধি লাভ কৰাৰ নিশা পূৰ্ণিমা আছিল।

ঋষিসকলৰ ভিতৰত কৌণ্ডিল্যই প্ৰথমে চাৰি সত্যৰ গৰাকী হয় আৰু নতুন পথত প্ৰৱেশ কৰে। তেখেতৰ পাচত ভদ্ৰক, অশ্বজিত, বাসৱ, মহানাম এই চাৰিজনেও বুদ্ধৰ চৰণত শৰণ লৈ ধৰ্ম গ্ৰহণ কৰে। যি ঠাইত প্ৰথমে তেখেতে ধৰ্ম প্ৰচাৰ কৰে,



সেই ঠাই বাৰাণসীৰ ওচৰত থকা সাৰঙ্গনাথ বা সাৰনাথ। আমাৰ গৰাকীয়ে কোৱা আশিস্‌বাণী শুনি যশ নামে যুৱৰাজ এজনে লগত চৌৱন্নজন বিষয়া লৈ শৰণ লবলৈ আহিল। যেয়ে তেখেতৰ নতুন বাণী শুনে, সেয়ে শান্তি আৰু জ্ঞানৰ নতুন দিন আহিল বুলি আনন্দিত হয়। ঝৰণাৰপৰা পানীৰ নিজৰণি ওলাই শুকান বালিত থকা ঘাঁহনি আৰু ফুল গছবোৰত পৰাৰদৰে তেখেতৰ শান্তি বাণীয়ে শ্ৰোতাৰ অশান্ত হৃদয়ত শান্তি বৰষিবলৈ ধৰিলে।

এই ষাঠিজনক প্ৰভুৱে শৰণ দি কামনা-বাসনা দমনত পৰিপূৰ্ণ আৰু ইন্দ্ৰিয়সমূহৰপৰা মুক্ত কৰি চাৰিওফালে নিৰ্বাণ লাভৰ উপদেশ দিবলৈ পঠিয়াই দিলে। জগতবৰেণ্য প্ৰভু বুদ্ধ তাৰ পাচত ঋষিপতন * আৰু সাৰনাথ এৰি দক্ষিণফালে অজিত আৰু বিম্বিসাৰৰ ৰাজ্যৰফালে গ'ল। তাত তেখেতে বহুত দিন ধৰ্ম উপদেশ দান কৰিলে, দয়াৰে পৰিপূৰ্ণ নীতিজ্ঞান লাভ কৰি ৰজা বিম্বিসাৰ আৰু তেওঁৰ প্ৰজাবৃন্দই তেখেতৰ মত গ্ৰহণ কৰিলে। তাৰ উপৰি, ৰজাই আমাৰ গৰাকীৰ হাতত জল ঢালি দি বেণুবন নামে বাঁহগছেৰে সুশোভিত উদ্যান এখন দান কৰিলে। সেই উদ্যানত বিচিত্ৰ সৰোবৰ, মনোৰম গুহা আৰু চালে চকুৰোৱা সেউজীয়া ঘাঁহৰ দলিচা পৰা কানন পথ আছে। তাতে ৰজাই এটা শিলত কটাই এই কথাখিনি প্ৰতিষ্ঠা কৰিলে :

যে ধৰ্ম্ম হেতুপ্পভৱা
যেসান হেতুন তথাগত
অহ যেসান চ ষ নিৰোধ
এৱন ৱাদি মহা পমানো।

---

*পালি সাহিত্যত এই ঠাইৰ নাম ঋষিপত্তন মৃগদাৱ বুলি পোৱা যায়।

জীৱনৰ হেতু আৰু গতি কেনেকুৱা এই কথা তথাগতই প্ৰকাশ কৰিলে, জীৱনৰ দুখ নিৰোধৰ উপায় আৰু মুক্তিৰ পথ আমাৰ প্ৰভুৱে দেখুৱাই দিলে।

কথিত আছে যে সেই উদ্যানত এখন ডাঙৰ ধৰ্ম-সভা হৈছিল। সেই সভাত মহা গুৰু বুদ্ধই জ্ঞান আৰু জ্ঞানৰ ক্ষমতাৰ বিষয়ে কথা কৈ শুনোতাসকলৰ হৃদয় জয় কৰিছিল। তাতে ন-শ লোকে তেখেতৰ শৰণাগত হৈ গৰাকীয়ে নিজে পিন্ধাৰ নিচিনা হালধীয়া কাপোৰৰ দুখনীয়া সাজ পিন্ধে। তেওঁলোকে বুদ্ধৰ জ্ঞান প্ৰচাৰ কৰিলে, এই প্ৰাৰ্থনাটোৰেই তেখেতে তেখেতৰ সেই কথা সমাপ্ত কৰিছিল :

সৰ্ব্ব পাপসস্ অকৰণম্  
কুশলসস্ উপসম্পদা  
যা চিত্ত পৰিয়োদপনম্,  
এতান বুদ্ধানুশাসনম্।

সকলো পাপ কৰ্মই অকৰণীয়, কুশল কৰ্মবিলাকেই শ্ৰেষ্ঠ সম্পদ দিয়ে। নিজৰ চিত্তৰ ওপৰত অধিকাৰ ৰাখিবা, এয়ে বুদ্ধৰ অনুশাসন।

সদাগৰ কেইজনে যেতিয়া সকলো কথা হৈ অঁটালে, তেতিয়া যশোধাৰাই সুধিলে—"কিন্তু মোৰ প্ৰভু কোন বাটে আহিব?" সদাগৰ কেইজনে ক'লে—"এই নগৰৰপৰা ষাঠি যোজন দূৰত থকা ৰাজগৃহৰপৰা সোণ নৈৰ দাঁতিয়েদি এটা পোন বাট এইফালে আছে। আমি দিনে আঠ ক্ৰোশ কৈ আহোঁতে আহোঁতে আমাক এক পষ লাগিল।"

এই কথা শুনি ৰজাই উচ্চ বিষয়াসকল আৰু ন-জন বেলেগ



বেলেগ দূত পঠিয়াই দিলে, প্ৰত্যেকজন দূতকে এই কথা ক'বলৈ ক'লে, "আজি সাত বছৰ কাল আপোনাৰ অভাৱত থাকি থাকি ৰজা শুদ্ধোদন চিতাৰ কাষলৈ যাওঁ যাওঁ হৈছে। এতিয়ালৈকে আপোনাৰ অনুসন্ধান কৰিয়েই আছে। তেখেতে আপোনাক মিনতি কৰি জনাইছে যেন আপুনি আকৌ উলটি গৈ সিংহাসন গ্ৰহণ কৰি বাট চাই থকা ৰাজ্যখনক শান্তি দিয়ে। নহ'লে ৰজা মৰিব—আপোনাৰ মুখ দেখা নাপাব।"

লগে লগে যাশোধাৰায়ো ন-জন অশ্বাৰোহী দূত পঠিয়াই দিলে। গৈ পাই সিদ্ধাৰ্থক এই কথা ক'বলৈ কৈ পঠিয়ালে—"আপোনাৰ গৃহৰ ৰাজকুঁৱৰী ৰাহুলৰ মাতৃ আপোনাৰ মুখ-দৰ্শনৰ কাৰণে আশা কৰি ৰৈ আছে, যেনেকৈ জোনৰ পোহৰত নিশা ফুলা ভেট ফুলপাহে জোনৰ কাৰণে বাট চাই থাকে, সেইদৰেই যশোধাৰায়ো আপোনালৈকে বাট চাই আছে। আপুনি যদি হেৰোৱাখিনিতকৈও অধিক কিবা পাইছে, তেন্তে যশোধাৰায়ো তাৰ ভাগ বিচাৰিছে আৰু ৰাহুলৰ বাবেও লাগিব। কিন্তু সৰহখিনি আপোনাৰ নিজৰ হৈয়েই থাকিব।" আটাইবিলাকে ঘোঁৰাত উঠি চেকুঁৰ মেলিলে। যি সময়ত বুদ্ধই সেই বেণুবনত বহি ধৰ্ম-উপদেশ দি আছিল, তেনে সময়তে গৈ আটাইবিলাক দূত তাত উপস্থিত হ'লগৈ। তেখেতৰ বাণী শুনি প্ৰত্যেকজনেই ক'বলৈ যোৱা কথা পাহৰি গ'ল। আনকি ৰজা শুদ্ধোদন আৰু ৰাজকুঁৱৰী যশোধাৰাৰ কথাও তেনেই পাহৰিলে। আটাইকেইজন দূতে ৰ লাগি গৰাকীৰ ফালে চাই থাকিল। সেই পৱিত্ৰ ওঁঠ দুটিৰপৰা ওলোৱা বাণী শুনি আটাইবিলাক ভেবা লাগিল। কেনে গহীন-গম্ভীৰ পৱিত্ৰ দীপ্তিময় কথা! দূত কেইজনো বুদ্ধৰ বাণী শুনি কোনেও নজনাকৈ হাজাৰ হাজাৰ শৰণাৰ্থীৰ লগত মিলি গ'লগৈ। কোনো উলটি নোযোৱা দেখি ৰাজসভাৰ প্ৰধান বিষয়া উদয়ীক পঠিয়াই দিলে। সৰুকালত

উদয়ী সিদ্ধাৰ্থৰ লগৰীয়া আছিল। তেওঁ গৈ যেতিয়া বেণুবনৰ ওচৰ পালেগৈ তেতিয়া কাণত কপাহ গুঁজি কাণেৰে নশুনা হৈ ৰ'ল আৰু কোঁ কোঁ কৰে গৈ শুদ্ধোদন আৰু যশোধাৰাৰ বাৰ্তা বুদ্ধক দিলেগৈ।

তেতিয়া নম্ৰভাৱে প্ৰভুৱে মূৰ দোঁৱাই সকলোৰে আগতে ক'লে—"নিশ্চয় মই যাম, এইটো মোৰ ইচ্ছাৰ ভিতৰত আছিলেই, তাৰ উপৰি, তালৈ যোৱাটো মোৰ কৰ্তব্যও। কোনো মানুহেই যেন নিজৰ পিতৃ-মাতৃক সন্মান কৰিবলৈ নাপাহৰে। তেখেত-সকলেই জীৱন ধাৰলৈ দিয়ে আৰু তেখেতসকলৰপৰাই জীয়াই থকাৰ উপায় পোৱা হয়। এই জীৱন সুনিয়ন্ত্ৰিত হ'লে আৰু মৃত্যু নহয়। নিৰ্বিঘ্নে মানুহে আশিস্‌দায়ক নিৰ্বাণ লাভ কৰিব পাৰে। অতীতৰ হৈ যোৱা পাপ প্ৰক্ষালন কৰি নতুন পাপ যোগ নিদিলে দয়া আৰু প্ৰেমৰ বলেৰে পূৰ্ণ হৈ মানুহে সেই নিৰ্বাণ বা শান্তি লাভ কৰিব পাৰে। ৰজাক জানিবলৈ দিবা আৰু ৰাজকুঁৱৰীক শুনিবলৈ দিবা যে মই অলপতে সেই ফালে গৈছোঁ।"

এই কথা শুনি কপিলাবস্তুত আনন্দৰ সোঁত বৈ গ'ল আৰু যুৱৰাজক স্বাগত সন্মান জনাবলৈ উখল-মাখল লাগিল। নগৰলৈ সোমোৱা দক্ষিণ দুৱাৰত উজ্জ্বল তোৰণ সজোৱা হ'ল, ফুলেৰে সজ্জিত কৰি বিতোপনভাৱে সেই তোৰণ তৈয়াৰ কৰা হ'ল। আলি-বাটত নিম আৰু আমৰ সুগন্ধি পাতবোৰ পাৰি দিয়া হ'ল আৰু অগৰু, চন্দন আদি সুগন্ধ কাঠৰ ধূলি ছটিয়াই দিয়া হ'ল। গোটেই নগৰীত পতাকাবোৰ উৰিবলৈ ধৰিলে। যিদিনা সিদ্ধাৰ্থ আহি নগৰীত সোমাবহি, সেই দিনা দাঁতত সোণ খটোৱা অসংখ্য হাতী ৰূপালী হাওদাৰে সৈতে শোভাযাত্ৰা কৰিবলৈ যুগুত কৰা হ'ল। ঠায়ে-ঠায়ে ঢোল-নাগৰা বাদকবিলাকক ৰখা হ'ল। সিদ্ধাৰ্থ আহি নগৰ সোমোৱা মাত্ৰকে "সিদ্ধাৰ্থ আহিল, সিদ্ধাৰ্থ আহিল" বুলি ঢোল-



নাগৰা বজাবলৈ আদেশ দিয়া হ'ল। বা-বিষয়াসকলে ধূপ-ধূনা-বন্তি জ্বলাই সম্বৰ্দ্ধনা জনাব, নাচনী ছোৱালীবোৰে ক'ত ক'ত নৃত্য-গীতেৰে ফুল ছটিয়াব তাৰো ব্যৱস্থা কৰা হ'ল। যুৱৰাজ আহি নগৰ সোমালে যাতে চাৰিওফালে আনন্দ উৎসৱৰ ধ্বনিৰে আকাশ মুখৰিত হয় আৰু বাট-পথ ফুলেৰে আঁঠুৰনীয়া হয় সেই সকলো যুগুত হ'ল। কপিলাবাস্তুৰ সকলো প্ৰজাই কেতিয়া আহি ৰাজপুত্ৰ নগৰ সোমাবহি আৰু কেতিয়া ঢোল-নাগৰাৰ শব্দই সিদ্ধাৰ্থ আহিল বুলি ঘোষণা কৰিব এই আশাত কাণ থিয় কৰি ৰৈ আছে।

সকলোতকৈ আগ ধৰি সম্বৰ্দ্ধনা জনোৱাৰ আশাত যশোধাৰা গৈ সেই পশ্চিম দুৱাৰৰ তোৰণত ৰৈ আছেগৈ। ওচৰতে নিগ্ৰোধ নামে এখন মনোৰম উদ্যান। খেজুৰ, নাৰিকল আৰু বেল গছৰ ছাঁ পৰা সেই উদ্যানখনত একা-বেঁকা বাটবোৰ, ফল-ফুলৰ গছবোৰ আৰু দূবৰি বনৰ শয্যাবোৰ চাই থাকিলে চাই থাকিবৰ মন যায়। উদ্যানখনৰপৰা কিছু দূৰত নীহকুলীয়া মানুহবোৰ থকা জুপুৰি ঘৰৰ এখন গাঁও। উচচ শ্ৰেণীৰ মানুহক স্পৰ্শ কৰা নাইবা উচচ সমাজত ফুৰা অধিকাৰ সিহঁতৰ নাছিল। যুৱৰাজ আহি নগৰ সোমোৱাৰ দৃশ্য চাবলৈ গছৰ ডালত উঠি নাইবা বহুত আঁতৰত ৰৈ সিহঁতো উদগ্ৰীৱ হৈ আছে। এইদৰে বাট চাই থাকোঁতে থাকোঁতে দেখিলে টকলা, মূৰ খুৰোৱা, গাত হালধীয়া কাপোৰ লোৱা কোনোবা এজন বৰ ধীৰে ধীৰে সেইফালে আহিছে। আশ্ৰমবাসী তপস্বীবিলাকৰ দৰে আৰু হাতত এটা মাটিৰ পাত্ৰ লৈ অহা সেই-জনৰ লগত হালধীয়া সাজ পিন্ধা আৰু দুজন আহিছে। কিন্তু হাতত ভিক্ষা-পাত্ৰ লোৱাজন দেখাত দেৱতাৰ দৰে, গহীন-গম্ভীৰ আৰু খোজ-কাটলবিলাকো অতি ধীৰ। তেখেত অহাৰ লগে লগে তেখেতৰ পবিত্ৰ দৃষ্টিৰ মধুৰতাই সকলোকে বিমুগ্ধ কৰিলে। তেখেতৰ ভিক্ষা-পাত্ৰত ভিক্ষা দি মুখলৈ চাওঁতে সকলো আচৰিত

হ'ল। কোনো কোনো মাটিত দীঘল দি পৰিল। কোনোৱে আৰু কিবা দিব লগা বস্তু আনিবলৈ লৰি গ'ল। কোনোৱে দিবলৈ একো নাই বুলি বেজাৰ কৰিলে। ল'ৰা-ছোৱালী, ডেকা-বুঢ়া, দলে দলে আহি তেখেতৰ পিচ ললেহি। ইজনে সিজনক কাণে কাণে সুধিবলৈ ধৰিলে—"এখেত কোন? কোন? এনেকুৱা ঋষি আগতে দেখিছিলানে বাৰু?" যেতিয়া তেখেত নিশব্দে আহি সেই তোৰণৰ কাষ পালেহি, তেতিয়া সকলো কথা প্ৰকাশিত হ'ল। যশোধাৰাই তেখেতৰ সমুখত থিয় দি কাতৰ কণ্ঠেৰে মাত দিলে—"প্ৰভু সিদ্ধাৰ্থ!" এই বুলি বৰ ডাঙৰকৈ চকু দুটা মেলি হাতযোৰকৈ উচুপি কান্দি বুদ্ধৰ চৰণত যশোধাৰা বাগৰি পৰিল। কিছু দিনৰ পাচত যেতিয়া এই শোকাতুৰা ৰাজকুঁৱৰীগৰাকীয়ে বুদ্ধৰ উপদেশ লাভ কৰি নিৰ্বাণ লাভৰ পথ অনুসৰণ কৰিলে, তেতিয়া এজন শিষ্যই বুদ্ধক সুধিলে—"সকলো প্ৰকাৰ সম্ভোগ-বাসনাৰপৰা মুক্ত হব'লৈ ব্ৰত লৈও আগেয়ে আপুনি কেনেকৈ সংসাৰত মুগ্ধ হৈছিল?" ক্ষুদ্ৰ প্ৰেমৰপৰাই মহান প্ৰেমৰ জন্ম হয়। সাৱধান হ'বা—আত্মাক কলুষিত নকৰিবা। তোমালোক মুক্ত আৰু স্বাধীন, সেই স্বাধীনতাই বিকাশ লাভ কৰিব জ্ঞানৰ কৌশলেৰে ধীৰে ধীৰে জয় লাভ কৰিহে। মই তিনিটা স্তৰত সুদীৰ্ঘ কাল কঠোৰ সাধনা কৰাৰ পাচতহে বোধিসত্ত্ব লাভ কৰিছোঁ। প্ৰথমটো স্তৰ হ'ল দৃঢ় সঙ্কল্প, দ্বিতীয়টো অভ্যাস, তৃতীয়টো হ'ল বাছনি (নিয়োগ)। মই যেতিয়া সঙ্কল্প স্তৰত আছিলোঁ, কল্যাণ কামনা কৰি জ্ঞানৰ অন্বেষণত আছিলোঁ, তেতিয়া মোৰ চকুত ঢাকনী আছিল। শুনা, এই প্ৰসঙ্গত বহু-যুগৰ অতীত কাহিনী এটা কওঁ। সাগৰৰ উপকূলত মই বাম নামে এজন সদাগৰ আছিলোঁ আৰু দক্ষিণফালে ধন-ৰত্নেৰে উপচি থকা লঙ্কাৰ ফালে সদায় চাই আছিলোঁ। সেই সময়তো যশোধাৰা মোৰ লগত আছিল। সাগৰৰ পাৰত এখন গাঁৱত আমি দুয়ো



বাস কৰিছিলোঁ। সেই সময়ত তেওঁৰ নাম আছিল লক্ষ্মী। আমি তেতিয়া বৰ দুখীয়া আছিলোঁ। মোৰ মনত আছে, জীৱিকাৰ কাৰণে মই বেপাৰ লৈ ঘূৰি ফুৰিবলগীয়া হৈছিল। তেতিয়াও তেওঁ মোক জলে-স্থলে ফুৰিবলৈ হাক দিছিল আৰু সতৃষ্ণ নয়নেৰে মোক অনুৰোধ কৰিছিল, মই যেন আঁতৰি নাযাওঁ। মানুহে যাক ভাল পায়, তাক এৰি থৈ কেনেকৈ যাব পাৰে এইবুলি তেওঁ কন্দনা-মুৱা হৈছিল। তথাপি মই সাহস কৰি সাগৰত মাণিক বিচাৰিবলৈ ওলাই গৈছিলোঁ। সাগৰৰ গৰ্ভত থকা প্ৰাণীবোৰৰ লগত যুদ্ধ কৰি ধুমুহা-বতাহ আদি বিপদৰ মাজতো নেৰা-নেপেৰা চেষ্টা কৰি, এটা বহুমূলীয়া মাণিক (দেখিবলৈ জোনটোৰদৰে উজ্জ্বল) পালোঁ। সেই মাণিক কোনো ৰজাই দেখাহেঁতেন ৰাজভঁৰাল উদং কৰিও কিনিলেহেঁতেন। বহুত দিনৰ পাচত মই উলটি আহি ঘৰ পালোঁহি। আহি দেখিলোঁ দুৰ্ভিক্ষ হৈ গাঁৱত হাহাকাৰ লাগিছে। মই আহি ঘৰৰ দুৱাৰ মুখ পাওঁতে নোপাওঁতেই মোৰ বৰ ভোক লাগিল। সেই বহুমূলীয়া মাণিকটো কঁকালত আঁটি আঁটি বান্ধি থৈছিলোঁ। দেখিলোঁগৈ মোতকৈও বেচি ভোকত কাতৰ হৈ লক্ষ্মী মৃতপ্ৰায়; মুখত মাত নাই। তেতিয়া মই চিঞৰিবলৈ ধৰিলোঁ—"কোনোবাই খাবলৈ এসাজ আহাৰ দি লক্ষ্মীৰ প্ৰাণ ৰক্ষা কৰিলে মই তেওঁক এটা বহুমূলীয়া বস্তু দিম। লক্ষ্মীক আহাৰ দিয়া আৰু মোৰ এই জোন যেন মাণিকটো লৈ যোৱা। এই কথা শুনি এজনে তেওঁৰ সৰ্বশেষ আহাৰ তিনি সেৰ আটা আনি মোক দিলেহি, মই তেওঁক মাণিকটো দি দিলোঁ।"

লক্ষ্মী জীলে, গাত বল পাই হুমুনিয়া এটা পেলাই মোক ক'লে—"আহা! আপুনি মোক সঁচাকৈয়ে ভাল পায়, সেই জন্মতো মই হৃদয় আৰু মনক শান্তি দিবৰ কাৰণে মোৰ মটৰ মাহটো অৰ্থাৎ মটৰ মাহৰ সমান মাণিকটো ব্যয় কৰিলোঁ, কিন্তু এইবাৰ লাভ

কৰা বিশুদ্ধ মাণিকবোৰ সেই বাৰতকৈও গভীৰ পানীৰপৰা পাইছোঁ, বাৰটা নিদান আৰু কুশল নীতি। এইবিলাক কাহানিও কেতিয়াও ব্যয় কৰিব নোৱাৰি। কেতিয়াও মোলান নপৰে আৰু ইয়াক বিনামূল্যে বিতৰণ কৰিলেই ইয়াৰ সৌন্দৰ্য্য প্ৰকাশ হয়। যেনেকৈ ক্ষুদ্ৰ ক্ষুদ্ৰ উঁইবোৰে অকণ অকণ মাটি তুলি একোটা হাঁফলু সাজে আৰু হৰিণীৰ খোজৰ সাচত এটোপ এটোপকৈ পৰা নিয়ৰৰ টোপালবোৰো শেষত গৈ অপাৰ সাগৰৰপানীত পৰেগৈ, সেইদৰেই মোৰ এই জন্মৰ সেই ক্ষুদ্ৰ মাণিকটোৰ দান এই জন্মত আহি অমূল্য দানত পৰিণত হ'ল ; আৰু সেইদৰেই প্ৰেমো ইন্দ্ৰিয়সমূহৰ পীড়াৰপৰা মুক্ত হৈ ক্ষুদ্ৰ প্ৰেম বিৰাট প্ৰেমত পৰিণত হ'ল। আগৰপৰা মধুৰভাৱে পৰিচালিত হৈ থকা যশোধাৰাই অতি শান্তভাৱেই নিৰ্বাণৰ পথত আগবাঢ়িব পাৰিলে।

কিন্তু সিদ্ধাৰ্থই মূৰ খুৰাই টকলা হৈ সাধু সন্ন্যাসীৰদৰে হালধীয়া সাজ পিন্ধি আহিছে আৰু হাতত ভিক্ষা-পাত্ৰ লৈ আহিছে বুলি শুনি ৰজাৰ খং উঠিল আৰু তেওঁৰ অন্তৰত থকা পুত্ৰস্নেহ আঁতৰি গ'ল, শুদ্ধোদনে তিনিবেলি মাটিত থুৱাই নিজৰ বগা চুলি উঘালিবলৈ ধৰিলে। ৰজাৰ ক্ৰোধ দেখি পাৰিষদবৰ্গ ভয়ত কঁপিবলৈ ধৰিলে, যুদ্ধলৈ যোৱা ঘোঁৰাটোৰ পিঠিত উঠি উন্মত্তভাৱে আলি-বাটেদি বেগেৰে যাবলৈ ধৰিলে, "ৰজা আহিছে সেৰা জনোৱা" এই কথাষাৰ কবলৈকে প্ৰজাসমূহৰ সময় নহৈছিল। এইদৰে ৰজা গৈ পশ্চিম দুৱাৰৰ ওচৰ পোৱাৰ আগেয়ে এটা বিৰাট জনসমাবেশ দেখা গ'ল। মানুহৰ হেঁচাত দলদোপ-হেন্দোলদোপ হৈ বাট-পথৰ চিন নাইকিয়া হ'ল, এই জন-সমুদ্ৰৰ আগত বুদ্ধ। ক্ৰোধত উগ্ৰ মূৰ্তি হৈ ৰজা গৈ ওচৰ পোৱা মাত্ৰকে বুদ্ধৰ পৱিত্ৰ দৃষ্টি বৃদ্ধ ৰজাৰ চকুত পৰিলগৈ, বুদ্ধৰ দৃষ্টি পৰাৰ লগে লগে ৰজাৰ খং-ৰাগ মুহূৰ্ততে নাইকিয়া হ'ল আৰু তেওঁৰ চকু বুদ্ধৰ চৰণৰ



ফালে ঢাল খালে, লাজ-অপমান সকলো পাহৰি ৰজা ঘোঁৰাৰপৰা মাটিলৈ নামিল। যুৱৰাজক সেই বেশত দেখা পাই আৰু তেওঁৰ বুদ্ধত্বৰ মহিমা জানি ৰজাৰ মন গম্ভীৰ হ'ল, পাৰ্থিৱ ঐশ্বৰ্য্য বিভূতিতকৈও ডাঙৰ গৌৰৱৰ অধিকাৰী হৈ, ৰাজাধিৰাজৰ দৰে পিচে পিচে লাখ লাখ মানুহ বিস্ময় বিমুগ্ধ কৰি লৈ অহা বুদ্ধক দেখি ৰজাও অবাক হ'ল। তেতিয়া ৰজাই মাত দিলে, "মহান সিদ্ধাৰ্থ আজি আহি আকৌ তেওঁৰ ৰাজ্যত প্ৰবেশ কৰিলেহি, যাৰ জীৱন ঈশ্বৰৰ জীৱনৰ দৰে, সেইজন এইদৰে ভিক্ষা-পাত্ৰ লৈ, হালধীয়া সাজ পিন্ধি, মূৰ খুৰাই আহিল কিয় ? মোৰ পুত্ৰ এই ৰাজ্যৰ অধিকাৰী আৰু শাক্য-ৰজাসকলৰ উত্তৰাধিকাৰী তুমি এই বেশেৰে কিয় ? তুমি তোমাৰ পূৰ্বাপৰ মৰ্য্যাদা অনুযায়ী হাতত উজ্জ্বল অস্ত্ৰ লৈ অশ্বাৰোহী, পদাতিক আদি বিবিধ অনুচৰৰ সৈতে আহিব লাগিছিল। চোৱা মোৰ সৈন্য-সামন্তসকল বাটৰ কাষত ৰৈ আছে। সমগ্ৰ নগৰীৰ প্ৰজাবৃন্দ ৰৈ আছে। তুমি ইমান দিন আমাক বেজাৰত থৈ ক'ত আছিলা ? ইমান দিন যশোধাৰাই বিধবাৰ দৰে বাস কৰিছে। গীত-বাদ্য শুনা নাই, অলঙ্কাৰ পিন্ধা নাই আৰু কোনো উৎসৱত যোগ দিয়া নাই। তেওঁবিলাকে আজি হালধীয়া সাজ পিন্ধা দেখি সন্তাপ পাইছে। পুত্ৰ, কিয় এই বেশ ?"

বুদ্ধৰপৰা উত্তৰ আহিল—"মোৰ পিতৃ, এইটো মোৰ জাতিৰ ৰীতি।"

আচৰিত হৈ ৰজাই ক'লে—"তোমাৰ জাতি ? যোৱা এশ পুৰুষৰ ভিতৰতো এই বংশৰ কোনো ৰাজ-পুত্ৰই এনে কৰা নাই।"

গৰাকীয়ে উত্তৰ দিলে—"মানৱী জাতি নহয়। মই যি জাতিৰ কথা কৈছোঁ, সেই জাতি চকুৰে নেদেখি। সেইসকল বুদ্ধ। তেনেকুৱা বুদ্ধ আগেয়েও আহিছিল, আগলৈকো আহিব। মই

সেইসকলৰ এজন। তেখেতসকলে আগেয়ে যি কৰিছিল, এতিয়া ময়ো তাকে কৰিছোঁ। আজি এতিয়া যিটো ঘটিছে, আগেয়ে এনে ঘটিছিল। এই দুৱাৰতে এজন যোদ্ধা বেশী ৰজাই এজন সন্ন্যাসী বেশী যুৱৰাজক লগ পোৱা উচিত, এনে ঘটনা আগেয়েও হৈছিল। প্ৰেম আৰু আত্মসংযমৰ দ্বাৰাই ক্ষমতাশালী ৰজাতকৈও ডাঙৰ ক্ষমতা লাভ কৰি জগতৰ পৰিত্ৰাতাজনে মূৰ দোঁৱাব লাগে—এতিয়া মই যেনেকৈ মোৰ মূৰ দোঁৱাইছোঁ। হৃদয়ত থকা সকলো বিষয় আৰু নম্ৰ ভাবেৰে মই আপোনাৰ সূক্ষ্ম ঋণৰ বাবে শ্ৰদ্ধা জনাইছোঁ। মই লাভ কৰা ৰত্নৰাজিৰে সৈতে আজি মই এই ওলগ জনাইছোঁ।

আনন্দিত হৈ ৰজাই সুধিলে—"কি ৰত্নৰাজি ?" গৱাকীয়ে অতি নম্ৰভাৱে ৰজাৰ হাতত ধৰি সেই বিৰাট শোভা যাত্ৰাৰ লগত আগ বাঢ়িল। ৰজা আৰু কুঁৱৰী যশোধাৰা এফালেদি এদঁতীয়া হৈ বুদ্ধৰ ওচৰে ওচৰে গৈ আছে। গৈ থাকোঁতে বুদ্ধই ৰজাক কৈ গৈ আছে, শান্তি আৰু পৱিত্ৰতা লাভ কৰিবলৈ কেনেকৈ চলিব লাগে। যি চাৰিটা মহা সত্যৰ মাজত সাগৰসঙ্কুল জ্ঞান লুকাই আছে, সেই কথা আৰু আঠটা পথ ইত্যাদিৰ কথা আৰু নিৰ্বাণ প্ৰাপ্তিৰ সকলো উপায় ক'লে। এইদৰে কৈ আহোঁতে আহোঁতে ৰাজকাৰেঙৰ ওচৰ পালেহি। বুদ্ধৰ বাণী শুনোঁতে শুনোঁতে যশোধাৰাৰ মৰম লগা চকু দুটিত নতুন জ্যোতি তিৰবিৰাই উঠিল। শুদ্ধোদনে বুদ্ধৰ ভিক্ষা-পাত্ৰটো নিজ হাতত লৈ অমিয়া বাণী পান কৰি কৰি সেইখিনি পালেহি। সেই নিশাই ৰজা আৰু বোৱাৰীয়েক দুয়ো বুদ্ধৰ অনুশাসন মতে শান্তিৰ পথ গ্ৰহণ কৰিলে।

সেই সংসাৰ ত্যাগ কৰি ওলাই যোৱা মাজ ৰাতিৰ স্মৃতি আৰু এই প্ৰবেশৰ স্মৃতি বুদ্ধৰ জীৱনৰ সৌৰৱণত কেনে অতুলনীয় !

## অষ্টম অধ্যায়

কাশীৰপৰা গৰুগাড়ীৰে পাঁচ দিন উত্তৰ-পূব ফালে গ'লে এখন বৰ বহল মুকলি পথাৰ পোৱা হয়। খৰস্ৰোতা কোহান নৈৰ পাৰত থকা সেই পথাৰখনৰপৰা উত্তৰফালে চালে অমল ধৱল হিমালয় পৰ্বতৰ বাহুৰ শিং যেন জোঙা টিংবোৰ চকুত পৰে। গোটেই বছৰটো সেই পথাৰখনৰ বিবিধ বনৰীয়া ফুল ফুলি জক্‌মকাই থাকে, সেই সৰু নৈখনৰ পলস পৰা পাৰে পাৰে ডাঠ সেউজীয়া লতাপাতৰ মেৰবোৰে বিতোপন শোভা তুলি ধৰে, পথাৰখনৰ বুকুখন কোমল আৰু তাত সদায় সুগন্ধি বতাহ বৈ থাকে ; এতিয়াও সেই ঠাইখন হেনো বৰ পৱিত্ৰ যেন লাগে। কাষত থকা ডাঠ হাবি বননিবোৰৰ ওপৰেদি মনে মনে সন্ধ্যাৰ শীতল বতাহছাটি আহি সেই পথাৰখনত উশাহ লয়হি। হাবিখনত ঠায়ে ঠায়ে ফুল-জালি-কটা ৰঙা পাথৰৰ দ'মবোৰ ফালি ওলাই অহা আঁহত, জৰি আদি গছৰ শিপাবোৰ চকুত পৰে। মাজে মাজে ভগ্নাৱশেষবোৰৰ খোৰোঙত সাপে বাহ লৈছে। চিত্ৰ-বিচিত্ৰ ৰং লগোৱা ঘৰৰ ভেঁটিবোৰৰ মজিয়াত জেঠিয়ে বাহ লৈছে। য'ত এদিন ৰজাসকলে খোজ চলাইছিল সেই কাৰেঙৰ মজিয়াত জেঠি লৰি ফুৰিছে। ভাগি-ছিগি উৰ'লি যোৱা সিংহাসনবোৰৰ তলত শিয়ালে গাঁত লৈছে। অতীতৰ সকলো সম্পদ ধ্বংস হৈ গ'ল। মাত্ৰ একো পৰিবৰ্তন নোহোৱাকৈ থাকিল সেউজীয়া দূবৰি বনেৰে সৈতে মাটি টুকুৰা আৰু বতাহছাটি। জীৱনৰ আটাইবোৰ চমক লগা দেখনিয়াৰ বস্তৰ দৰেই সেই ঠাইখনৰ সকলোখিনি অতীত গৌৰৱ কেনিবা

গুচি গ'ল। এদিন এই হাবিখনেৰে ঢাক খাই থকা ঠাইখনতেই শুদ্ধোদন ৰজাৰ ৰাজপুৰী আছিল। ইয়াতে এদিন নীল আকাশৰ-পৰা ওলাই অহা সোণালী ৰ'দ মাৰ যাওঁ যাওঁ হোৱা সন্ধ্যা পৰত প্ৰভু বুদ্ধই ধৰ্ম-উপদেশ দিছিল। এয়েই সেই কপিলাবাস্তু।

বুদ্ধত্ব লাভ কৰি তেখেতে আহি যেতিয়া পিতৃৰ ৰাজ্যত প্ৰবেশ কৰিলে, লাখ লাখ মানুহে তেখেতৰ ধৰ্ম-উপদেশ শুনিবলৈ হেন্দোল-দোপ লগালে। প্ৰশান্ত মূৰ্তিৰে গৱাকীয়ে যোগাসনত বহি থাকোঁতে কেতিয়া তেখেতে কথা ক'ব সেই বুলি ৰ লাগি বিপুল জনতা বৈ থাকে। সেই দিনা সন্ধ্যা ৰজা শুদ্ধোদনৰ তাত বহিছিল, চাৰিও ফালে আনন্দ, দেৱদত্ত প্ৰমুখ্যে শাক্য বংশৰ আন মুখিয়াল লোকসকল আৰু বিষয়াসকল বহিছিল। বুদ্ধৰ পিচফালে বহিছিল দুজন প্ৰধান ভিক্ষু—শাৰিপুত্ত আৰু মোগগলায়ন, তেখেতৰ দুই আঁঠুৰ মাজত হাঁহি হাঁহি বহি আছিল ৰাহুল। ৰাহুলে তেওঁৰ ল'ৰালি দৃষ্টিৰে বুদ্ধৰ আশ্চৰ্য্যজনক মুখখনৰফালে চাই আছিল। চৰণযুগলত বহি আছিল যশোধাৰা। তেতিয়া যশোধাৰাৰ হিয়াৰ বেদনা গ'ল। ইন্দ্ৰিয়সমূহৰপৰা মুক্ত পৱিত্ৰ প্ৰেমৰ সন্ধান পাই যশোধাৰা তেতিয়া নিৰ্বিকাৰ। বুদ্ধৰ হাতত নিজৰ হাত এখন থৈ নিজৰ গাৰ শুধ শুকুলা কাপোৰখনেৰে বুদ্ধৰ গাৰ হালধীয়া কাপোৰখন ধৰি আছে। তিনিও ভুবনে যাৰ অপেক্ষা কৰে, সেইজনৰ নিচেই কাষতে বহি আছে যশোধাৰা।

সেই সন্ধ্যা-সভাত বুদ্ধই ধৰ্ম-উপদেশ দিছিল। আগেয়েই কোৱা হৈছে যে তেখেতৰ উপদেশ শুনিবলৈ মানুহ উপচি পৰিছিল। শুনোঁতাসকলে অনেক শাস্ত্ৰত কৈ গৈছে যে সেই পৱিত্ৰ সন্ধ্যাই এটা অলৌকিক ৰূপ ধাৰণ কৰিছিল। আকাশত মিহি মিহিকৈ ডাৱৰবোৰ মেৰুটা-মেৰুটি হৈ ৰাগৰি গৈছিল, থূপিতৰাবোৰ হীৰা-মুকুতাৰ দৰে জলমলাই উঠিছিল আৰু সমগ্ৰ শ্ৰোতাৰ মনত এটা



দিব্য শ্ৰদ্ধাৰ ভাৱ উদয় হৈছিল। শুনোঁতাসকলৰ ভিতৰত অচিনাকি বিদেশী মানুহ, দাস, উচচ শ্ৰেণী, নিম্ন শ্ৰেণী, আৰ্য্য, অনাৰ্য্য, ম্লেচ আৰু পৰ্বতীয়া মানুহ আদি সকলো আছিল। বৌদ্ধ গ্ৰন্থবিলাকত পোৱা যায় যে আনকি পশু-পক্ষী আদিয়েও বুদ্ধৰ প্ৰেমৰ পৰশ অনুভৱ কৰিছিল। সেই সন্ধ্যা বুদ্ধই ৰজাক এই ৰাণী দিছিল—

ওঁ অমিতাভ!

যিহক একোৰেই জুখিব নোৱাৰি, কথাৰেও নুজুখিবা। নাইবা চিন্তাৰ জৰীডাল অটল তললৈ পেলায়ো নিদিবা। যিজনে প্ৰশ্ন সোধে, তেওঁ ভুল কৰে আৰু যিজনে উত্তৰ দিয়ে তেৰেঁা ভুল কৰে; গতিকে একো নকৰা।

শাস্ত্ৰবিলাকে কয়, সৃষ্টিৰ আদিতে মহা অন্ধকাৰ আছিল আৰু সেই মহানিশা ব্ৰহ্মাই ধ্যান কৰি আছিল। সেই ব্ৰহ্মা আৰু সৃষ্টি-পাতনিৰফালে নাচাবা।

মানৱীয় চকুৰে সেইফালে চাই একো পোহৰ দেখা নাপায়, নাইবা ধ্যানীয়ে মানৱীয় মনেৰে সেই বিষয়ে একো জানিব নোৱাৰে। ঢাকনীৰ পাচত ঢাকনী ওলাব আৰু তাৰ পাচতো ঢাকনীৰ পাচত ঢাকনী ওলায়েই থাকিব। ৰহস্যৰ অন্ত নাই।

একো প্ৰশ্ন নকৰাকৈ আকাশৰ তৰাবোৰ আৱৰ্তনৰ সোঁতত ঘূৰিয়েই আছে। এয়ে যথেষ্ট যে জীৱন আৰু মৃত্যু, সুখ আৰু দুখ কাৰণ আৰু কাৰ্য্য, সময়ৰ গতি আৰু জীৱনসমূহৰ অন্তহীন সোঁত আছেই।

ঢৌৰ পাচত ঢৌ লগলাগি নৈৰ সোঁত যেনেকৈ বৈয়েই আছে আৰু গৈ গৈ সাগৰৰ বুকুত বিলীন হৈছেগৈ, সেইদৰে সদায় ন ন বেশেৰে জীৱন-মৃত্যু, সুখ-দুখ, কাৰ্য্য-কাৰণ আদিৰ সৈতে জীৱনৰ সোঁত ব'বই লাগিছে।

সাগৰৰ বুকুত বিলীন হৈ যোৱা ক্ষুদ্ৰ ক্ষুদ্ৰ ঢৌবোৰ সূৰ্য্যৰ তাপত

ভাপ হৈ আকৌ ভেঁড়াৰ নোমৰ দৰে ডাৱৰৰ বুকুত সোমাই পৰ্বতৰ ওপৰেদি বৰষুণ হৈ বাগৰি আহিছে। আকৌ সেইদৰে ওপৰলৈ উঠিছে। বিৰাম নাই, শান্তি নাই, এইদৰেই অহা-যোৱা কৰিয়েই আছে। এইখিনি কথা জানিলেই যথেষ্ট হ'ব যে স্বৰ্গ-মৰ্ত্য জগত-সমূহ আৰু এই পৰিবৰ্তনবোৰ, কোনেও ঘূৰাওঁ বুলি ঘূৰাব নোৱৰা সদায় ঘূৰি থকা দুখ-যন্ত্ৰণাৰ চকাটো—এই সকলোবোৰেই স্বপ্ন।

প্ৰাৰ্থনা কৰিলেই অন্ধকাৰ আঁতৰ হৈ পোহৰ নহয়। নিমাত নিস্তব্ধতাক একো ভিক্ষা নকৰিবা। কাৰণ, তাৰপৰা মাত নোলায় পৱিত্ৰ চিন্তাৰপৰা ওলোৱা ব্যথাত তোমাৰ বিষাদিত মনৰ সংযোগ কৰি কলুষিত নকৰিবা। ভাই-ভনীসকল, নিসহায় দেৱতা-সকলক স্তুতি-মিনতি কৰি বা পূজা-পাতল দি একো নিবিচাৰিবা। তেওঁলোকক বলিৰ তেজ কিম্বা উপচাৰ দিও পূজা নিদিবা, তোমালোকে নিজ নিজ হৃদয়ৰ মাজত মুক্তি বিচাৰিব লাগিব। প্ৰত্যেক মানুহে নিজেই নিজৰ বন্দীশাল ৰচনা কৰে।

অতি ক্ষমতাশালী লোকবিলাকৰ দৰেই প্ৰত্যেক মানুহৰ নিজ নিজ ক্ষমতা আছে। সকলো দেহধাৰী প্ৰাণী, সকলো জীৱৰেই নিজ নিজ কৰ্মৰপৰা আনন্দ আৰু বেজাৰ উৎপন্ন হয়।

যিটো আগেয়ে ঘটিছিল, আজি যিটো ঘটি আছে, যি হৈছে, আৰু কাইলৈ হ'ব লগীয়াটো হ'ব। আগেয়ে যিটো শেষ হৈ গ'ল আজি সেইটো আৰম্ভ হৈছে আৰু যিটো আৰম্ভ হৈছে কাইলৈ শেষ হ'ব। আনন্দময় স্বৰ্গত থকা দেৱদূতবিলাকে পৱিত্ৰ অতীতৰ ফল ভোগ কৰে। সাধনাৰ নিৰ্মল যোগ্যতা আৰু সজ গুণ অৰ্জন কৰি এটা ক্ৰীতদাসো ৰজা হ'ব পাৰে আৰু ৰাজ্য শাসন কৰা এজন ৰজাও অকৰ্ম কৰাৰ দোষত ভিখাৰীৰ দৰে ভ্ৰমণ কৰি ফুৰিব পাৰে। ইন্দ্ৰতকৈও অধিক সৌভাগ্যশালী কৰি তুমি তোমাৰ ভাগ্যৰ উন্নতি সাধিব পাৰা, নাইবা পোক-পৰুৱাতকৈও তললৈ নমাই নিব



পাবা। হাজাৰ হাজাৰ জীৱনৰ অন্ত ঠিক এনেকুৱাই। যেতিয়া এই অদৃশ্য চকৰি ঘূৰে—তাৰ বিৰাম নাই, শান্তি নাই। ৰবলৈ ক'তো ঠাই নাই। যি এই চকাৰ ওপৰত উঠে, তেওঁ খহি পৰিব পাৰে। যি খহিব পাৰে, তেওঁ আকৌ উঠিবও পাৰে। চকা ক্ষন্তেকো নোৰোৱাকৈ ঘূৰিয়েই থাকে।

আৱৰ্তনৰ চকাটোত যদি তোমাক মেৰিয়াই বান্ধি থোৱা হয় আৰু সেই চাকনৈয়াৰপৰা মুক্ত হ'বৰ একো বাট নাথাকে, তেন্তে সেই অসীম অনন্ত সত্ত্বাৰ হৃদয়খন এটা অভিশাপ হ'ব আৰু চিৰন্তনী দুখ-যন্ত্ৰণাৰহে কাৰণ হ'ব।

কিন্তু তোমাক বান্ধি থোৱা নাই। সমস্তৰে প্ৰাণস্বৰূপ সেই অনন্ত সত্ত্বাৰ হৃদয় মধুৰ স্বৰ্গীয় শান্তিৰ ঠাই। দুখ-যন্ত্ৰণাতকৈও বলী ইচ্ছা, যিটো সজ হৈ আছিল সি তাতোকৈও সজলৈ যাব। উৎকৃষ্ট হ'ব।

মই বুদ্ধই সমগ্ৰ মানৱ জাতিৰ চকুৰ পানী মোৰ চকুত লৈ কান্দিছিলোঁ। গোটেই জগতৰ দুখত মোৰ হিয়া ভাগি গৈছিল। কিন্তু আজি মই আনন্দ লাভ কৰিছোঁ আৰু হাঁহিছোঁ। কাৰণ, মই মুক্তি লাভ কৰিলোঁ।

সেই কাৰণে তোমালোক যিবিলাকে দুখ ভোগ কৰিছা, তোমালোকে জনা উচিত যে সেই দুখ তোমালোকে নিজৰপৰাহে ভোগ কৰিছা। কোনেও দুখ ভোগ কৰিবলৈ বাধ্য কৰোৱা নাই। কোনেও তোমালোকক 'জীয়াই থাকা আৰু মৰা' বুলি কোৱা নাই। আৱৰ্তনৰ চকাত ঘূৰি যন্ত্ৰণাকে মোৰ বুলিবলৈ নিৰ্দেশ দিয়া নাই। চোৱা, মই তোমালোকক সত্যপথ দেখুৱাইছোঁ। নৰকতকৈও তলত, স্বৰ্গতকৈও ওপৰত, আটাইতকৈ ওপৰত থকা তৰাবোৰৰো ওপৰত আৰু ব্ৰহ্মাতকৈও ওপৰত এটা দিব্য শক্তি আছে। সৃষ্টিৰ পাতনি হোৱাৰেপৰা আৰু কোনো দিনে কেতিয়াও অন্ত নোহোৱাকৈ এটুকুৰা

অনন্ত ঠাইস্বৰূপ আৰু নিশ্চিতৰূপে সেই শক্তি আছে। সেই শক্তিয়ে কল্যাণৰফালে গতি কৰে আৰু তাৰ নিয়ম চিৰন্তনী।

ফুলি থকা ফুলবোৰ সেই শক্তিৰেই পৰশ। পদুম পাতৰ গঠনটোও সেই হাতেৰেই গঢ়া সৌন্দৰ্য্য; ক'লা সাৰুৱা মাটিৰ বুকুত নিমাত হৈ পৰি থকা গুটিবোৰৰ ওপৰত সেই শক্তিয়েই বসন্তৰ সাজ বৈ দিয়ে। সৌ যশোময় ভাববোৰৰ ওপৰত বিচিত্ৰ ৰহণেৰে ছবি আঁকা আৰু ম'ৰা চৰাইৰ পাখিত উজ্জ্বল সেউজীয়া ৰঙৰ ৰহণ দিয়া সেই শক্তিৰেই কাম। তৰাবোৰৰ জিৰণিৰ ঠাই বতাহ, বৰষুণ, বিজুলী সেই শক্তিৰ দাস। সেই শক্তিয়েই আন্ধাৰৰ-পৰা মানুহৰ হৃদয় নিৰ্মল কৰিলে। কিছুমান চৰাইৰ ডিঙিত ধুনীয়া ধুনীয়া ৰেখা আঁকি দিলে। পুৰণিৰ ক্ৰোধ আৰু ধ্বংসক লাৱণ্যময় কৰি গঢ়ি তুলিবলৈ সেই শক্তিয়ে পৰিশ্ৰম কৰিবই লাগিছে।

চৰাইৰ বাহত থকা বগা কণীবোৰেই ওপৰত কোৱা শক্তিৰ ঐশ্বৰ্য্য। মৌবিচনীখনেই ইয়াৰ মধু-পাত্ৰ। পৰুৱা যোৱা বাটেই ইয়াৰ বাট। বগা কপৌবোৰে এই কথা ভালকৈ জানে।

মুখত টোপ লৈ আহোঁতে এই শক্তিয়েই চৰাইৰ পাখি দুখন মেলি দিয়ে। বাঘিনীক তাইৰ পোৱালীৰ ওচৰলৈ পঠিয়াই দিয়ে। ভাল নোপোৱা জীৱবিলাকৰ কাৰণেও এই শক্তিয়েই আহাৰ আৰু বন্ধু গোটাই দিয়ে।

কোনো প্ৰকাৰ ব্যৱহাৰৰ ফলত এই শক্তি নষ্ট নহয় কিম্বা বৈ নাথাকে। সকলোৰে ইয়াক ভাল পায়। মাতৃসকলৰ স্তনত এই শক্তিয়েই অমৃত-তুল্য গাখীৰ আনি দিয়ে আৰু ইয়েই সাপকো দংশন কৰিবলৈ কাল-জিভা দিয়ে।

এই শক্তিয়েই সৌ দৃশ্যহীন আকাশৰ চন্দ্ৰাতপত গতিশীল গ্ৰহ-নক্ষত্ৰবিলাকৰ শৃংখলাবদ্ধ সঙ্গীত ৰচনা কৰিছে। বসুন্ধৰাৰ গভীৰ বুকুত সোণ-ৰূপ-হীৰা আদি লুকাই থৈছে।



নিতৌ নিতৌ গোপন ৰহস্য লৈ এই শক্তি গছ-গছনিৰ সেউজীয়া বাটত বহি থাকে। ইয়েই আচৰিত আচৰিত গছৰ গুটিবোৰ গজায়। তাৰ ওপৰত পাত ফুল আৰু জেউতি দান কৰে।

এই শক্তিয়েই মাৰেও আৰু তাৰেও। ই কেনিও লৰচৰ নকৰে। প্ৰেম আৰু জীৱনেই ইয়াৰ সূতা। মৃত্যু আৰু দুখেই এই শক্তিৰ তাঁতশাল।

ইয়েই আটাইবোৰ সংশোধন কৰি ভাঙে আৰু পাতে। এই শক্তিয়ে উৎসাহী হাত দুখনৰ মাজত যি কৰিম বুলি ভাবে তাৰেই বিতোপন চানেকি নিৰ্মাণ কৰে।

তোমালোকে দেখা সকলো বস্তু সেই শক্তিৰেই কাম্য। মানুহৰ হৃদয় আৰু মন বিভিন্ন, মানুহৰ চিন্তাৰাশি, চলন-ফুৰণ, চিত্তবৃত্তি আদি সকলো সেই মহানিয়মৰেই অধীন।

বিশ্বাসী হাত দুখনেৰে অদৃশ্যভাৱে সেই শক্তিয়েই তোমাক সহায় কৰে। কোনেও ধুমুহাতকৈও প্ৰবল মাতেৰে কথা নকয়। দয়া আৰু প্ৰেমেই মানুহৰ সম্পদ।

ইয়েই মানুহৰ অন্তৰত লুকাই থকা সৎ প্ৰবৃত্তিবিলাকক শান্তি আৰু আশীৰ্বাদ দিয়ে আৰু গোপন অসৎ অভিপ্ৰায়ক মন্ত্ৰণা দিয়ে।

এই শক্তিয়ে সকলো দেখে আৰু সকলো ৰচনা কৰে। কুশল কৰ্ম কৰা—ই তোমাক পুৰস্কৃত কৰিব। এটা বেয়া কাম কৰা—ঠিক তেনেকুৱা অভিশাপ পৰিবই। ধৰ্ম দীৰ্ঘস্থায়ী।

এই শক্তিৰ ক্ৰোধো নাই, ক্ষমাও নাই। বিশুদ্ধ সত্যই ইয়াৰ তুলাচনী। এই শক্তিৰ নিৰ্দোষ তুলাচনীয়েই জোখে। কাইলৈ বা বহুত দিনৰ পাচত এদিন সেই তুলাচনীৰে জুখি চাবই।

হত্যাকাৰীয়ে নিজৰ অস্ত্ৰ নিজৰ বুকুতেই বহুৱাইছে। অন্যায় বিচাৰকে নিজৰ ৰক্ষাকাৰীকেহে হেৰুৱাইছে। মিছা কথা কোৱা

জিভাই নিজৰেইহে সৰ্বনাশ কৰিছে। চোৰ-ডকাইতে পৰৰ অপহৰণ কৰিছে আকৌ সোপাকে ওলোটাই দিবলৈহে।

কুশলৰফালে গতি কৰা সেই শক্তিৰ নিয়ম এনেকুৱাই। কোনেও শেষত এই নিয়ম এফলীয়া কৰি থব বা বোধ কৰিব নোৱাৰে। এই নিয়মৰ হিয়া মানেই প্ৰেম আৰু ইয়াৰ শেষ শান্তি মধুৰ পৰিপূৰ্ণতা। এই নিয়ম মানিবা।

* * *

ভ্ৰাতৃসকল, শাস্ত্ৰসমূহে উচিত কথাকেই কৈছে। পূৰ্বজন্মৰ জীৱনৰপৰাই এই জন্মৰ জীৱন হয়। অতীত জন্মৰ ভুলৰ বাবেই এই জন্মত দুখ-বিষাদ হয়। হে যোৱা জন্মৰ সৎ কৰ্মৰপৰাই এই জন্মত আনন্দ লাভ হয়।

তুমি যি গুটি সিঁচা, সেই ফলকে পোৱা। সৌ পথাৰখনৰ ফালে চোৱা, তিলগুটিৰপৰা তিল আৰু গোমধানৰপৰা গোমধানেইহে হৈছে। এইদৰেই মানুহৰ ভাগ্যত ফলে।

পূৰ্বজন্মত যি যি গুটি সিঁচিছিল, সেই শস্যকে বুটলিবলৈ মানুহ আহে। শস্যৰ নানান বিঘিনি আৰু অশান্ত পৃথিৱীখনে মানুহক নষ্ট কৰে।

এই বিঘিনিবোৰৰ শিপা উঘালি সৎপথেদি পৰিশ্ৰম কৰিলে আৰু যি ঠাইত ভালকৈ গজিব, তেনে ঠাইত বছা বছা গুটি সিঁচিলে নিশ্চয় ফলদায়ক হ'ব আৰু খেতি মাটিও পৰিষ্কাৰ হয়। তাৰ উপৰি শস্যও অপাৰ হ'ব।

ক'ৰপৰা দুখৰ জন্ম হয়, এই কথা জানি যি জন জীয়াই থাকে, তেওঁ দুখ সহিবও পাৰে। প্ৰেম আৰু সত্যৰ দ্বাৰাই অতীতৰ পাপ কৰ্মৰ ধাৰ শুজিবলৈ তেওঁ কঠোৰ শ্ৰমো কৰিব লাগিব।

যদি তেওঁ সকলো দুখ-যন্ত্ৰণা নীৰৱে সহ্য কৰি কুশল কৰ্মৰ দ্বাৰাই নিজৰ তেজৰপৰা অসত্য আৰু ভোগ-লিপ্সা ধুই পেলাব পাৰে;



যদি দিনে দিনে তেওঁ ক্ষমাৱন্ত, পবিত্ৰ, ন্যায়বান, সত্যবাদী আৰু মৰমিয়াল হৈ বাস কৰে আৰু য'ৰপৰা ওলাই আহে সেই ঠাইৰপৰা আলুৰে সৈতে বাসনা উঘালি পেলাব পাৰে আৰু যেতিয়া-লৈকে জীৱনৰ মোহ অন্ত নপৰে তেতিয়ালৈকে এনেদৰে চলে; তেন্তে তেওঁ মৰিও জীৱনৰ হিচাপ-পত্ৰ সম্পূৰ্ণ কৰি শেষ কৰি থৈ যায়। তেওঁৰ পাপৰাশিৰ মৃত্যু হয় আৰু গাৰপৰা আঁতৰি যায়। তেওঁৰ কল্যাণ অতি শীঘ্ৰে হয় আৰু বৰ ক্ষমতাশালী হয়। ইয়াৰ ফলে কল্যাণৰ অনুসৰণ কৰে। মানুহ জন্ম হোৱাৰ লগে লগেই জীৱনবো আৰম্ভ হয়।

তুমি যাক জীৱন বোলা, সিও অন্ত হয়; তেনেহ'লে এনে জীৱন ধাৰণ কৰাৰ প্ৰয়োজন কি? যিহে তেওঁক মানুহ কৰিলে, তাৰ উদ্দেশ্য তেওঁ (জন্ম লওঁতাজনে) সম্পূৰ্ণভাৱে ব্যৱহাৰ কৰে।

কামনায়ো তেওঁক আৰু কেতিয়াও যন্ত্ৰণা নিদিয়ে। পাপে তেওঁক কলুষিত কৰিব নোৱাৰে নাইবা পাৰ্থিৱ সুখ-দুখৰ যন্ত্ৰণায়ো তেওঁৰ নিৰাপদ অৱস্থাত থকা অনন্ত শান্তি আক্ৰমণ কৰিব নোৱাৰে। মৃত্যু আৰু জন্মও পুনৰ নহ'ব।

তেওঁ নিৰ্বাণ প্ৰাপ্ত হ'ব, তেওঁ জীৱনে সৈতে একে, তথাপি জীয়াই নাথাকে। পুনৰ জন্ম ৰহিত হৈ তেওঁ অনন্ত কল্যাণত শান্তি লাভ কৰে। ওঁ মণিপদ্মে হুম্।...পদুম পাতত থকা নিয়ৰৰ টোপালটো উজ্জ্বল সমুদ্ৰৰ গৰ্ভত বিলীন হয়।

* * *

শিকা, এয়া কৰ্মৰ কথা কৈছোঁ। যেতিয়া পাপৰ সমস্ত কলঙ্ক ওলাই যায়, আপোনা-আপুনি শেষ হৈ যোৱা বগা শিখাৰ দৰে যেতিয়া জীৱনৰ মৃত্যু হয়, তাৰ লগে লগে মৃত্যুৰো মৰণ হয়।

''মই আছোঁ'', ''মই আছিলোঁ'' বা ''মই থাকিম'' এই বুলি নক'বা। অস্থি-মাংসৰ এটা ঘৰৰপৰা আন এটা ঘৰলৈ গৈছোঁ

বুলি তুমি নাভাবিবা। ভ্ৰমণকাৰী বাটৰুৱাবিলাকে ক'ত কেনেকৈ ভালকৈ থাকিলোঁ বা বেয়াকৈ থাকিলোঁ বুলি মনত ৰখাৰ দৰে তুমি নাভাবিবা।

ভাতৃসকল, অন্ধকাৰৰ (অবিদ্যা)-পৰাই অজ্ঞানতা ওপজে। সেই অজ্ঞানতাৰ মাজত বিভ্ৰান্ত হৈ তোমালোকে মিছা ভাবনাকে সঁচা বুলি ধৰি থাকা। পাৰ্থিৱ সম্পদ লাভ কৰিবলৈ তৃষ্ণা জাগে আৰু লাভ কৰি ভোগ-বাসনাতে ডুব গৈ থাকা। সিয়েই দুখৰ কাৰণ।

যিটো মধ্যপথ, তাৰ গতিৰেখা উজ্জ্বল মুক্তিৰে আঁকে আৰু কোমল নিৰ্জনতাই মিহি কৰে। যি সকলে এই মধ্যপথ ল'ব খোজা, সেইসকলে এই কথা জানিবা। আৰু তোমালোকৰ যি সকলে ওখ নিৰ্বাণৰ পথ ল'ব খোজা, তোমালোকে চাৰিটা মহাসত্য জানিব লাগিব।

প্ৰথম সত্যটো দুখ। প্ৰৱঞ্চিত নহ'বা। পাবলৈ অতি হেঁপাহ কৰা যিটো জীৱন, সেইটো বহু কালৰেপৰা লেঠাৰি লাগি অহা যন্ত্ৰণাহে। জীৱনৰ দুখবোৰেই কেৱল থাকে। ইয়াৰ সুখবোৰ চৰাইৰ দৰে উৰি আহি মাটিত পৰে আৰু ভুৰুং কৰি কেনিবা আকৌ উৰি গুচি যায়।

জন্মৰ দুখ, অসহায় দিনবোৰৰ দুখ, তপত যৌৱনৰ দুখ এই-বোৰেই তোমাৰ পুতৌ কৰিবলগীয়া সময়টো ঢাকি থয়।

প্ৰেম মধুৰ! কিন্তু শ্মশানৰ চিতাজুয়ে বুকুখন, ওঁঠ দুটা আৰু গোটেই দেহটো নিশ্চয় এদিন চুমিব। যুদ্ধত জয় লাভ কৰা বীৰৰ দৰে সেই ক্ষমতা। দুৰ্দমনীয় শ্মশানত পৰি থকা ৰজাৰ অস্থিবোৰ শগুনে বুটলি নিয়ে।

পৃথিৱীখন সৌন্দৰ্য্যময়; কিন্তু ইয়াত থকা হাবি-বনবোৰে হত্যাৰ ষড়যন্ত্ৰ কৰে। জীয়াই থাকিবলৈ ভোগত আতুৰ হয়। আকাশখন



ধুনীয়া নীল কান্ত মণিৰ দৰে; কিন্তু মানুহে যেতিয়া কান্দে, তাৰ-পৰা এটোপা পানীও সৰি নপৰে।

"তুমি জীৱনটো ভাল পাইছা নে?" এই বুলি ৰুগীয়া বেজাৰত কান্দি থকা নাইবা অকলশৰে লাখুটিত ভৰ দি থৰক-বৰককৈ থিয় হোৱা মানুহ এটাক সোধা, তেতিয়া তেওঁবিলাকে ক'ব, ন-কৈ ওপজা কেঁচুৱাটো বৰ জ্ঞানী, কাৰণ, সি জন্ম পোৱা বাবেই কান্দে।

দ্বিতীয় সত্যটো দুখৰ কাৰণ। এনে কোনো বেজাৰ আছেনে, যিটো কামনাৰপৰা এনেয়ে হয়? ইন্দ্ৰিয়সমূহ আৰু ইন্দ্ৰিয়ৰ দ্বাৰাই গ্ৰহণ কৰা বস্তুবোৰে একেলগেই ইন্দ্ৰিয়ৰ গাত সম্ভোগ-বাসনাৰ বিজুলী জুই লগাই দিয়ে। এই জুইৰ শিখা হ'ল, তৃষ্ণা, হেঁপাহৰ পিয়াহ। তুমি ব্যগ্ৰ হৈ ছাঁৰ পিচে পিচে ফুৰা।

ভেঁড়াৰ দৰে সপোনত লাগি ধৰা এটা মিছা আত্মভাৱ তাৰ মাজত পুহি থাকা আৰু তাৰে এখন সংসাৰ ৰচনা কৰা। কিন্তু সেই সংসাৰখনে ওপৰৰ পিনে নেদেখে। বহুত ওপৰত থকা আনকি ইন্দ্ৰৰ আকাশতকৈও ওপৰ আকাশৰপৰা অহা মৃদু বতাহৰ শব্দ নুশুনে। সত্য জীৱনৰ নিৰ্দেশ শুনিবলৈ সেই সংসাৰৰ শ্ৰৱণ শক্তি নাই। সেই কাৰণে সংসাৰৰ যুদ্ধ আহ্বান কৰা মিছা পৰিশ্ৰম আৰু কামনা-বাসনাবোৰেই তাত বেচিকৈ বাঢ়ি যায়। সেই কাৰণেই প্ৰৱঞ্চিত হোৱা দুখীয়া হৃদয়বোৰে বেজাৰত কান্দে আৰু চকুৰপৰা লুণীয়া চকুলো বৈ আহে। সেইবাবেই ঈৰ্ষা, ক্ৰোধ আৰু ঘৃণাই ইন্দ্ৰিয়সমূহক বিপথগামী কৰে। সেই বাবেই য'ত বন গজিব লাগিছিল, সেই ঠাই ভৰি দিলে ঠহ্-ঠহাই যোৱা শিপা থকা উলু-খেৰে ঢাকি পেলায়। তেনে ঠাইত ভাল গুটিৰ কাৰণে তলী পোৱাই টান। আৰু দেহাত বিষ-পানীৰ ৰাগি লাগি থাকোঁতেই এদিন আশা ওলাই গুচি যায়। পানী পিবলৈ পিয়াহত আতুৰ হৈ কৰ্ম আকৌ উলটি যায়। ইন্দ্ৰিয়ৰ আঘাতত

আহত হোৱা আত্মাৰ ভ্ৰমণ আকৌ আৰম্ভ হয় আৰু আকৌ নতুন প্ৰবঞ্চনা অৰ্জন কৰে।

তৃতীয় সত্যটো দুখৰ অৱসান। আত্মপ্ৰেম আৰু জীৱনৰ মোহ জয় কৰিব পাৰে শান্তিয়ে। বুকুত সোমাই দ-কৈ শিপাই থকা ভোগ-বাসনা উঘালি অন্তৰৰ বিপ্লৱ শান্ত কৰিব পাৰে শান্তিয়ে আৰু এই বাসনাবোৰ প্ৰশমিত হ'লেই বুকুতে লাগি থকা অনন্ত সৌন্দৰ্য্য সাৱটি লবলৈ প্ৰেম ওপজে। আত্ম জয় কৰি নিজৰ গিৰীহঁত হ'বলৈ গৌৰৱ আছে। দেৱতাসকল থকাতকৈও ওপৰত থকাৰ আনন্দ আছে। বিশুদ্ধ কৰ্ম, পৰোপকাৰাৰ্থে কৰা সেৱা, মধুৰ বচন আৰু নিষ্কলঙ্কভাৱে অতিবাহিত কৰা দিনবোৰৰপৰা অগণন স্থায়ী সম্পদ গোট খায়। এই সম্পত্তি কেতিয়াও নুটুটে আৰু মৃত্যুৱে ঘিণাব নোৱাৰে।

তেতিয়াই দুখ-বেজাৰৰ অন্ত হয়। কাৰণ তেতিয়া জীৱনো নাথাকে, মৰণো নাথাকে। যেতিয়া বন্তিৰ তেল নাইকিয়া হয়, তেতিয়ানো বন্তিৰ শিখা কঁপিব কেনেকৈ? পুৰণিৰ বেজাৰ লগা অৱস্থাটো স্পষ্ট হয়। নতুন পৰিষ্কাৰভাৱে দেখা দিয়ে। ইয়াৰ-পৰাই মানুহ সন্তোষীয়া হয়।

চতুৰ্থ সত্যটো পথ। সকলো মানুহ যাব পৰাকৈ আহল-বহল সহজ পথ আঠোটা আছে, শুনা—

প্ৰথম পথটো হ'ল—বিশুদ্ধ মত। সকলো অপৰাধ পৰিত্যাগ কৰি ধৰ্মলৈ ভয় কৰি চলিবা। কৰ্মৰ প্ৰতি মনোযোগ দিবা। এই কৰ্মৰপৰাই মানুহৰ ভাগ্য ৰচনা হয়। ইন্দ্ৰিয়সমূহৰ ওপৰত প্ৰভুত্ব কৰি চলিবা।

দ্বিতীয়—বিশুদ্ধ উদ্দেশ্য। নিষ্ঠুৰ-নিৰ্দয় ভাব সমূলি ধ্বংস কৰি সকলো জীৱৰ প্ৰতি সম্ভাৱ ৰাখিবা। লোভ আৰু ক্ৰোধ নিৰ্মূল কৰিবা, যাতে তোমাৰ জীৱন বৈ যোৱা এছাটি কোমল বতাহৰ দৰে হয়।



তৃতীয়—বিশুদ্ধ বাক্য। ওঁঠ দুটাই কাৰেঙৰ দুৱাৰ মুখ। এই ওঁঠ দুটা ভালকৈ শাসন কৰিবা। ভিতৰত ৰজা আছে। তোমাৰ সকলো বাক্য শান্তিপূৰ্ণ, সুন্দৰ আৰু বিনয়পূৰ্ণ কৰিবা। ভিতৰত থকাজনৰপৰা তেতিয়া শান্তি লাভ হ'ব।

চতুৰ্থ—বিশুদ্ধ ব্যৱহাৰ। প্ৰত্যেক কামটোৱে এটা এটা দোষ নাইকিয়া কৰে আৰু গুণ বৃদ্ধি কৰে। ফটিকৰ মালা গাঁথি ৰূপালী সূতাবোৰ জিলিকি থকাদি, কুশল কৰ্মৰ যোগেদি প্ৰেম জিলিকি থাকক। ইয়াৰ উপৰিও আৰু চাৰিটা উৰ্ধপথ আছে। যিবিলাকে পাথিৱ সুখ-সম্পদৰ বাট একেবাৰেই পৰিত্যাগ কৰিলে--সেই বিলাকেহে এই চাৰিটা পথেদি বাট বুলিব পাৰে। বিশুদ্ধ পৰিব্ৰতা, বিশুদ্ধ চিন্তা, বিশুদ্ধ নিৰ্জনতা আৰু বিশুদ্ধ আনন্দ।

পুত্ৰ-পৰিবাৰৰ প্ৰতি স্নেহ বৰ মধুৰ। বন্ধু-বান্ধৱ আৰু আমোদ-প্ৰমোদেৰে কটোৱা দিনবোৰো বৰ আনন্দদায়ক। ইয়াৰ মাজত থাকিও তোমাৰ নিজ নিজ দুৰ্বলতাৰে সোণৰ জখলা সাজি লোৱা। সেই মিছা সুখৰ দৈনিক জীৱন-যাত্ৰাৰপৰা উৰ্ধতৰ জীৱনলৈ যোৱা পথ মুকলি কৰা। এনেকৈয়ে ক্ৰমাৎ ওপৰলৈ উঠা সহজ হৈ আহিব আৰু পাপৰ বোজা পাতল হ'ব। ওপৰত কোৱা অষ্ট পথেদি বাট বুলিলেই ইন্দ্ৰিয়ৰ বন্ধনৰপৰা মুক্ত হ'বলৈ অদম্য ইচ্ছা জাগিব।

যি এইদৰে চলিবলৈ মন জয় কৰিব পাৰে, তেওঁ প্ৰথম স্তৰটো লাভ কৰে। তেওঁ কুশল, সত্য আৰু অষ্ট মাৰ্গৰ পৰিচয় পায় আৰু শেষত নিৰ্বাণৰ শান্তি লাভ কৰে।

দ্বিতীয় স্তৰত থিয় হৈ থকাবিলাক সন্দেহ, মায়া, মোহ আৰু অন্তৰ বেদনাৰপৰা মুক্ত হয়। সকলো প্ৰকাৰ ভোগ-বাসনাৰ ওপৰত নিজে প্ৰভু হৈ সকলো প্ৰকাৰ বাহ্যিক কৰ্ম, শাস্ত্ৰ অধ্যয়ন, পুৰোহিত আদিৰ প্ৰয়োজন নোহোৱাকৈ তেওঁ থাকিব পাৰে।

তাৰ ওপৰত তৃতীয় স্তৰটো। এই স্তৰত থকাজনৰ সকলো পাপ প্ৰক্ষালন হৈ নিৰ্ম্মূল হয় আৰু তেওঁ প্ৰশান্ত গম্ভীৰ হয়। তেওঁ সকলো জীৱকে সম্পূৰ্ণ শান্তিৰে ভাল পায়। শেহত তেওঁৰ জীৱনৰ বন্দীশালটো ভাগি নাইকিয়া হয়।

ভয় লগা শত্ৰুক সৈনিকে বধ কৰাদি এই চাৰিটা স্তৰৰ লগে লগে দহোটা পাপ ধূলিসাৎ হয়। আত্ম-প্ৰেম, মিছা বিশ্বাস, সন্দেহ ঘৃণা আৰু ভোগ-বাসনা—যি এই পাঁচোটা পাপ জয় কৰিব পাৰে, তেৱেঁই তৃতীয় স্তৰৰ শেষত থিয় হয়গৈ। তথাপি আৰু পাঁচোটা পাপ বাকী থাকে। সেই পাঁচোটা হ'ল পাৰ্থিৱ জীৱনৰ মোহ, স্বৰ্গ লাভৰ কামনা, আত্ম-প্ৰশংসা, ভ্ৰান্তি আৰু অহঙ্কাৰ।

দূৰৰ ওপৰত সীমাহীন নীল আকাশৰ বাহিৰে একো নথকাকৈ সৌ পৰ্বতৰ তুষাৰ শৃঙ্গত থিয় হৈ থকা এজনৰ দৰে এই পাপবোৰৰ-পৰা মুক্ত হৈ মানুহ নিৰ্বাণৰ ওচৰ সীমাত উপস্থিত হয়গৈ।

তেনেজন লোকৰ প্ৰতি দেৱতাৰো ঈৰ্ষা হয়। তেওঁক তিনিও ভুবনৰ প্ৰলয়েও লৰাব নোৱাৰে। সকলো জীৱন তেওঁৰ কাৰণেই জীয়াই থাকে আৰু সকলো মৃত্যুৰ মৃত্যু হয়। জীৱনে আৰু তেওঁৰ নিমিত্তে ঘৰ সাজিব নোৱাৰে। তেওঁ একো নিবিচাৰে কিন্তু সকলো পাই আত্ম ভাব নাইকিয়া হয় আৰু সমস্ত বিশ্ব-ব্ৰহ্মাণ্ড-খনেই 'মই' ভাৱত পৰিণত হয়। 'নিৰ্বাণ' মৃত্যুও নহয়, জীৱনো নহয়। বিশুদ্ধ পথ অনুসৰণ কৰা। ঘৃণাৰ দৰে আৰু ডাঙৰ বেজাৰ একো নাই। ইন্দ্ৰিয়তকৈ ডাঙৰ যন্ত্ৰণা আৰু ভোগ-বাসনাতকৈ ডাঙৰ প্ৰৱঞ্চনা নাই। পথ প্ৰৱেশ কৰা। যাৰ ভৰিয়ে এটা মাত্ৰ অপৰাধো মোহাৰি গৈছে, তেওঁ বহুত দূৰ আগ বাঢ়িছে বুলি জানিবা। পথ প্ৰৱেশ কৰা, তাতেই আৰোগ্যকাৰী পানীৰ সোঁত বৈ আছে আৰু সিয়েই সকলো প্ৰকাৰে তৃষ্ণা নিবাৰণ কৰিব। সেই পথৰ ওপৰত ফুল-বছা দলিচা পাৰি অমৰ ফুলবোৰ ফুলি আছে।



বাটে বাটে আনন্দ। তাতে আহি মধুৰতম আৰু অতি খৰকৈ গুচি যোৱা দিনবোৰ থূপ খাই আছে।

* * *

মণি-মুক্তাৰ ভঁৰালতকৈ নিয়মৰ ভঁৰালটো বেচি ডাঙৰ। মৌ-চাকতকৈও ই বেচি সোৱাদ। ইয়াৰ আনন্দই আনন্দময় অতীতৰ তুলনা কৰে। ইয়াত থাকিবৰ কাৰণে এই পাঁচোটা শীল (নিয়ম) আছে, কওঁ শুনা—

১। প্ৰাণী হত্যা নকৰিবা।

২। মুক্ত হস্তে দান কৰা আৰু গ্ৰহণ কৰা ; কিন্তু প্ৰৱঞ্চনা কৰি, প্ৰলোভনৰ বশ হৈ কিম্বা গাৰ বলেৰে লোকৰ বস্তু মোৰ নুবুলিবা। চুৰ নকৰিবা।

৩। মিছা কথা নক'বা। মিছা সাক্ষী নিদিবা। অন্তৰত থকা পৱিত্ৰতাৰ বচন হৈছে সত্য।

৪। বুদ্ধিক কলুষিত কৰা ৰাগিয়াল দ্ৰব্য বা সুৰাপান আদি ত্যাগ কৰিবা। পৰিষ্কাৰ মন আৰু দেহাৰ কাৰণে সোমৰসৰ প্ৰয়োজন নাই।

৫। পৰ-স্ত্ৰী স্পৰ্শ নকৰিবা নাইবা ব্যভিচাৰ আদি অনিয়মিত আৰু অশোভন কাৰ্য্যও নকৰিবা।

পিতৃ-মাতৃ, ল'ৰা-ছোৱালী, বন্ধু-বান্ধৱ আদি সকলোৰে পালন কৰিবলগীয়া কৰ্তব্য সম্পৰ্কে গৰাকীয়ে ওপৰত কোৱা কথাবিলাক ক'লে। যি সকলে উচ্চস্তৰত বাট বুলিব নোৱাৰে আৰু ভোগ-বাসনাৰপৰা মুক্ত হবলৈ টান পায়, সেই সকলে কেনেকৈ আঠোটা বাট চিনি লোৱা উচিত, সেই সম্পৰ্কে উপদেশ দিলে। পৱিত্ৰ জীৱন যাপন কৰি দয়া, ধৈৰ্য্য, শ্ৰদ্ধা আদিৰে সকলো জীৱকে আপোন ভাবেৰে ভাল পাবলৈ ক'লে। নৰক উপকাৰ কৰিলে স্তৰে স্তৰে কেনেকৈ সুখী হৈ যাব পাৰে, সেই কথাও বিবৰি ক'লে।

লগতে বহুত দিনৰ আগেয়ে ৰাজ-গৃহৰ বেণু-বনত থাকোঁতে প্ৰভুৱে এদিন অতি প্ৰত্যুষতে সিঙ্গল নামে এজন গৃহীলোকে স্নান কৰি পৃথিৱীক, স্বৰ্গক আৰু চাৰিও দিশক সেৱা কৰাৰ কথা এটাও ক'লে। সেই মানুহজনে সেইদৰে সেৱা কৰি দুই হাতে ৰঙা আৰু বগা চাউল ছটিয়াই আছিল। প্ৰভুৱে তেওঁক সুধিলে— "ভাতৃ তুমি এইদৰে সেৱা কৰিছা কিয় ?"

গৃহী মানুহজনে ক'লে—"মহাত্মা ! 'এইটো আমাৰ ধৰ্ম। আমাৰ পূৰ্বপুৰুষসকলে শিকাই গৈছে, বোলে দিনৰ কাম আৰম্ভ হোৱাৰ আগেয়ে প্ৰত্যেক দিনা অতি প্ৰত্যুষতে এইদৰে সেৱা কৰি ওপৰত থকা আকাশৰ, পৃথিৱীৰ আৰু চাৰিও দিশে বৈ থকা বতাহৰ লগত থকা কু-প্ৰভাৱবোৰ আঁতৰাই লব লাগে।" তেতিয়া বিশ্ব-বৰেণ্য প্ৰভুৱে উত্তৰ দিলে, "চাউল নছটিয়াবা, তাতকৈ প্ৰেমময় ভাব, চিন্তা আৰু কৰ্মবিলাক সকলোকে দান কৰা। পূব দিশক পিতৃ-মাতৃ বুলি ভাবা, কাৰণ তাৰপৰাই পোহৰ আহে। দক্ষিণক শিক্ষাগুৰু বুলি ভাবা, য'ৰপৰা মূল্যবান উপহাৰবিলাক আহে। পশ্চিমক নিজৰ ভাৰ্য্যা আৰু পুত্ৰ-কন্যা বুলি ভাবা, সেই-পিনেই প্ৰেম আৰু শান্তিৰ পোহৰ জলমলাই উঠে আৰু দিনৰো অন্ত পৰে। উত্তৰ দিশক নিজৰ বন্ধু, আত্মীয় স্বজন আৰু সমস্ত মানৱ জাতি বুলি ভাবা। তলৰপিনে নিম্নাখিত জীৱবিলাক আৰু ওপৰৰ পিনে সাধু-সন্ত দেৱদূত আৰু পুণ্যাত্মাসকল আছে বুলি ভাবা আৰু কুশল চিন্তাবিলাক দান কৰা। সেইদৰেই সকলো কু-প্ৰভাৱ অহা বাট বন্ধ হ'ব আৰু সকলো দিশ নিৰ্বিঘ্নে থাকিব।"

এইদৰেই মহাত্যাগী বুদ্ধই মানুহৰ আধ্যাত্মিক জীৱন উচ্চ পথগামী হ'বলৈ নানান শিক্ষা দান কৰিছিল। কেনেকৈ সংসাৰত নিৰ্মল বিশুদ্ধভাৱে বাস কৰিব পাৰি, কি খাব আৰু পিব লাগে, কেনেকুৱা বস্ত্ৰ পৰিধান কৰিব লাগে, সেই কথাবো শিক্ষা দিছিল।



এইদৰেই তেখেতে মহান বৌদ্ধ ধৰ্ম প্ৰতিষ্ঠা কৰি গ'ল। হালধীয়া সাজ পিন্ধা সেই ভিক্ষুকসকলে আজি পৰ্য্যন্ত জগতক সহায় কৰিবলৈ সংঘৰ নিয়ম মানি চলি আছে।

কপিলাবাস্তুলৈ উলটি আহি বুদ্ধই সেই গোটেই নিশা উপদেশ দিলে। কাৰো চকুত সেইনিশা টোপনিয়েই নধৰিলে। যি সকলে তেখেতৰ মহাবাণী শুনিছিলে, তেখেতসকলে ভাগৰ নলগা উলাহেৰে শুনি শুনি আনন্দ প্ৰকাশ কৰিছিল। যেতিয়া বুদ্ধই কথা কৈ সামৰণি মাৰিলে, তেতিয়া ৰজা শুদ্ধোদনে তেওঁৰ সিংহাসনৰপৰা শুদা ভৰিৰে উঠি আহি পুতেকৰ ওচৰত মূৰ দোঁৱালেহি আৰু হালধীয়া বস্ত্ৰৰ আগটোত ধৰি চুমা খালেহি। তাৰ পাচত ক'লে—"হে মোৰ পুত্ৰ ! তোমাৰ সঙ্গীসকলৰ ভিতৰত মোক অতি শেষৰ আৰু অতি নিঃস্বজন বুলি গ্ৰহণ কৰা।" তেতিয়া সম্পূৰ্ণ সুখী যশোধাৰাই কাতৰভাৱে ক'বলৈ ধৰিলে—"হে পুণ্য আত্মা ! আপোনাৰ উপযুক্ত পুত্ৰ আৰু উত্তৰাধিকাৰী হ'বৰ কাৰণে আপোনাৰ জ্ঞান-ৰাজ্যৰ ৰত্নৰাশিৰ ভাগ ৰাহুলকো দিয়ক।" শুদ্ধোদন, যশোধাৰা আৰু ৰাহুল—এই তিনিও কুশল পথত প্ৰৱেশ কৰিলে।....

ইয়াতে মোৰ লিখাৰ শেষ।

আমাক ভাল পোৱাৰ নিমিত্তে মই গৰাকীক ভাল পাওঁ আৰু সেইবাবেই তেওঁৰ চৰিত আলোচনা কৰিলোঁ। মোৰ জ্ঞান অতি সামান্য। সেই মহাগুৰু আৰু শান্তিৰ পথ সম্পৰ্কে মই একো কোৱা নাই বুলিবই লাগে। সেই গৰাকীজনে এচিয়াত জ্যোতি দান কৰিছিল। সেই দিব্য জ্যোতি আজিও সুন্দৰ হৈয়েই আছে। তাৰপৰা ওলোৱা অসীম দয়াৰ ভাবে বিশ্ব জয় কৰিলে। তেখেত ক'ত আছিল, কোন কোন ৰজাই তেওঁৰ অমৃত-বাণী গুহাৰ মুখত, শিলত কাটি প্ৰচাৰ কৰিছিল আৰু কেনেকৈ যথা সময়ত

বুদ্ধই দেহ ত্যাগ কৰিলে, মানুহৰ মাজত কেনেকৈ তেখেতে এজন মানুহৰ দৰে থাকিও সকলো কুশল কৰ্ম পৰিপূৰ্ণ কৰি গ'ল—তেতিয়াৰে পৰা লক্ষ লক্ষ মানুহে তেখেতে দেখুওৱা বাটেদি বাট বুলি গৈ, তেখেতে পাই যোৱা নিৰ্বাণ, য'ত অনন্ত বিশুদ্ধতা আছে, তাত তাৰ অনুসৰণ কৰিছে—সেই সকলোবিলাক কথা পৱিত্ৰ ধৰ্ম শাস্ত্ৰসমূহত লিখা আছে।

হে প্ৰভু! হে পৰিত্ৰাতা! এই ক্ষুদ্ৰ পুথিখনৰ ক'ৰবাত যদি তোমাৰ বিষয়ে কিবা ভ্ৰান্তিমূলক কথা কোৱা হৈছে, সেই অপৰাধ ক্ষমা কৰিবা। তোমাৰ মহান প্ৰেমেৰে মোৰ ক্ষুদ্ৰ বুদ্ধি আৰু সামান্য জ্ঞানৰ অপৰাধ মৰ্ষণ কৰিবা।

হে প্ৰেমিক! বন্ধু! পথ প্ৰদৰ্শক!! নিয়মৰ জ্যোতি
তোমাৰ নাম আৰু তোমাতেই মই আশ্ৰয় লৈছোঁ।
তোমাৰ কুশল নীতিত মই আশ্ৰয় লৈছোঁ।
তোমাৰ সংঘত মই আশ্ৰয় লৈছোঁ।
পদুমৰ পাতত নিয়ৰৰ টোপাল আছে।
উঠা—মহান সূৰ্য্য—

মোৰ জীৱন-পাতখিলা দাঙি ধৰা—আৰু মোক ঢৌৰ লগত মিলাই দিয়া।

ওঁ মণিপদ্মে হুম্।

সূৰ্য্যোদয় ওচৰ চাপিছে—নিয়ৰৰ টোপাল উজ্জ্বল হৈ সাগৰত টুপ কৰে সৰি পৰিছে।

—সমাপ্ত—